

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩০৩ ■ গুৱাহাটী ■ দেওবাৰ, ১২ জুন, ২০২২, ২৮ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 303 Dainandin Barta ■ Guwahati, Sunday ■ 12 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only



## তেজপুৰ কেবিনেটত উন্নয়নৰ ধল বোৱাই দিয়াৰ প্ৰতিশ্ৰুতি

**ঐতিহাসিক কেন্দ্ৰীয় কাৰাগাৰ স্থানান্তৰিত হ'ব চাৰিদুৱাৰলৈ ঃ জ্যোতি-বিষ্ণু-ফণী শৰ্মাৰ সাংস্কৃতিক প্ৰকল্প ঃ বাণ থিয়েটাৰলৈ ৪.৫ কোটি ঃ মৰাভৰলীৰ সৌন্দৰ্যবৰ্দ্ধনৰ বাবে ১৫ কোটি ঃ প্ৰস্তাৱিত উৰণীয়া সেতু সম্প্ৰসাৰণৰ বাবে ৪৭৪ কোটি টকা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১১ জুন ঃ** শোণিতপুৰ জিলা সদৰ তেজপুৰ আৰু জিলাবাসীৰ দীৰ্ঘদিনীয়া অভাৱ অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি আজি তেজপুৰ কনভেনচন চেণ্টাৰ অৰ্থাৎ তেজপুৰ সন্মিলন কেন্দ্ৰত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ কেবিনেটত কেবাটাও গুৰুত্বপূৰ্ণ অভিলাসী প্ৰকল্প গ্ৰহণ কৰা হয়। সাংস্কৃতিক তথা সৌন্দৰ্যনগৰী তেজপুৰৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ উন্নয়নৰ লগতে সৌন্দৰ্যৱৰ্দ্ধন আৰু আন্তঃগাঠনি উন্নয়নৰ বাবে আজিৰ এই মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰা বাতৰিয়ে চহৰবাসীক আহ্লাদিত কৰি তুলিছে। উল্লেখ্য যে, বিগত বৰ্ষৰ ১ জুলাইত তেজপুৰ চহৰৰ মূল প্ৰৱেশ চাৰিআলি হিচাপে চিহ্নিত মিচন চাৰিআলিত এখন উৰণীয়া সেতুঁ নিৰ্মাণৰ আধাৰশিলা ■ ৮ পৃষ্ঠাত



### ১৫০ ফুট উচ্চতাৰ লাচিতৰ প্ৰতিমূৰ্তি স্থাপনৰ সিদ্ধান্ত

**পৰৱৰ্তী কেবিনেট শিলচৰত**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১১ জুন ঃ** পুৱাৰ পৰাই অসম চৰকাৰৰ মন্ত্ৰী-শীৰ্ষ আমোলাৰে ঊষা নগৰী তেজপুৰত আজি এক উখল মাখল পৰিৱেশ। ঐতিহ্যৰ নগৰী শিলে কথা কোৱা তেজপুৰৰ বাটমাৰীৰ নৱ নিৰ্মীত সন্মিলন কেন্দ্ৰ আজি যেন হৈ পৰিল জনতা ভৱন। চৌদিশে কটকটীয়া নিৰাপত্তা, আদৰণী পৰ্বৰ বাবে শোণিতপুৰ জিলা প্ৰশাসন আৰু স্থানীয় বিধায়কৰ বিশেষ তৎপৰতাৰ মাজতেই পুৱাই প্ৰত্যেকগৰাকী মন্ত্ৰীক পুষ্পবৃষ্টিৰে নৱনিৰ্মিত ■ ৮ পৃষ্ঠাত



### তেজপুৰৰ লিচু লণ্ডনলৈ সুমিষ্ট লিচু মুখত লৈ ৰপ্তানিৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১১ জুন ঃ** তেজপুৰৰ মঙহাল সুমিষ্ট লিচুৰ সোৱাদ ল'লে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। বিদেশৰ বজাৰত তেজপুৰৰ লিচুৱে সমাদৰ লাভ কৰাৰ সময়তে আজি আনুষ্ঠানিকভাৱে সুদূৰ লণ্ডনলৈ তেজপুৰৰ লিচু ৰপ্তানিৰ শুভাৰম্ভ কৰি ■ ৮ পৃষ্ঠাত

### ছালাকাটিত কে এল অ'ৰ নামত ধন দাবী কৰি ব্যৱসায়ীক আক্ৰমণ

**পাঁচ অভিযুক্তক আটক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১১ জুন ঃ** কোকৰাঝাৰ জিলাৰ ছালাকাটিত কালি সন্ধিয়া ব্যৱসায়ী বিকাশ জৈনক পিষ্টল দেখুৱাই দুষ্কৃতিকাৰীয়ে ধন দাবী কৰে । ধন বিচাৰি ব্যৱসায়ীজনক মূৰত আঘাত কৰি প্ৰায় কুৰি হাজাৰ টকা লুট কৰি লৈ যোৱাৰ লগতে দুষ্কৃতিকাৰীসকলে ■ ৮ পৃষ্ঠাত

### ৰাজ্যসভাৰ ১৬ আসনৰ ৮ দখল বিজেপিৰ

**মহাৰাষ্ট্ৰত শিৱসেনা, হাৰিয়ানাত কংগ্ৰেছ, কৰ্ণাটকত জনতা দলৰ মুখথেকেচা**

**বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, পীযূষ গোৱেল, সঞ্জয় ৰাৱট, ৰণদ্বীপ সূৰ্যৱালা, জয়ৰাম ৰমেশ পুনৰ উভতিল উচ্চ সদনলৈ**

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১১ জুন ঃ** ৰাজ্যসভাৰ ১৬ আসনৰ বাবে কালি অনুষ্ঠিত হোৱা ভোটগ্ৰহণ আৰু নিশাৰ ভাগলৈ প্ৰকাশ পোৱা ভোট গণনাৰ ফলাফলত বিজেপি দলৰ সফলতা পুনৰবাৰ প্ৰতিষ্ঠিত হ'ল। আনকি বিজেপিৰ ৰণকৌশলৰ বাবে স্থৱিৰ হৈ পৰিল মহাৰাষ্ট্ৰৰ শিৱসেনা, কৰ্ণাটকৰ জনতা দল ছেকুলাৰ আৰু হাৰিয়ানাৰ কংগ্ৰেছ প্ৰাৰ্থী। উল্লেখ্য যে ৰাজ্যসভালৈ পুনৰ ঘূৰি আহিল কেন্দ্ৰীয় মন্ত্ৰীদ্বয় নিৰ্মলা সীতাৰমণ আৰু পীযুষ গোৱেল। মহাৰাষ্ট্ৰত মুঠ ছয় আসনৰ বাবে প্ৰাৰ্থী আছিল সাত জন। বিজেপিৰ তিনি প্ৰাৰ্থী ক্ৰমে কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেল, অনিল বন্দে ■ ৮ পৃষ্ঠাত

### ডলু চাহ বাগিচাৰ উচ্ছেদ কৰা হোৱা নাই ঃ মুখ্যমন্ত্ৰী

**বিধায়কৰ পুঁজিৰ অনিয়ম হ'লে বিধায়ক নহয়, উপায়ুক্তসহ নিৰ্দিষ্ট বিষয়াহে দোষী**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১১ জুন ঃ** তেজপুৰত অনুষ্ঠিত কেবিনেট বৈঠকৰ অন্তত সাংবাদিকে সোধা প্ৰশ্নোত্তৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰে। কাছাৰৰ ডলু চাহ বাগিছা সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, চাহ বাগিছাখনত উচ্ছেদ কৰা হোৱা নাই। কিয়নো উচ্ছেদ শব্দটো বুজাই সন্মতি অবিহনে চলোৱা অভিযানকহে। শ্ৰমিৰ আৰু মালিকপক্ষৰ সন্মতিৰ লগতে কাছাৰ জিলাৰ সমগ্ৰ ৰাজনৈতিক দলৰ সন্মতি ৰ উপৰিও চাহ ■ ৮ পৃষ্ঠাত



*বোকাজানৰ সোণাবিল চাহ বাগিচাত মৃত্যু হোৱা শিশুৰ পৰিয়ালক দুই লাখ টকাৰ সাহায্যৰ চেক প্ৰদান মুখ্যমন্ত্ৰীৰ, তেজপুৰত*

### চামগুৰিৰ ভগামুৰত পিষ্টল আৰু সজীৱ গুলীসহ আটক ১

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ১১ জুন ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ভগামুৰ অঞ্চলত আজি আৰক্ষীয়ে অভিযান চলাই সজীৱ গুলী আৰু পিষ্টলসহ এজন লোকক আটক কৰিবলৈ সক্ষম হয়। ■ ৮ পৃষ্ঠাত

### বঙাইগাঁৱত মহিলাৰ আত্মহনন

**প্ৰতিবেশীৰ আতিশয্যৰ অভিযোগ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১১ জুন ঃ** বঙাইগাঁও চহৰৰ উত্তৰ বঙাইগাঁও আৰক্ষী পহৰা চকীৰ অন্তৰ্গত ৮ নম্বৰ ৱাৰ্ডৰ শালবাগানত শুকুৰবাৰে নিশা মহিলা এগৰাকীৰ মৃত্যুৰ ঘটনাক কেন্দ্ৰ কৰি ■ ৮ পৃষ্ঠাত

### বহিঃৰাজ্যত মৃত্যু বকোৰ শ্ৰমিকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১১ জুন ঃ** অসমৰ এজন শ্ৰমিকক বহিঃৰাজ্যত হত্যাৰ খবৰে কামৰূপ জিলাৰ বকোৰ নেউলডোবাত সৃষ্টি হয় তীব্ৰ চাঞ্চল্য । বকো থানাৰ অন্তৰ্গত নেউলডোবা গাঁৱৰ প্ৰয়াত ৰবীন্দ্ৰ ভট্টাচাৰ্যৰ পুত্ৰ প্ৰসেনজিৎ ভট্টাচাৰ্য নামৰ যুৱক এজনে ■ ৮ পৃষ্ঠাত

**কোকৰাঝাৰত বিটিআৰ চুক্তিক লৈ প্ৰাক্তন এনডিএফবিৰ পৰ্যালোচনা সভা**

### ৰঞ্জন দৈমাৰীসহ কাৰাবন্দী সকলো নেতাক অতিশীঘ্ৰে মোকলাই দিয়াৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১১ জুন ঃ** এবছুকে ধৰি এনডিএফবিৰ চাৰিটা ফৈদৰে বিগত ২০২০ চনৰ ২৭ জানুৱাৰীত সম্পাদিত হোৱা ঐতিহাসিক বিটিআৰ চুক্তিখনৰ প্ৰাক্তন এনডিএফবিৰ সংস্থাপনক লৈ আজি কোকৰাঝাৰত এবছুৰ বিশেষ উদ্যোগত এখন আলোচনা সভা অনুষ্ঠিত হয় । কোকৰাঝাৰ বাণিজ্যিক মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি আয়োজিত আলোচনা সভাত বিটিআৰ চুক্তিৰ দ্বাৰা প্ৰাক্তন এন ডি এফ বি সকলৰ কি লাভ কৰিলে আৰু কিমান সমস্যা সমাধান হ'বলৈ বাকী আছে তাৰ বিতং এই আলোচনা সভাত স্থান পায় । সভাত এনডিএফবিৰ প্ৰতিষ্ঠাপক সভাপতি ৰঞ্জন দৈমাৰীসহ ৯১গৰাকী নেতা-কেডাৰ জে'লত থাকিবলগীয়া হোৱা বিষয়টো অধিক আলোচ্য হোৱা পৰিলক্ষিত হৈছে । ইয়াৰে প্ৰাক্তন এনডিএফবিৰ নেতা-কেডাৰ চুবুৰীয়া ৰাজ্য ভুটানত বন্দী হৈ আছে দুজন, অসমত ৰঞ্জন দৈমাৰীসহ ৭৪ গৰাকী আৰু অসমৰ বাহিৰত ১৫গৰাকী ■ ৮ পৃষ্ঠাত



*নিউ গুৱাহাটী ৰে'লৱে কলনীত আৰ পি এফৰ দ্বাৰা অবৈধ দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলোৱা হ'ল শনিবাৰে*

**ক্ৰমাৎ ভয়ংকৰ হৈ পৰিছে চীনা যুদ্ধৰ সময়ত নিৰ্মিত জীয়াভৰলী দলং**

### যিকোনো মুহূৰ্তত ভয়ংকৰ দুৰ্ঘটনাৰ আশংকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১১ জুন ঃ** উত্তৰ অসমৰ লগতে চুবুৰীয়া অৰুণাচল প্ৰদেশৰ লগতো যোগাযোগৰ একমাত্ৰ মাধ্যম শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী অতিকৈ পুৰণি জীয়াভৰলী নদীৰ দলংখন ক্ৰমাৎ ভয়ংকৰ হৈ পৰিছে। ১৯৬২ চনতে নিৰ্মাণ কৰা দলংখনৰ ওপৰত বৰ্তমান কেৱল বৃহৎ গাঁতেই নহয়, দলংখনত ব্যৱহৃত ৰড, লোৰ পাটি ইত্যাদিও এতিয়া দলংখনৰ ■ ৮ পৃষ্ঠাত

**চমু খবৰ**

### দিল্লীৰ হাস্পতালত অগ্নিকাণ্ড, মৃত্যু ১

দিল্লীৰ ৰোহিনী অঞ্চলত অৱস্থিত ব্ৰহ্ম শক্তি হাস্পতালত শনিবাৰে ভয়ংকৰ অগ্নিকাণ্ড হয়। অগ্নি নিৰ্বাপনৰ সুবিধা নাছিল হাস্পতালখনত। ফলত চিকিৎসাধীন হৈ থকা ৬৪ বছৰীয়া এজন ৰোগীৰ অক্সিজেন সংযোগ বিচ্ছিন্ন হোৱাৰ বাবে মৃত্যুমুখত পৰিছে।

### সিদ্ধুৰ ২৯

আততায়ীৰ হাতত মৃত্যুবৰণ কৰা সিদ্ধু মুছেৱালাৰ আজি জন্মদিন। জীৱিত থকা হ'লে ২৯ বছৰত পদাৰ্পণ কৰিলেহেঁতেন। পাঞ্জাৱ কংগ্ৰেছে জনপ্ৰিয় গায়ক তথা মৃত সিদ্ধুৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা দেখা গ'ল।

### নূপুৰ শৰ্মাৰ ফাঁচী

বিজেপিৰ নিলম্বিত মুখপাত্ৰ নুপূৰ শৰ্মাৰ ফাচী হ'ব লাগে বুলি দাবী কৰিছে এআইএমআইএম দলৰ সাংসদ ইনটিয়াজ জলিলে। ইছলাম ধৰ্মগুৰু সম্পৰ্কত বিতৰ্কিত মন্তব্য কৰি জনৰোষত পৰিছে নেত্ৰী নুপূৰ।

### তচলিমাৰ আক্ষেপ

যদিহে প্ৰ'ফেট মহম্মদ জীয়াই থাকিলহেঁতেন তেনেহ'লে নুপূৰ শৰ্মাৰ বিৰুদ্ধে ইছলাম বিশ্বই কৰা অনাহক আৰু অতিৰঞ্জিত হিংসাত্মক প্ৰতিবাদ দেখি নিজেই স্তম্ভিত হ'লহেঁতেন। এই বক্তব্য প্ৰখ্যাত লেখিকা তথা বাংলাদেশৰ দেশান্তৰিত তছলিমা নাছৰিণৰ। এনে প্ৰতিবাদ অবান্তৰ বুলি আক্ষেপ কৰিছে মুছলমান মৌলবাদীৰ ৰোষত পৰা তছলিমাই।

**ভূপেন বৰাৰ নিৰ্দেশনাকো কেৰেপ নকৰে তৃণমূল কৰ্মীয়ে কংগ্ৰেছ বুলি ক'বলৈ লাজ লগা হৈছে ঃ দুলাল হীৰা**

### কংগ্ৰেছ নেতা জিতেন্দ্ৰ সিঙে ৭ কোটি টকা বিচাৰিছিল টিকটৰ বাবে





**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১১ জুন ঃ** কংগ্ৰেছ বুলি ক'বলৈ এতিয়া আমাৰ লাজ লগা হৈছে, সেইটো দলীয় তৃণমূল কৰ্মী আৰু নিষ্ঠাবান কৰ্মীৰ বাবে হোৱা নাই । সেয়া হৈছে আমাৰ নেতাৰ কাৰণেহে। কংগ্ৰেছৰ যিসকল নেতা দিল্লীৰ পৰা আহে, তেওঁলোকে ধন সংগ্ৰহৰ বাবেহে আহে। যোৱা বিধানসভা নিৰ্বাচনৰ সময়তো জিতেন্দ্ৰ সিঙে মোৰ পৰা ৭ কোটি টকা বিচাৰিছিল। —এই বিস্ফোৰক অভিযোগ দৰঙৰ জ্যেষ্ঠ কংগ্ৰেছ নেতা দুলাল হীৰাৰ। আজি মঙ্গলদৈ প্ৰেছ ক্লাবত এক সংবাদ মেল সম্বোধন কৰি জিলা

### গোসাইগাঁৱৰ পখীহাগা গাঁৱত বনৰীয়া হাতীৰ তাণ্ডৱ

**মাজবাটত হাতী-মানুহৰ সংঘাত ঃ এজন লোকৰ মৃত্যু**

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ১১ জুন ঃ** গোসাইগাঁও মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ কাশিয়াবাৰী ভিচিডিচিৰ পখীহাগা গাঁৱত যোৱানিশা প্ৰায় ৩ বজাত ৰাইমোনা ৰাষ্ট্ৰীয় উদ্যানৰ জংগলৰ ৫টা বনৰীয়া হাতীৰ এটা দলে পখীহাগা গাঁৱত চলাইছিল তাণ্ডৱ। বনৰীয়া হাতীৰ দলটোৱে আহি ঘৰৰ সকলো বস্তুবস্তু আৰু সা-সামগ্ৰী ধ্বংস কৰাৰ উপৰি সুমি হাছদা নামৰ এগৰাকী বিধৱা মহিলাৰ ঘৰ-দুৱাৰ ভাঙি তচ্‌নচ্ কৰে। পিছত মহিলাগৰাকী যোৱানিশা মুকলি আকাশৰ তলত শুই থাকিব লগা হয়। সুমি হাছ্‌দাই কোৱা মতে তাইৰ চাউল, বাচন-বৰ্তন, ধান, কলগছ, কঁঠাল আৰু অন্যান্য বিভিন্ন ঘৰুৱা বয়বস্তু ধ্বংস কৰে। উক্ত ঘটনাৰ সম্ভেদ লাভ কৰি ইতিমধ্যে সাপকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া শিৱ প্ৰসাদ কলিতাই আজি ৰাতিপুৱা বিধৱা সুমি হাছদাৰ ঘৰত উপস্থিত হৈ আৰ্থিকভাৱে সহায় হাত আগবঢ়ায়। ■ ৮ পৃষ্ঠাত

### আতংক ঃ শিঙিমাৰীত শিশু অপহৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১১ জুন ঃ** কামৰূপ জিলাৰ শিঙিমাৰীৰ ঘৰৰ সমুখৰ পৰাই এটি এঘাৰ বছৰীয়া শিশুক অপহৰণ কৰি নিয়া ঘটনা এটি পোহৰলৈ অহাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অৱশ্যে শিশুটিয়ে উপস্থিত বুদ্ধিৰে আজ্ঞাঠুৰীৰ পৰাই অপহৰণকাৰী দলটোৰ পৰা পলায়ন কৰে। প্ৰাপ্ত তথ্য মতে শিঙিমাৰীৰ বিজু বৰ্মনৰ পুত্ৰ প্ৰীতম ■ ৮ পৃষ্ঠাত

**বিহালীত শিক্ষামন্ত্ৰী ৰণোজ পেগু**

### দীনদয়াল-বিহালী স্নাতক মহাবিদ্যালয় পৰিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ১১ জুন ঃ** বিহালীত শনিবাৰে উপস্থিত হয় অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ৰণোজ পেগু। উপস্থিত হৈ বিহালী সমষ্টিৰ দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয় আৰু বিহালী স্নাতক মহাবিদ্যালয় পৰিদৰ্শন কৰে শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ পিছত তেজপুৰত অনুষ্ঠিত হয় আজি কেবিনেট বৈঠক। এই বৈঠকৰ পিছত গৃহসমষ্টিলৈ যোৱাৰ পথত বিহালী সমষ্টিৰ ৰতোৱাত অৱস্থিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত উপস্থিত হৈ মহাবিদ্যালয়খনৰ আন্ত:গাঁথনিৰ লগতে মহাবিদ্যালয়খনৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাসলকৰ সৈতে মত বিনিময় কৰে শিক্ষামন্ত্ৰীগৰাকীয়ে। ইয়াৰ পিছতে বিহালী স্নাতক মহাবিদ্যালয়ো পৰিদৰ্শন কৰে শিক্ষামন্ত্ৰীগৰাকীয়ে। বিহালী স্নাতক মহাবিদ্যালয়ত ■ ৮ পৃষ্ঠাত

### বৰপেটাৰোডত অবৈধ কাঠফলা মিল জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ১১ জুন ঃ** উত্তৰ কামৰূপ বন সংমণ্ডলৰ নামনি অসমৰ বৰপেটাৰোড বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অধীনস্থ এটি বন বিভাগে এটা অবৈধ কাঠমিল জব্দ কৰে। বৰপেটাৰোড বনাঞ্চলিক বিষয়া প্ৰশান্ত গগৈয়ে 'দৈনন্দিন বাৰ্তা'ক জানিবলৈ দিয়া মতে কলগাছিয়াৰ ভঙা পথাৰত এটা অবৈধ কাঠফলা মিল ■ ৮ পৃষ্ঠাত



*দায়িত্ব- সাঁকো পাৰ হৈ মৰিগাঁৱৰ ঝাৰগাঁও স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্যকৰ্মীয়ে প্ৰত্যন্ত অঞ্চলত এনেদৰে ভেকচিন দিবলৈ ৰাওনা হৈছে, শনিবাৰৰ ছবি*

### নূপুৰ শৰ্মাৰ কাল্পনিক শিৰশ্চেদৰ ভিডিঅ' প্ৰচাৰ কৰি গ্ৰেপ্তাৰ কাশ্মীৰৰ ইউটিউবাৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১১ জুন ঃ** বিজেপিৰ পৰা নিলম্বিত নূপুৰ শৰ্মাৰ বিৰুদ্ধে আজিও দেশ-বিদেশত জ্বলি আছে ক্ষোভৰ জুই। এনে সময়তে নূপুৰ শৰ্মাৰ শিৰশ্চেদৰ ভিডিঅ' ছ'চিয়েল মিডিয়া প্লেটফৰ্মত ভাইৰেল কৰি গ্ৰেপ্তাৰ হ'ল এজন কাশ্মীৰী ইউটিউবাৰ। ফৈজল ৱানী নামৰ ইউটিউবাৰজনে নিলম্বিত বিজেপি মুখপাত্ৰ নূপুৰ শৰ্মাৰ শিৰশ্চেদৰ ভিডিঅ' প্ৰস্তুত কৰি ছ'চিয়েল মিডিয়া প্লেটফৰ্মত ভাইৰেল কৰিছিল। এই ভিডিঅ' ভাইৰেল হৈ পৰাৰ পিছতে বিষয়টোক লৈ উত্তেজনাৰ সৃষ্টি হয়। ফলত ■ ৮ পৃষ্ঠাত




### বতাহৰ জৰিয়তেও সংক্ৰমিত হ'ব পাৰে মংকী পক্স

**মাৰ্কিন বিজ্ঞানীৰ ঘোষণা**



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১১ জুন ঃ** ক'ভিডৰ আতংকৰ মাজতে বিশ্বৰ ৩৩খন দেশত এতিয়া নতুন ত্ৰাসৰ সৃষ্টি কৰিছে নতুন ধৰণৰ ভাইৰাছ মংকী পক্সে। মংকী পক্স ভাইৰাছবিধ বতাহৰ জৰিয়তেও বিয়পিব পাৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰোগ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ কেন্দ্ৰই (চিডিচি) এই কথা প্ৰকাশ কৰিছে। প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা মতে ভাইৰাছবিধ বায়ুৰ মাজেৰে বিয়পিব পাৰে। কিন্তু কেৱল সংক্ৰমিত ব্যক্তি এজনৰ সৈতে মুখামুখি সংস্পৰ্শৰ জৰিয়তেহে ই বতাহত মিলি যাব পাৰে। চিডিচিৰ মুৰব্বী ৰোচেল ৱালেনস্কিয়ে কয় যে যে লক্ষণযুক্ত ৰোগীসকলৰ সৈতে শাৰীৰিক সম্পৰ্কৰ জৰিয়তে আৰু তেওঁলোকৰ কাপোৰ, বিছনা আদিৰ জৰিয়তেও মংকী পক্স বিয়পিব পাৰে। বতাহত বিয়পিব পৰা এই ভাইৰাছ প্ৰতিৰোধ কৰিবলৈ মাস্ক পিন্ধাটো প্ৰয়োজন হ'ব নে নাই তাকে লৈ মানুহৰ মাজত কৌতূহলৰ সৃষ্টি হৈছে। ■ ৮ পৃষ্ঠাত

### পাথৰিঘাটৰ আঠকুৰীয়াত মূৰে-কপালে হাত দিলে মাছপালকে

**৩.৫০ লাখ টকাৰ মাছৰ অস্বাভাৱিক মৃত্যুত দিশহাৰা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১১ জুন ঃ** চৰকাৰী চাকৰিয়েই যে কৰ্মসংস্থাপনৰ একমাত্ৰ পথ নহয়, হাতে-কামে কাম কৰিও ■ ৮ পৃষ্ঠাত

১২ জুন আন্তঃৰাষ্ট্ৰীয় শিশু শ্ৰমিকবিৰোধী দিৱস উপলক্ষে

# শিশু শ্ৰমিক ঃ ভৱিষ্যতৰ সপোনৰ সন্মুখত বাস্তৱৰ কঠোৰ প্ৰত্যাহ্বান

■ নৱ ডেকা



সম্প্ৰতি আধুনিকতাই গৰকি যোৱা প্ৰায় প্ৰতিঘৰ একক পৰিয়ালত সম্পূৰ্ণ পৰিপুষ্ট ব্যক্তিসকলৰ বাহিৰে অপৰিপুষ্টিত ভোগা এক শ্ৰেণীৰ অৱহেলিত শিশু সততে দেখা পৰিলক্ষিত হয়। হোটেল বা ৰেষ্টুৰেণ্টত উপস্থিত অতিথিসদৃশ গ্ৰাহকসকলক আপ্যায়নৰ বাবে মলিয়ন আৰু ফটা-চিটা কাপোৰ পৰিহিত একাংশ হতভগীয়া শিশুৱে দিনে-নিশাই ব্যস্ত থকা দেখা যায়। বাছ আস্থান আৰু ৰে'লৱে প্লেটফৰ্মবোৰত ক্ষুধা নিবাৰণৰ অৰ্থে সোণাময় শৈশৱ জলাঞ্জলি দিয়া এচাম শিশু পিতৃপিতাই থকা পৰিলক্ষিত হয়। একেদৰে বাগান, ইটাভাতা, বালি বা চিমেণ্ট আদি উদ্যোগ বা কল-কাৰখানাবোৰত কম মজুৰিপ্ৰাপ্ত এক শ্ৰেণীৰ শিশুৱে হাড়ভঙা পৰিশ্ৰমৰ মেটমৰা বোজা বহন কৰা দৃশ্য এতিয়া তেনেই সুলভ। এচাম লাভখোৰ, মুনাফা আদায়ী আৰু স্বাৰ্থান্বেষী ব্যক্তিয়ে পৱিত্ৰ আৰু সৰল মনৰ শিশুসকলক নিচাযুক্ত দ্ৰব্য সৰবৰাহ, উগ্ৰপন্থী আৰু মানৱ বোমাৰ দৰে ভয়ানক কৰ্মত নিয়োজিত কৰিবলৈ কুণ্ঠাবোধ নকৰা তেনেই সাধাৰণ। আকৌ ৰাতিপুৱা-গধূলি ফুটপাথৰ ডাষ্টবিনত পিতৃপিতকৈ ক্ষুধা নিবাৰণৰ মহৌষধ সন্ধান কৰা হাড়ে-ছালে লগা শিশুবোৰৰ কথা নক'লোৱে যেনিবা।

উপৰিউক্ত প্ৰতিটোৱে আমাক সকলোকে সমাজত দিনক দিনে বৃদ্ধি পাই অহা এটা ভয়াৱহ সামাজিক ব্যাধি- 'শিশু শ্ৰমিক'ৰ বিষয়টো যে বৰ দকৈ শিপাইছে তাক এশ শতাংশই প্ৰতিনিধিত্ব কৰিছে। সাধাৰণতে ১৮ বছৰৰ তলৰ সকলো ল'ৰা-ছোৱালী, যি যৌৱনপ্ৰাপ্ত হোৱা নাই বা বয়ঃসন্ধিক্ষণত প্ৰৱেশ কৰা নাই তেওঁলোকেই হ'ল শিশু। সকলো শিশুৱে নিজৰ শৈশৱ কালছোৱা খেল-ধেমালি, ৰং-ৰহইচত আত্মনিৱেশ কৰাৰ লগতে শিক্ষা গ্ৰহণত বৰ্তি হৈ ভৱিষ্যতৰ ৰঙীণ বাস্তৱৰ সোপান ৰচনা কৰাত উঠি-পৰি লগা দেখা যায়। বৰ্তমানৰ এই প্ৰতিযোগিতাৰ যুগো তেনে কোনো ব্যতিক্ৰম নহয়। প্ৰতিযোগিতাৰ ধামখুমীয়াত আজিৰ ফুল-কুমলীয়া শিশুসকলো শৈক্ষিক ক্ষেত্ৰখনত যন্ত্ৰৱৎ জীৱনশৈলী যাপন কৰিবলগীয়া হৈছে। ঠিক তেনেকুৱা এক পৰিস্থিতি-তন্ত্ৰৰ আৱেষ্টনীত এচাম শিশুৱে আকৌ দুবেলা দুমুঠি অন্নৰ বাবে জীৱন সংগ্ৰামত অৱতীৰ্ণ হ'বলগীয়া হোৱাটো অকল শিশু শ্ৰেণীৰ দাৰিদ্ৰ্যতা প্ৰতিনিধিত্ব কৰাই নহয় দেশৰ এক অমূল্য সম্পদৰ অবিবেকী ব্যৱহাৰৰ সূচনা কৰে।

শিশু শ্ৰমিকৰ সমস্যাটো পৃথিৱীৰ উন্নত, উন্নয়নশীল আৰু অনুন্নত সকলো দেশতে কম-বেছি পৰিমাণে গা কৰি উঠা দেখা যায়। আন্তৰ্জাতিক শ্ৰমিক সংস্থাৰ প্ৰতিবেদন অনুসৰি সমগ্ৰ বিশ্বত কোটি কোটি শিশু শ্ৰমিকে নিজৰ উপযুক্ত শিক্ষা, স্বাস্থ্য জলাঞ্জলি দি এই নিকৃষ্ট বৃত্তিৰ লগত জড়িত হৈ আহিছে। তথ্য মতে সমগ্ৰ বিশ্বৰ জনগণৰ ভিতৰত সৰ্বাধিক শিশু শ্ৰমিক থকা আফ্ৰিকা মহাদেশত বিশ্বৰ মুঠ শিশু শ্ৰমিকৰ প্ৰায় এক পঞ্চমাংশ অৰ্থাৎ প্ৰায় ৭২ মিলিয়ন শিশু শ্ৰমিক থকা দেখা যায়। ২০২০ চনত প্ৰকাশিত তথ্য অনুসৰি আমাৰ ভাৰতবৰ্ষত বিশ্বৰ মুঠ কৰ্মৰত শিশু শ্ৰমিক প্ৰায় ১৫.২ কোটিৰ ৭.৩ শতাংশ উপলব্ধ। আকৌ অন্য এখন প্ৰতিবেদন মতে অসমত শিশু শ্ৰমিকৰ সংখ্যা প্ৰায় ২.৮ লাখ। গতিকে শিশু শ্ৰমিকৰ ওপৰত এনে পুতৌ লগা ছবিখনে দৰাচলতে পাকে-প্ৰকাৰে জীৱশ্ৰেষ্ঠ মানুহৰ অবিবেচক কৰ্ম-কাণ্ডৰ কথাটোকে উদঙাই দিয়ে। যি এগৰাকী শিশুৱে মৰ্ত্যতে সৰগীয় সুখৰ মেলা পাতিব পাৰে তেনে শিশুবোৰক দাঙিব নোৱৰা বোজা বহন কৰিবলৈ বাধ্য কৰাইছোঁ। কল্যাণকামী ৰাষ্ট্ৰৰ শিশুসকলৰ এই দুৰ্ভগীয়া আৰু অনুকম্পা উদ্ৰেকাৰী অৱস্থাটো সঁচাকৈ বাঞ্ছনীয়নে?

নক'লেও হ'ব যে উন্নয়নশীল ৰাষ্ট্ৰ ভাৰতবৰ্ষত উদ্ভৱ হোৱা শিশু শ্ৰমিকৰ মহাব্যাধিটো মূলতঃ দৰিদ্ৰতাক দোষাৰোপ কৰাৰ অৱকাশ আছে। ভাৰতবৰ্ষৰ জনসাধাৰণে বিজ্ঞান-প্ৰযুক্তিৰ জয়-জয়কাৰ পৰিৱেশতো দৰিদ্ৰতা লগত প্ৰত্যক্ষ সংগ্ৰামত দিনে-প্ৰতিদিনে লিপ্ত হৈ আহিবলগীয়া হৈছে। ক্ষুধা নিবাৰণৰ বাবে মুখত এমুঠি আহাৰ, লজ্জা নিবাৰণৰ বাবে এডোখৰ কাপোৰ আৰু ৰ'দ-বৰষুণৰ পৰা পৰিত্ৰাণ পাবলৈ চাৰি বেৰৰ এখন চালিৰ বাবে কঠিনৰ পৰা কঠিনতম শ্ৰমদান কৰি আহিছে একাংশ শিশু শ্ৰমিকে। দ্বিতীয়তে উনুকিয়াব পাৰি জনসংখ্যা বৃদ্ধি। অভাৱনীয় হাৰত বৃদ্ধি হোৱা জনসংখ্যা বৃদ্ধি সমস্যাটোৱে শিশু শ্ৰমিক বৃদ্ধিত ইন্ধন নোযোগোৱা নহয়। সীমিত আয়ৰে অনেক সন্তানেৰে ভৰপূৰ পৰিয়াল এটাৰ ভৰণ-পোষণ আজিৰ যুগত এক প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বান মোচন কৰাৰ নিমিত্তে একাংশ শিশু স্ব-ইচ্ছাই নাম পঞ্জীভুক্ত কৰে শিশু শ্ৰমিকৰ তালিকাত আৰু আন একাংশৰ ওপৰত পিতৃ-মাতৃয়ে জাপি দিয়ে ভাৰ বহন কৰিব নোৱৰা গধুৰ বোজা। তৃতীয়তে উল্লেখ কৰিব পাৰি জন-জীৱনত জন-সচেতনতাৰ অভাৱ। ক'বলৈ সংকোচ লাগিলেও এইটো সত্য যে উচ্চ শিক্ষাৰে শিক্ষিত তথাকথিত এচাম ব্যক্তিয়ে নিজৰ ব্যক্তিগত কামত শিশুসকলক বিনাদ্বিধাই শ্ৰমিকৰূপে নিয়োগ কৰি আহিছে।

সুখৰ কথা যে শিশু শ্ৰমিকৰ দৰে জ্বলন্ত সমস্যাটোৰ স্থায়ী সমাধানৰ ভেটি সুদৃঢ় নহ'লেও সমাধানৰ বাবে চিন্তা-চৰ্চা অবিৰতভাৱে অব্যাহত আছে। ভাৰতবৰ্ষত ১৯৮৬ চনত প্ৰণয়ন কৰা হৈছিল শিশু শ্ৰমিক নিয়ন্ত্ৰণ কৰা এখন আইন যিখন ২০০৩ চনত প্ৰয়োগ কৰা হৈছিল। এই আইন মতে শিশু শ্ৰমিক নিয়োগ কৰাটো দণ্ডনীয় অপৰাধ বুলি গণ্য কৰা হৈছে আৰু ১০ হাজাৰৰ পৰা ২০ হাজাৰ টকা পৰ্যন্ত জৰিমনা অথবা ৩ মাহৰ পৰা এবছৰ পৰ্যন্ত জে'ল হোৱাৰ ব্যৱস্থাও কৰা হৈছে। একেদৰে ভাৰতীয় সংবিধান মতে ১৪ বছৰৰ তলৰ সকলো ল'ৰা-ছোৱালীৰ শিক্ষা গ্ৰহণ বাধ্যতামূলক কৰিছে যাতে দেশৰ শিশুসকল হাতত কিতাপ-কাগজ আৰু কলম তুলি দিয়া হয় হাতুৰী-বটালিৰ পৰিৱৰ্তে। সেই দৰে জনসাধাৰণৰ মাজত জন-সচেতনতাৰ উন্মোচন কৰাৰ নিমিত্তে প্ৰতি বছৰে ১২ জুন তাৰিখটো শিশু শ্ৰমিকবিৰোধী দিৱস হিচাপে উদ্‌যাপন কৰি অহা হৈছে নিৰ্দিষ্ট শ্ল'গানক বিষয়বস্তু নিৰ্ধাৰণ কৰি। এইবাৰৰ আন্তঃৰাষ্ট্ৰীয় শিশু শ্ৰমিকবিৰোধী দিৱস-২০২২ৰ শ্ল'গান হ'ল— শিশু শ্ৰমিক সমাপ্তিৰ বাবে সাৰ্বজনীন সামাজিক সুৰক্ষা ( Universal Social Protection to End Child Labour) পৰিশেষত অৱতাৰণা কৰিব বিচাৰোঁ যে যিহেতু আজিৰ শিশু কাইলৈ নাগৰিক গতিকে শিশুসকলক শিশু শ্ৰমিক হিচাপে নহয় প্ৰকৃত শিশু হিচাপে জীয়াই থাকিবলৈ যি পৰিমণ্ডলৰ আৱশ্যক তাৰ সঠিক পোষকতা কৰা আমাৰ দায়িত্বই নহয় এক মননশীল কৰ্তব্যও। গতিকে আহক এনে উচিত কৰ্তব্য সম্পাদন কৰি শিশুসকলৰ ভৱিষ্যৎ সপোনবোৰৰ সন্মুখত হেঙাৰ হৈ থিয় দিয়া বাস্তৱৰ প্ৰত্যাহ্বানবোৰ আঁতৰাই দায়িত্বশীল নাগৰিকৰ পৰিচয় দিওঁ।



*ফোন ঃ ৭৫৭৬৮-৯৫৯৭০*

---

## কবি চেনিৰাম গগৈৰ কাব্য সংকলন
# ঘৰ-গোনা বলধৰ কবিতা

■ অপৰাজিতা বুঢ়াগোহাঁই




'কবি অনুসৰি হয় কবিতাৰ লিপিজ্ঞান'। এয়া, 'ঘৰ-গোনা বলধৰ কবিতা'ৰ আৰম্ভণিৰ কথা। এক স্বকীয় কাব্যশৈলীৰে কাব্য জগতত প্ৰতিষ্ঠিত হোৱা অন্যতম কবি চেনিৰাম গগৈ। কবি গগৈৰ নৱতম কাব্য সংকলন 'ঘৰ-গোনা বলধৰ কবিতা'ৰ প্ৰকাশক শংকৰদেৱ প্ৰকাশন, প্ৰচ্ছদ শিল্পী নীলাভ সৌৰভ, অন্তৰ্ভাগৰ শিল্পকৰ্ম প্ৰাঞ্জল কুমাৰ লাহন আৰু অংগসজ্জা কৰিছে ফাৰহান জাভেদে। অতি অৰ্থৱহ নামকৰণেৰে ঘৰ-গোনা বলধৰ কবিতাত সন্নিৱিষ্ট হৈছে ত্ৰিশটা কবিতা। মাটি আৰু মানুহৰ কথাবোৰ খুব সাৱলীলভাৱে, ঘৰুৱাভাৱে পাঠক সমাজলৈ আগবঢ়াই দিছে কবিগৰাকীয়ে—

'খেতিয়কৰ ল'ৰা খেতি কৰি খা
তাকে যদি নুশুন জহন্নামে যা
পাঠশালা এৰি মই মনে মনে বহি আছোঁ
তলে তলে জীৱনৰ ৰুটী এখন বেলি আছোঁ'
(যুদ্ধৰ দিনবোৰ)

গ্ৰাম্য কৃষিজীৱী সমাজৰ সজীৱ চিত্ৰণ কবি চেনিৰাম গগৈৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। কবিতাৰ শিৰোনামবোৰেই এই কথা কয়— নখোৱা, ভদীয়া খেতিৰ কবিতা, ঘৰ-গোনা বলধৰ কবিতা, চাপৰি মাটিৰ মানুহ, গাঁও আছে গাঁওবোৰ জনহীন শোকসভা ইত্যাদি। অসমীয়া সমাজ জীৱনৰ এক পৰম্পৰা ন-খোৱা। আঘোণ মাহত ধান কাটি মৰণা মৰাৰ পাছত নতুন ধানৰ নতুন চাউলেৰে সমূহীয়াকৈ ভোজ-ভাত খোৱা হয়। ন-খোৱা কৃষি কাৰ্যৰ সফলতাৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। বৰ্তমান সময়ত ন-খোৱা পৰম্পৰা বহু ঠাইত নোহোৱা হৈছে। কবি চেনিৰাম গগৈয়ে অতি সুন্দৰভাৱে ককাদেউতাৰ দিনৰ ন-খোৱাৰ দৃশ্য অংকিত কৰিছে 'ন-খোৱা' কবিতাটিত—

'আমি জানো সেয়া আছিল ককাইঁতৰ দিনৰ দৃশ্য
আঘোণৰ দিন যায়, খেতিয়কে ন খায় বিলৰ মাছ, পাহাৰৰ খৰি, চাপৰিৰ শাক-পাত, কলপাতৰ ৰভা...'

কবি গগৈৰ কবিতাবোৰত লোক-জীৱন, লোক-সংস্কৃতিৰ পৰশ আছে—

'চাওঁতে চাওঁতে পালেহি কাতি
ঘৰত এতিয়া টেকেলি কাতি'
(গাঁও আছে গাঁওবোৰ জনহীন শোকসভা)

'ইয়াত আমি গৰখীয়া, ভাব-ভাষা আচহুৱা
মন গ'ল ইকৰাৰ পাত কাটি ঘৰ সাজোঁ
জুই ধৰোঁ, শাৰী শাৰী সিজে তাত চুঙা ভাত'
(কাজিৰঙা ঃ ২০০২)

কবি চেনিৰাম গগৈৰ কবিতাত ঘৰুৱা শব্দৰ প্ৰয়োগ দেখা যায়-

'আজি পালি আজি খালী
কালিলৈ হাত খালী
পোৰে কয় নমৰিবি ভাল দিন আহি আছে
জীয়ে কয় একো নাই জাতি মাটি ভেটি আছে'
(বেয়া দিন ভাল দিন)

কবি চেনিৰাম গগৈৰ কবিতাত ছন্দোবদ্ধ প্ৰয়োগ দেখা যায়-

'কোলাত কেঁচুৱা ঢেঁকীত ধান
বাপেক পাটীত নৰিয়া টান
বছৰি বছৰি নোজোৰে ভাত
নিঠুৰ মৰণে নেমেলে হাত'
(তোমাৰ ঘৰত বনকৰা তিৰোতাজনীৰ কবিতা)

'ৰাতিটোতে হাতীটো
হঠাৎ নুমাল চাকিটো'
(গাঁও আছে গাঁওবোৰ জনহীন শোকসভা)

দুই-এটা কবিতাত বিহু গীতৰ সুৰ এটি বাজি উঠা দেখা যায়-

'জীৱনটো চিঠিখেল নহয় অ' চেনিমাই
জীৱনটো চিঠিখেল নহয়
ৰাঁচৰ ফুটা চাই চাই বয়স ভাটি নিদিয়াবা
বিহু গ'লে ৰাতি উঠি চকুপানী নুটুকিবা'
(চহা প্ৰেমিকৰ গান)

কাব্য ঋষি নীলমণি ফুকনলৈ 'কবিতাৰ কথা' উপহাৰ কবি চেনিৰাম গগৈৰ-

'গোটেই জীৱন কবিতা লিখি কবি এজন কবি হয়
গোটেই জীৱন ধ্যান কৰি ঋষি এজন ঋষি'

ঘৰুৱা ভাষা, উপমা, ছন্দ, চিত্ৰ প্ৰতীকেৰে ঘৰ-গোনা বলধৰ কবিতা সংকলনখন সাধাৰণ পাঠকৰ বাবেও বোধগম্য। কবিতাবোৰত জটিলতাৰ কোনো মেৰপাক নাই। কবিতাৰ কথাবোৰ যেন তেনেই আপোন-সৰল অথচ অনুপম।

কবিৰ প্ৰতি তেওঁ কৈছে—
কবি হওক পৃথিৱীৰ প্ৰেমিক আৰু পৰ্যটক
কবিৰ এটি বিষয় হওক মানুহ আৰু জীৱন চৰ্চা

কবিৰ এটি আলোচনা ভৱিষ্যতৰ স্বদেশ কবি চেনিৰাম গগৈৰ কাব্যানুভূতি জীৱন্ত। কবি মানুহক ভালপোৱা মাটিৰ মানুহ, প্ৰকৃতিৰ মানুহ। তেখেতৰ কাব্য সংকলন ঘৰ-গোনা বলধৰ কবিতা অসমীয়া কাব্য জগতলৈ এক উল্লেখযোগ্য অৱদান। প্ৰতিজন পাঠকৰ মন-হৃদয় চুই যোৱা মানৱীয় মূল্যবোধৰ সংকলনখন নিঃসন্দেহে এখন সুখপাঠ্য।

*ফোন ঃ ৮৪৭৩০-৪৮৩৮৩*

---

# দূবৰি আৰু বৰষুণ

■ ডাঃ উজ্জ্বল কুমাৰ শৰ্মা

পুৱাৰ পৰা পৰি থকা কিনকিনিয়া বৰষুণ জাক হঠাতে ৰূপ সলাই দুপৰীয়াৰ পৰা বিজুলী-গাজনিৰে গোটেইখন আন্ধাৰ কৰি মুষলধাৰে পৰিবলৈ ধৰিলে। গাড়ীখন অফিচতে থৈ অলপ সময়ৰ বাবে ওলাই আহি হঠাতে ডাঙৰ হৈ পৰা বৰষুণ জাকৰ বাবে ওচৰতে থকা বাছৰ অপেক্ষাত চ'ৰা এটাৰ তলত দৌৰা দৌৰিকৈ সোমাই পৰিলো। চাৰিওফালে চকু ফুৰাই দেখিলোঁ তাত মোৰ দৰে দুজন মানুহ, এজনী ছোৱালী ৰৈ আছে।

'হে ভগৱান ৰক্ষা কৰা।'

হঠাতে কাণৰ কাষতে ছোৱালীজনীৰ চিঞৰ শুনি আচৰিত হৈ তাইৰ ফালে ঘূৰি চালোঁ। তাই মোৰ মুখলৈ এক ভয়াৰ্ত চাৱনীৰে চাই ক'লে— 'মোৰ এই মেঘৰ গাজনি আৰু বিজুলীবোৰলৈ বৰ ভয় লাগে।'

এনেতে অটো ৰিক্সা এখন অহাত আন দুজন মানুহ উঠি গ'লগৈ। মাজে মাজে অলপ বৰষুণ কমাৰ দৰে হৈ আকৌ বিজুলী-ঢেৰেকনিৰে একে ৰূপ লয়। এবাৰ বৰষুণত ভিজি ভিজিয়ে যাব ওলাই ছোৱালীজনীৰ মুখলৈ চাই ৰৈ গ'লো। সময় যোৱাৰ লগে লগে তাইৰ উচপিচনি বাঢ়ি যোৱা দেখিলোঁ। আটৌ-পিটৌকৈ পিন্ধা মেখেলা-চাদৰযোৰেৰে মিঠাবৰণীয়া ছোৱালীজনীক দুখীয়া ঘৰৰ দৰে লাগিল। ক'লা টিপটোৰে কোনো প্ৰসাধন নকৰা মুখখনত এক দুখ ভৰা উত্তেজনা বিৰাজমান। পুনৰ অহা বিজুলী আৰু ঢেৰেকণিৰ শব্দত তাই কাণ দুখন হাতেৰে ঢাকি চিঞৰি কান্দি উঠিল— 'মোৰ কি হ'ব আজি' ছোৱালীজনীক মোৰ মৰম লাগিব ধৰিলে। ৰাস্তা-ঘাট সম্পূৰ্ণ জনশূন্য, মাজে মাজে এখন-দুখন গাড়ী মাত্ৰ বেগেৰে পাৰ হৈ যায়। বতৰৰ বাবে দিনতেই আন্ধাৰ নামি আহিছে। তাইলৈ চাই দেখিলোঁ মুখখন হাতেৰে ঢাকি উচুপি আছে। মই তাইক ভয় লাগিছে নেকি সুধিলো।

নাই তাইৰ কোনো উত্তৰ নাই।

'ভয় কৰিব নালাগে, মই আছোঁ। মোক ভয় কৰিব নালাগে। এতিয়া থিয় হোৱা আৰু তোমাৰ কথা কোৱা।' তাইৰ উচুপনি বন্ধ হ'ল। কিছু সময় মোলৈ চাই তাই থিয় হ'ল। কিন্তু পুনৰ উচুপি উঠিল

'মোৰ কি হ'ব।'

মই তাইক আশ্বাস দি কি হ'ল সুধিলো। তাই তাইৰ কাহিনী ক'বলৈ ধৰিলে।

'আজি চাকৰিৰ বাবে এটা সাক্ষাৎকাৰ আছিল, কিন্তু ঘৰৰ পৰা ওলাই আহি বৰষুণৰ বাবে ইয়াতে ৰৈ থাকিব লগা হৈছে, কি কৰিম-কি নকৰিম ভাবি পোৱা নাই। মোৰ চাকৰি এটাৰ বৰ প্ৰয়োজন। আজি দৰদী নামৰ কোম্পানী এটাত সাক্ষাৎকাৰ আছিল। মা বেমাৰী, চিকিৎসা কৰিব পৰা নাই। দেউতা সৰুতে ঢুকাল। বি এ চি পাছ কৰাৰ পিছত টিউচন কৰি চলি আছিলোঁ। কিন্তু মা বেমাৰত পৰাৰ পৰা ঘৰ নচলা হৈছে। টিউচন কৰি পোৱা টকাকেইটা মাৰ ঔষধতে শেষ হয়। আজিৰ এই চাকৰিটো পোৱা হ'লে আমি বাচি গ'লো হয়, কিন্তু বৰষুণ জাক মোৰ বাধা হৈ পৰিল। এই বৰষুণ...'!তাই পুনৰ উচুপি উঠিল।

সময় গৈ গৈ প্ৰায় ৩ বাজিল। বৰষুণ এৰাৰ কোনো লক্ষণ নাই। এইবাৰ তাই বৰষুণত ভিজি ভিজি যাব ওলাল। কিন্তু অহা এক গাজনিৰ শব্দত তাই ৰৈ গ'ল। মই তাইক ভিজি ভিজি যাবলৈ বাধা দিলোঁ। লাহে লাহে বৰষুণ কমি আহিল। তাই এক হতাশা ভৰা দৃষ্টিৰে চাই ক'লে—



'এতিয়া আৰু সাক্ষাৎকাৰৰ সময় নাই। ঘৰলৈ যাওঁগৈ, মায়েবা কি কৰি আছে।'

'তোমাৰ নামটোৱেই কি নাজানিলো। ইমান চিন্তা নকৰিবা। সময় পাৰ হৈ গ'লেও অফিচটোলৈ এবাৰ যোৱা। নে আগবঢ়ায় দিব লাগিব।'

'নাই নালাগে। মোৰ নাম দূবৰি কলিতা। আপুনি কৈছে যেতিয়া এবাৰ অফিচটোত সোমাই ঘৰলৈ যাওঁগৈ। আজিৰ চাকৰিটো মোৰ বহুত প্ৰয়োজন আছিল। ভগৱানে নিদিলে।'

কিনকিনিয়া বৰষুণত ভিজি ভিজিয়ে বেগা-বেগীকৈ তাই অফিচটোলৈ আগবাঢ়িল।

সেইদিনাৰ পৰা কিছু দিনৰ পাছত এদিন আমাৰ কোম্পানীৰ অফিচলৈ যাওঁতে কোনো সম্বোধন নোহোৱাকৈ মোক পিছফালৰ পৰা কোনোৱে মতা যেন পায় ঘূৰি চাই দেখিলোঁ সেইদিনা লগ পোৱা দূবৰি নামৰ ছোৱালীজনী। মোক ৰৈ যোৱা দেখি তাই ওচৰ চাপি আহি নমস্কাৰ এটা দি ক'বলৈ ধৰিলে— 'সেইদিনা মই ঘৰলৈ ঘূৰি যাব ওলাইছিলো, কিন্তু আপুনি কোৱা বাবে অফিটোলৈ আহিলো। আহি দেখিলোঁ সকলো যেন মোৰ বাবেই ৰৈ আছে। আন সকলো প্ৰাৰ্থী ইতিমধ্যে গৈছে। মোক লগে লগে সাক্ষাৎকাৰ লোৱা ৰূমটোলৈ যাব দিছিল আৰু তাত মাত্ৰ মোক মোৰ ঘৰৰ বিষয়েহে সুধি শেষত মোৰ ফোন নম্বৰটো লৈ ঘৰলৈ আহিব দিছিল। পিছদিনা পুৱাই মোক মাতি পঠিয়ালে আৰু অফিচ আহি পোৱাৰ লগে লগে মেনেজাৰজনে নিযুক্তি-পত্ৰখন দি শুভেচ্ছা জনাই সেইদিনাৰ পৰাই মোক কাম কৰিব দিছে। মোৰ আপোনালৈ বৰকৈ মনত পৰিছিল। সন্ধিয়া ঘৰলৈ গৈ গোসাঁইৰ থাপনাত আপোনাৰ ৰূপত মোক সহায় কৰাৰ বাবে ভগৱানৰ আগত চাকি এগছি জ্বলালো।'

একে উশাহতে কথাখিনি কৈ তাই ৰৈ গ'ল।

তাইৰ মুখখনত সেইদিনা দেখা হতাশ আৰু বিষাদৰ পৰিৱৰ্তে এক উৎসাহ আৰু আত্মবিশ্বাসৰ উজ্জ্বল প্ৰতিচ্ছবি দেখিবলৈ পালো।

নতুনকৈ কামত সোমোৱা ছোৱালী এজনীৰ লগত বহু সময় কথা পাতি থকা দেখি অফিচৰ মেনেজাৰ আৰু আন আন কৰ্মচাৰীসকলে আমাৰ ফালে আচৰিত হৈ চাই থাকিল, কাৰণ সকলোৱে মোক এজন অতি খঙাল মালিক হিচাপে জানে।

মই দূবৰিক নিজৰ কাম নিয়মীয়াকৈ ভালকৈ কৰিবলৈ কৈ নিজৰ টেবুললৈ যাবলৈ ক'লো। তাই মোৰ ওচৰৰ পৰা যোৱাৰ পিছত লাহেকৈ নিজৰ কোঠাত গৈ বহিলো। দূবৰিৰ দৰে অসহায় ছোৱালী এজনীক সহায় কৰিবলৈ পায় মনটো ভাল লাগি গ'ল।

অলপ সময় পিছত মেনেজাৰজনে অফিচৰ কামলৈ মোৰ কোঠাত অহিল। কামখিনি সম্পূৰ্ণ কৰাৰ পিছত তেওঁ সুধিলে—

'ছাৰ দূবৰিক আপুনি আগৰে পৰাই চিনি পায় নেকি।' এদিন লগ পাইছিলো। সকলোকে কৈ থ'ব মই যে এই কোম্পানীটোৰ মালিক দূবৰিয়ে যেন গম নাপায় আৰু তাইৰ সকলো তথ্য মোক দিব।'

ছোৱালীজনী সঁচাকৈয়ে ভাল। এই কেইদিনতে সকলোৰে লগত মিলি গৈছে। যি কাম দিয়া গৈছে নোৱৰাখিনি কাৰো নহয় কাৰো পৰা শিকি লৈ হ'লেও নিয়াৰিকৈ কৰিছে। ছোৱালীজনী সঁচাকৈয়ে বৰ মৰম লগা। ইয়াৰ এমাহৰ পিছত সকলো কৰ্মচাৰীৰ দৰমহা হোৱাৰ দিনা দূবৰিক মোৰ কেবিনলৈ মাতি পঠিয়ালো। তাই ভয় ভয়কৈ তলমুৱাকৈ মোৰ কেবিনেট সোমোৱাৰ অনুমতি বিচাৰিলে। মই ভিতৰলৈ মতাত তাই তলমুৱাকৈয়ে আহি মোৰ টেবুলৰ ওচৰত থিয় হ'ল। মই তাইক বহিব কোৱাত তাই মোৰ মুখলৈ চালে আৰু লগে লগে তাইৰ মুখৰ পৰা এক চেপা চিঞৰ ওলাই গ'ল—

'ছাৰ আপুনি?

'অ' এইটো মোৰে কোম্পানী। তুমি ইয়াত কাম কৰি কেনে পাইছা?'

'ভাল লাগিছে। আপুনি মোক ভগৱানৰ দৰে সহায় কৰিলে। আজি প্ৰথম দৰমহা পালোঁ।'

তোমাৰ মাৰাৰ এতিয়া কেনে।'

বৰ্তমান কিছু সুস্থ। আজি এজন চিকিৎসকক দেখুৱাম।'

'তুমি মাৰাৰ চিকিৎসা ভালকৈ কৰা। টকা লাগিলে কেচিয়াৰক কৈ ল'বা। মই কৈ থ'ম আৰু অফিচৰ কামবোৰ শিকি লৈ নিয়াৰিকৈ মন দি কৰিবা। এতিয়া নিজৰ কামলৈ যোৱা।'

তাই হঠাতে মোৰ ওচৰলৈ আহি ভৰিত ধৰি সেৱা এটা কৰি এক কৃতজ্ঞতাভৰা চাৱনিৰে মোলৈ চাই ৰূমৰ পৰা ওলাই গ'ল। সেই সময়ত তাইৰ চকুপানীৰে গাল দুখন তিতি থকা দেখিবলৈ পালো।


---

# জুৰী বৰা বৰগোহাঞিৰ চিঞৰ

■ নিলম কলিতা

শিক্ষা সম্যক অৰ্থত জ্ঞান আহৰণ আৰু প্ৰদানৰ প্ৰক্ৰিয়াটোকে শিক্ষা বোলা হয়। ব্ৰিটিছ লেখক জি কে ছেষ্টাৰটনে কৈছিল— 'Education is simply the soul of a society as it passes from one generation to another'. (শিক্ষা হ'ল সমাজৰ এটা আত্মা, কিয়নো শিক্ষা এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰবাহিত হৈ থাকে।) শিক্ষাই আমাক জ্ঞানৰ পোহৰ মুকলি কৰি দিয়ে। শেহতীয়াভাৱে কিন্তু আমাৰ সমাজত শিক্ষাৰ মান সামগ্ৰিকভাৱে যে অৱনমিত হৈছে তাক আমি নুই কৰিব নোৱাৰোঁ। ক্ৰমাৎ আমাৰ শিক্ষা ব্যৱস্থাটোত যৌন-নিৰ্যাতন, সুবিধাবাদ, মানসিক উৎপীড়ন আদিৰ নিচিনা অনৈতিক কাৰ্যবোৰে ঠন ধৰি উঠিছে। শিক্ষা ব্যৱস্থাটোত এনেকৈ বাঢ়ি অহা অনৈতিক কাৰ্য-কলাপবোৰৰ ওপৰত কেন্দ্ৰ কৰিয়েই ২০২২ বৰ্ষৰ জুন মাহত প্ৰকাশিত হয় বিশিষ্ট লেখিকা জুৰী বৰা বৰগোহাঞিৰ দশম উপন্যাস 'চিঞৰ'। মুঠ ৪টা অধ্যায়েৰে আৰু ৩০৬ পৃষ্ঠাৰে আৱৰা উক্ত গ্ৰন্থখনত লেখিকাই সাৱলীলভাৱে উপস্থাপন কৰিছে পি এইচ ডিৰ নিচিনা এটা উচ্চ মানৰ ডিগ্ৰীৰ ক্ষেত্ৰত একাংশ সুবিধাবাদী মানুহে কেনেকৈ প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীবোৰক গোঁৰ মাৰি তেওঁলোকৰ ভৱিষ্যৎ শূন্যতালৈ ঠেলি দিয়ে।

উপন্যাসখনৰ প্ৰধান চৰিত্ৰ হ'ল বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা গাইড শিৱাণু ভট্ট। সৰু গাঁও এখনৰ পৰা যথেষ্ট সংগ্ৰাম কৰি ওলাই আহি নিজ কষ্টৰ বলত শিৱাণু ভট্ট আজি এনেকুৱা এটা ডাঙৰ শৈক্ষিক প্ৰতিষ্ঠানৰ এটা সন্মানীয় পদত অধিষ্ঠিত হৈছে। তাৰ বাবে তেওঁ সদায় নিজক লৈ গৌৰৱ কৰে। আন এটা চৰিত্ৰ হ'ল থাপনা বৰুৱা, যিয়ে টকাৰ কোবেৰে সকলোবোৰ কিনিব বিচাৰে। আনকি পি এইচ ডিৰ নিচিনা এটা সন্মানীয় ডিগ্ৰীও। আৰু সফলো হয় থাপনা বৰুৱা। ৰাজনৈতিক ক্ষমতাৰে পৰিপূৰ্ণ হৈ তথা নিজৰ শৰীৰক ব্যৱহাৰ কৰি কোনো কষ্ট নকৰাকৈ, অধ্যয়ন অবিহনে শিৱাণু ভট্টৰ সহায়ত সন্মানীয় ডক্টৰেট উপাধি লাভ কৰি কলুষিত কৰে পি এইচ ডিৰ নিচিনা এটা সন্মানীয় ডিগ্ৰীক। আনহাতে, আন এটি চৰিত্ৰ অৰুণ মৰাণৰ ক্ষেত্ৰত গাইড শিৱাণু ভট্টই প্ৰয়োগ কৰে ক্ষমতা। এখন পিছপৰা গাঁৱৰ পৰা অতি কষ্টৰে এম এ, এম ফিল সম্পূৰ্ণ কৰি নিজৰ জ্ঞান-অধ্যায়নৰ সামৰ্থ্যৰে অৰুণ মৰাণে নিজৰ পি এইচ ডি পাঠ্যক্ৰম আৰম্ভ কৰিছে। কিন্তু নিজৰ গাইডজনক সন্তুষ্ট কৰাত অৰুণ ব্যৰ্থ। যাৰ ফলত অৰুণৰ পি এইচ ডিৰ কাম আগবঢ়া নাই। যদিহে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত অৰুণৰ পি এইচ ডি সম্পূৰ্ণ নহয় তেতিয়া তাৰ বিপদ। অৰুণৰ হাতত অন্য উপায় নাছিল। যাৰ বাবে অন্তিম সময়ত অৰুণে লৈছিল অন্য এক ব্যতিক্ৰম সিদ্ধান্ত। কাহিনীৰ আন এটা চৰিত্ৰ হ'ল ৰাণু পাটৰ। দিল্লীৰ নিচিনা ঠাইত পঢ়া বাদ দি প্ৰান্তীয় এলেকাবোৰৰ বিষয়ে অধ্যয়ন কৰিবলৈ ৰাণু পাটৰো আহিছিল শিৱাণু ভট্টৰ গাইডত পি এইচ ডি সম্পূৰ্ণ কৰিবলৈ। দেখাত চৌখিন নহ'লেও ৰাণুৰ জ্ঞানৰ ভঁৰাল অনন্য। চিন্তা-চেতনাও উচ্চমানৰ। অন্যৰ নিচিনাকৈ শিৱাণু ভট্টই ৰাণুকো বলিৰ পঠা সজাব বিচাৰিছিল। কিন্তু নোৱাৰিলে একমাত্ৰ ৰাণুৰ প্ৰতিবাদী সত্তাটোৰ বাবে। যেতিয়া শিৱাণু ভট্টই ৰাণুক অশালীন প্ৰস্তাৱ আগবঢ়াইছিল তেতিয়াই অন্য ছাত্ৰ-ছাত্ৰীতকৈ ব্যতিক্ৰমী ৰাণুৱে প্ৰতিবাদ কৰিছিল বিশ্ববিদ্যালয়ৰ ভিতৰত ঘটি থকা এনে ধৰণৰ জঘন্য কাণ্ডৰ বাবে। অকলেই। কিন্তু আনৰ সহযোগিতা অবিহনে ৰাণুৱে বেছি দিনলৈ এই যুঁজখন কৰিব নোৱাৰিলে। পৰৱৰ্তী সময়ত ৰাণুৱে বাছি লৈছিল সমাজ-সংস্কাৰৰ অন্য এক দিশ। শিৱাণু ভট্টৰ সমান্তৰালকৈ ভট্টৰ পত্নী পূৰৱী বৰুৱাৰ চৰিত্ৰটোকো লেখিকাই সমানভাৱে আগুৱাই লৈ গৈছে। পূৰৱী বৰুৱা পেছাত অধ্যাপক। সত্যৰ পথত চলা এগৰাকী সহজ-সৰল মহিলা। শিৱাণু ভট্টতকৈ পৃথক। সকলোবোৰ ঘটনা প্ৰৱাহ পূৰৱী নিজ চকুৰে দেখিও কিছুমান স্বাৰ্থৰ বাবে মুখ বন্ধ কৰি থাকিবলগীয়া হৈছিল। একমাত্ৰ ল'ৰাৰ ভৱিষ্যৎ জীৱনৰ বাবেও স্বাৰ্থপৰ হ'ব লগা হৈছিল পূৰৱী বৰুৱা।




লেখিকাই গ্ৰন্থখনৰ মাজেৰে বহুকেইটা দিশক দাঙি ধৰাত সফল হৈছে। যদি এফালে ক্ষমতাৰ জয়গান আনফালে স্বাৰ্থলোভীৰ সুবিধাবাদী চৰিত্ৰ। এফালে যদি পীড়িত মানুহৰ আৰ্তনাদ তেতিয়া আনফালে খালী হাতৰে আত্মৰক্ষাৰ যুজত ব্যস্ত একাংশ।

'চিঞৰ' গ্ৰন্থখন সমসাময়িক সমাজ-বাস্তৱৰ এখন উল্লেখযোগ্য গ্ৰন্থ বুলি ক'ব পাৰি। গৱেষণাৰ নামত কেনেকৈ ছাত্ৰ-ছাত্ৰীবোৰক শোষণ কৰা হয় তাৰ এক জীৱন্ত দলিল 'চিঞৰ'। আমাৰ শিক্ষা ব্যৱস্থা আৰু কিমান সময়লৈকে এনেকৈ কলুষিত হৈ থাকিব তাক অনুমান কৰা কঠিন। শিক্ষাৰ সংস্কাৰ সাম্প্ৰতিক সময়ত এক প্ৰয়োজনীয় বিষয়। এইক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰো দোষ নথকা নহয়। লেখিকাই উপন্যাসখনত উল্লেখ কৰিছে যে আমি শিক্ষাৰ্থীবোৰে পৰীক্ষা পিছুৱাবলৈ আন্দোলন কৰোঁ, কিন্তু শিক্ষা ব্যৱস্থাক কলুষিত কৰা মানুহবোৰৰ বিৰুদ্ধে মাত মাতিব নোৱাৰোঁ। পিছ হুঁহকি যাওঁ। এইক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰো কৰণীয় আছে বুলি আমি ভাবোঁ। অসমৰ সম্ভ্ৰান্ত প্ৰকাশন গোষ্ঠী 'বনলতা'ই প্ৰকাশ কৰা উক্ত গ্ৰন্থখনৰ মূল্য মাত্ৰ ৩৭০ টকা।

*ফোন ঃ ৬০০২৬-৭৭১৭২*

# চিৰাং জিলাৰ পথৰ বিধ্বস্ত ৰূপ

## ■ পথৰ ওপৰত গাঁত নে গাঁতৰ ওপৰত পথ নোৱাৰি ধৰিব

## ■ যমৰ যাতনাত ভুগিছে সৰ্বসাধাৰণ ৰাইজ ঃ নিৰ্বিকাৰ সংশ্লিষ্ট পক্ষ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১১ জুন ঃ** বিটিআৰৰ চিৰাং জিলাৰ এটা পথক লৈ সম্প্ৰতি যমৰ যাতনাত ভুগিছে পথটোৰে নিতৌ অহা - যোৱা কৰা হাজাৰ হাজাৰ লোক। পথটোৱে এনে এটা বিধ্বস্ত ৰূপ পাইছে যে পথৰ ওপৰত গাঁত হৈছে নে গাঁতৰ ওপৰত পথটো আছে অনুমান কৰাটো কঠিন হৈ পৰিছে। উল্লেখ্য যে বঙাইগাঁও বিধানসভা সমষ্টিৰো অন্তৰ্গত এই পথটোক লৈ এতিয়া ক্ষোভিত হৈ পৰিছে বৃহত্তৰ অঞ্চলবাসী। চিৰাং জিলাৰ চাপাগুৰি চ'কৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা উত্তৰ অঞ্চললৈ যোগাযোগৰ অন্যতম গুৰুত্বপূৰ্ণ মূল পথটো সম্প্ৰতি একেবাৰে জৰাজীৰ্ণ ৰূপ পাইছে। ৰৌমাৰী, হাগ্ৰামা দলং, আমগুৰি হৈ উত্তৰ অঞ্চলৰ আমটেকালৈ যোৱা এই পথটোৰ বিধ্বস্ত ৰূপে জলাকলা খুৱাইছে সৰ্বসাধাৰণ ৰাইজক । পথটোৰ মাজত সৃষ্টি হৈছে বৃহৎ বৃহৎ গাঁতৰ। দীৰ্ঘদিন ধৰি মেৰামতিৰ অভাৱত নিতৌ বিধ্বস্ত ৰূপ লৈছে পথটোৱে। কিন্তু সংশ্লিষ্ট পক্ষ এইক্ষেত্ৰত নিৰ্বিকাৰ। পথটো মেৰামতিৰ বাবে ৰাইজে দাবী জনাই আহিছে যদিও কোনো গুৰুত্ব দিয়া নাই প্ৰশাসনে। যেন কৰিবলগীয়া কাৰো একো নাই । ফলত ইয়াৰ কু-ফল ভোগ কৰিবলগীয়া হৈছে পথটোৰে অহা-যোৱা কৰা পথচাৰী ৰাইজ, ছাত্ৰ-ছাত্ৰীৰ লগতে গাড়ী-মটৰৰ যাত্ৰী তথা বাহন চালকসকলে। চিৰাং জিলাৰ কাজলগাঁও লোক-নিৰ্মাণ বিভাগৰ কাৰ্যবাহী বিষয়া কাৰ্যালয়ৰ অধীনৰ চাপাগুৰি ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ভূটান ৰাষ্ট্ৰলৈ যোৱা সংযোগী পথটোৰ মাজত বৃহৎ বৃহৎ গাঁত সৃষ্টি হোৱাত পথটোৰে চলাচল কৰা সকলো প্ৰকাৰৰ যান-বাহন চলাচল কৰাত অসুবিধাৰ সৃষ্টি হোৱাৰ লগতে জহি-খহি যোৱা এই বিধ্বস্ত পথৰ বাবে বহু লোক দুৰ্ঘটনাত পতিত হৈছে । উক্ত পথটোৰে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষকৰ লগতে ব্যৱসায়ী, চৰকাৰী চাকৰিয়াল আদিৰ লগতে চিকিৎসালয়লৈ ৰোগীসকল অহা-যোৱা কৰিব লগা হোৱাত বহু সমস্যাৰ সৃষ্টি হয় বুলি ৰাইজে জানিবলৈ দিছে। উল্লেখ্য যে পথটোৱে জৰাজীৰ্ণ ৰূপ পোৱাৰ ক্ষেত্ৰত পথটোৰে দিনে-নিশাই অতিমাত্ৰা ওজনৰ শিল, বালি কঢ়িওৱা ডাম্পাৰৰ লগতে ট্ৰেক্টৰৰ অৱদান সকলোতকৈ বেছি বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। কাৰণ দৈনিক ডাম্পাৰসমূহে অতিমাত্ৰা শিল, বালি, মাটি আদি কঢ়িয়াই লৈ যোৱাৰ ফলত পথটোৰ মাজত পুখুৰীসদৃশ বৃহৎ বৃহৎ গাঁত সৃষ্টি হোৱাত পথটোৰে চলাচল কৰাটো অনুপযোগী হৈ পৰিছে বুলি স্থানীয় ৰাইজ, পথচাৰী তথা টেম্পো চালকসকলে প্ৰকাশ কৰে। কিন্তু এই লৈ জিলা প্ৰশাসনে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। একেদৰে জিলাখনৰ বিভাগীয় কৰ্তৃপক্ষয়ো কোনো গুৰুত্ব নিদিয়া বুলি জানিবলৈ দিয়ে ৰাইজে। উত্থাপিত অভিযোগ মতে প্ৰতিখন ডাম্পাৰৰ পৰা তথা শিল- বালি মহলদাৰৰ পৰা একাংশ দল-সংগঠন আৰু চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে মোটা অংকৰ ধন লৈ অহাৰ বাবেই পথটোৱে জৰাজীৰ্ণ ৰূপ ধাৰণ কৰাৰ পিছতো সকলোৱে নিৰ্বিকাৰ ভূমিকা গ্ৰহণ কৰি আহিছে। পথটো মেৰামতিৰ বাবে দল - সংগঠনৰ ভূমিকাও পুতৌজনক হিচাপে বিবেচিত হৈ আহিছে। আনহাতে, ডাম্পাৰসমূহে অত্যধিক পৰিমাণৰ শিল, বালি কঢ়িয়াই আহিছে যদিও বন বিভাগ, পৰিবহণ বিভাগে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। স্থানীয় ৰাইজে ডাম্পাৰৰ বাবেই পথটো জহি-খহি যোৱা বুলিও অভিযোগ উত্থাপন কৰিছে। ইপিনে ৰাজ্য চৰকাৰেও কোনো গুৰুত্ব প্ৰদান নকৰাৰ লগতে বৰ্তমানৰ ইউ পি পি এলৰ প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিচি প্ৰশাসনেও কোনো কাণসাৰ নিদিয়াত সমগ্ৰ পথটো সম্পূৰ্ণভাৱে জহি-খহি যোৱাৰ উপক্ৰম হৈছে । লগতে পথটোৱে বৰ্তমান বিটিআৰৰ উন্নয়নৰ নমুনাক উদঙাই দিছে। এই ক্ষেত্ৰত জিলা প্ৰশাসন, স্থানীয় জনপ্ৰতিনিধি আৰু লোক নিৰ্মাণ বিভাগৰ দৃষ্টি আকৰ্ষণ কৰি শীঘ্ৰে পথছোৱা মেৰামতি কৰাৰ দাবী জনোৱাৰ লগতে ডাম্পাৰসমূহক নিয়ন্ত্ৰণ কৰিবলৈ ৰাইজ তথা অটো, টেম্পোৰ চালকসকলে সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনাইছে।



## ছিপাঝাৰত ছাত্ৰ সন্ধানহীন

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১১ জুন ঃ** দৰং জিলাৰ বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত তিতকুছি গাঁও নিৱাসী পৰেশ ডেকা আৰু জ্যোতি ডেকাৰ একমাত্ৰ পুত্ৰ হৃদয় ডেকা (১৫) কালিৰে পৰা সন্ধানহীন হৈ আছে। বুঢ়া লোকপ্ৰিয় বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ হৃদয় ডেকাই শুকুৰবাৰে পুৱা বিদ্যালয়লৈ ওলাই অহাৰ পাছৰে পৰা নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ উত্তেজনাৰ বিৰাজ কৰিছে। সন্ধিয়াৰ ভাগলৈ হৃদয় অহালৈ বাট চাই আছিল যদিও কোনো শুং-সূত্ৰ নোপোৱাত ঘৰৰ পৰিয়ালৰ মাজত আৰু অধিক উত্তেজনা বৃদ্ধি পায়। ইতিমধ্যে বুঢ়া আৰক্ষী চকীত পৰিয়ালৰ ফালৰ পৰা এই সন্দৰ্ভত অৱগত কৰে। অমায়িক আৰু শান্ত স্বভাৱৰ এই যুৱকজন ক'লৈ যাব পাৰে নিৰুত্তৰ পৰিয়ালৰ লগতে মাক -দেউতাক। পৰিয়ালৰ সূত্ৰই জনোৱা অনুসৰি সি আনদিনাৰ দৰে ভাত খাই স্কুল যোৱাৰ সময়ত ইউনিফৰ্ম পিন্ধি চাইকেলখন আৰু কিতাপৰ বেগটো লৈ ওলাই আহে। সন্ধিয়াৰ সময়লৈকে ঘৰলৈ উভতি নহাত দেউতাক-মাকে ইফালে সিফালে খবৰ ল'বলৈ ধৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পৰা সবিশেষ লোৱাত সেইদিনা আৰু আগৰদিনাও বিদ্যালয়ত সি উপস্থিত নাছিল। গতিকে অধিক চিন্তাৰ বিষয় হৈ পৰিছে হৃদয় ক'লৈ যাব পাৰে। এক অসাধু চক্ৰৰ কবলত পৰিছে নেকি এই লৈ এতিয়া তীব্ৰ উৎকণ্ঠা বৃদ্ধি পাইছে ৰাইজৰ মাজত। বাতৰি লিখাৰ পৰলৈকে ছাত্ৰজনৰ কোনো সম্ভেদ পোৱা নাই। সদাশয় লোকে উক্ত ছাত্ৰজনৰ কিবা সম্ভেদ পালে ৭০৯৯৫৩৭২৯৮ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে জনাইছে।



## মাজবাটত ৰীতা দেৱী ভট্টাচাৰ্যৰ গ্ৰন্থ উন্মোচনী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামাবাৰী, ১১ জুন ঃ** ১০ জুন ২০২৩ তাৰিখ শুক্ৰবাৰে মাজবাটৰ অৱসৰী কৃতী শিক্ষক প্ৰয়াত শাস্ত্ৰী ধাৰেশ্বৰ ভট্টাচাৰ্যৰ প্ৰথম বাৰ্ষিক মৃত্যু তিথি উপলক্ষে আজি তেওঁৰ বাসগৃহত এখন গ্ৰন্থ উন্মোচনী সভাৰ আয়োজন কৰা হয়। সভাত মাজবাট সাহিত্য সভাৰ সদস্যা তথা ধাৰেশ্বৰ ভট্টাচাৰ্যৰ বোৱাৰী ৰীতা দেৱী ভট্টাচাৰ্যই ৰচনা কৰা 'মাজবাটৰ পুণ্যভূমি মহামুনি দেৱালয়' শীৰ্ষক গ্ৰন্থখন ওদালগুৰি জিলা সাহিত্য সভাৰ তৰফৰ পৰা প্ৰকাশ কৰা হয় আৰু সভাত ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ কলিতাৰ দ্বাৰা উন্মোচন কৰা হয়। সভাত বক্তব্য আগবঢ়ায় ক্ৰমে মাজবাট সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰেম বৰুৱা, মাজবাট সাহিত্য সভাৰ বৰ্তমানৰ সভাপতি বীৰেন চন্দ্ৰ নাথ, পাঠকপুৰ সাহিত্য সভাৰ সভাপতি শৰৎ চন্দ্ৰ দাস আৰু ৰঙিয়াৰ ৰণদিয়া সাহিত্য সভাৰ বিষয়ববীয়া-চলচ্চিত্ৰ জগতৰ শিল্পী, বিশিষ্ট লেখক পংকজলোচন শৰ্মা। সভাত ভট্টাচাৰ্যৰ পৰিয়ালবৰ্গই পিতৃগৰাকীৰ নামত মাজবাট সাহিত্য সভাৰ ন্যাস পুঁজিলৈ পাঁচ হাজাৰ টকাৰ এককালীন দান আগবঢ়ায়। জিলাখনৰ কেইবাটাও শাখা সাহিত্য ক্ৰমে ওদালগুৰি, মাজবাট, পাঠকপুৰ, কৌপাতী, পানেৰী আদিৰ উপৰি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ভদ্ৰকান্ত শৰ্মা, জিলা সাহিত্য সভাৰ উপ-সভাপতি আদিত চন্দ্ৰ কলিতা, সম্পাদক ড° পৱিত্ৰ শৰ্মা, সহঃ সম্পাদক দ্বিপেন বৰা, আকাশ উপ-সমিতিৰ আহ্বায়ক ক্ষীৰা শইকীয়া ডেকা, সদস্যা চম্পা চৌহান, ৰামধেনু উপ-সমিতিৰ সদস্যা দশমী চৌহান, জিলা সদস্য নিবাৰণ ৰাভাকে আদি কৰি বহু গণ্যমান্য বিদ্বৎ ব্যক্তি উপস্থিত আছিল। সভাপতিৰ বক্তব্য আৰু মন্তব্যৰ পিছত অসম সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি মৰা হয়।

# সদৌ অসম কবি মঞ্চৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস

## *'প্ৰজ্ঞাৰ সন্ধানত' একাদশ সংখ্যা উন্মোচন*

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ১১ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে দেওবাৰে ৰঙিয়াৰ শিক্ষানুষ্ঠান আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত সদৌ অসম কবি মঞ্চৰ উদ্যোগত, জনকল্যাণ ক্লাব আৰু অধ্যয়নং টিউটৰিয়েল হোমৰ সহযোগত গছপুলি ৰোপণ আৰু বিতৰণ কাৰ্যসূচী পালন কৰা হয়। গছপুলি ৰোপণ কৰা স্থানসমূহৰ ভিতৰত ৰঙিয়া পৌৰ সভাৰ কাৰ্যালয় চৌহদত গছপুলি ৰোপণ কৰে পৌৰ সভাৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰ, পৌৰ সভাৰ অভিযন্তা বসন্ত ডেকা আৰু উপস্থিত পৌৰ সভাৰ সদস্য-সদস্যাসকলে। তাৰ পাছত ৰঙিয়া সদৰ থানাত গছপুলি ৰোপণ আৰু বিতৰণ কৰা হয়। গছপুলি ৰোপণ কৰে ৰঙিয়া সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভাস্কৰমল্ল পাটোৱাৰী আৰু উপ-পৰিদৰ্শক কল্পনা দেৱীৰ লগতে উপস্থিত সমূহ আৰক্ষীয়ে। ইয়াৰ লগতে ৰঙিয়া মহাবিদ্যালয় আৰু ৰঙিয়া অসামৰিক চিকিৎসালয়, ৰঙিয়া মডেল হাস্পতালৰ লগতে সমগ্ৰ ৰঙিয়াৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত গছপুলি ৰোপণ আৰু বিতৰণ কৰা হয়। উল্লেখ্য যে, ৰঙিয়া অসামৰিক চিকিৎসালয়ত আজি বিশ্ব পৰিৱেশ দিৱসৰ দিনা জন্মগ্ৰহণ কৰা শিশুসকলৰ মংগলাৰ্থে তেওঁলোকৰ মাতৃকেইগৰাকীৰ হাতত গছপুলি অৰ্পণ কৰা হয়। আনহাতে, আবেলি অধ্যয়নং টিউটৰিয়েল হোমৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত উন্মোচনী সভাত সদৌ অসম কবি মঞ্চৰ মাহেকীয়া ই-আলোচনী 'প্ৰজ্ঞাৰ সন্ধানত' একাদশ সংখ্যা উন্মোচন কৰা হয়। উন্মোচন কৰে বিশিষ্ট লেখিকা তথা সদৌ অসম কবি মঞ্চৰ উপদেষ্টা ড° ৰুণুমী দত্ত ডেকাই। উন্মোচনী ভাষণত বিশিষ্ট লেখিকাগৰাকীয়ে সদৌ অসম কবি মঞ্চৰ প্ৰতিটো কাৰ্যসূচীৰ শলাগ লোৱাৰ লগতে প্ৰধান সম্পাদক জিতু কাঞ্চনৰ সবল নেতৃত্বত সদৌ অসম কবি মঞ্চই আজি সমগ্ৰ অসমৰ চহৰে-নগৰে সোমাই থকা সুপ্ত প্ৰতিভাসমূহ বিকাশ কৰাৰ চেষ্টাক শলাগ লয়। অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম কবি মঞ্চৰ সভাপতি জাভেদ জামান, কাৰ্যকৰী সভাপতি মণ্টু কলিতা, উপদেষ্টা জোন মহম্মদ আলী, মোস্তাফা আহমেদ, জন কল্যাণ সমিতিৰ সম্পাদক নাৰায়ণ দত্ত, কাৰ্যকৰী সভাপতি ফাৰুক আলী আহমেদ আৰু সদৌ অসম কবি মঞ্চৰ যুটীয়া সম্পাদক তথা অধ্যয়নং টিউটৰিয়েল হোমৰ সহঃ প্ৰতিষ্ঠাপক অলকেশ কলিতা, সদৌ অসম কবি মঞ্চৰ সাংগঠনিক সম্পাদক বুবুল দাস, কাৰ্যনিৰ্বাহক সদস্যা সংগীতা ডেকা, ৰীমা ৰহমানৰ লগতে কেইবাগৰাকী কবি উপস্থিত থাকে। সদৌ অসম কবি মঞ্চৰ সবল নেতৃত্বত অসমৰ প্ৰতিখন জিলাত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয় বুলি সদৌ অসম কবি মঞ্চৰ প্ৰধান সম্পাদক তথা 'প্ৰজ্ঞাৰ সন্ধানত' সম্পাদনা সমতিৰ মুখ্য সম্পাদক জিতু কাঞ্চনে জানিবলৈ দিয়ে।



# 'ডি' ভোটাৰৰ নামত গৰিয়া জনগোষ্ঠীৰ লোকক হাৰাশাস্তি



*উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰদান*

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী, ১১ জুন ঃ** গৰিয়া জনগোষ্ঠীৰ এচাম লোকলৈ ওদালগুৰি জিলা বিদেশী ন্যায়াধিকৰণে বিদেশীৰ জাননী প্ৰেৰণ কৰি 'ডি' ভোটাৰ সজোৱা কাৰ্যত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে গৰিয়া মৰিয়া দেশী জনগোষ্ঠীয় পৰিষদৰ ওদালগুৰি জিলা সমিতিয়ে। এই সন্দৰ্ভত আজি ওদালগুৰি জিলা উপায়ুক্তৰ জৰিয়তে স্মাৰক-পত্ৰ প্ৰদান কৰি বিহীত ব্যৱস্থাৰ দাবী জনাই জিলা সভাপতি জাকিৰ হুছেইন আৰু সাধাৰণ সম্পাদক আব্দুল ৰহমানৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে ওদালগুৰি জিলা আৰক্ষী অধীক্ষক আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যলৈ পৃথকে পৃথকে স্মাৰক-পত্ৰ প্ৰদান কৰে। স্মাৰক-পত্ৰত উল্লেখ কৰি সভাপতি হুছেইন আৰু সাধাৰণ সম্পাদক ৰহমানে কয়- গৰিয়া মৰিয়া জনগোষ্ঠী অসমৰ আদিম খিলঞ্জীয়া জনগোষ্ঠীৰ লোকসকল এক গৌৰৱময় ইতিহাসেৰে পৰিপুষ্ট। এনে সময়তে গৰিয়া জনগোষ্ঠীটোৰ একাংশ লোকক বিদেশী ন্যায়াধীকৰণে 'ডি' ভোটাৰৰ জাননী দিয়া কাৰ্য উদ্বেগজনক। আৰ্থিক যোগ্যতা আৰু শৈক্ষিক প্ৰসাৰৰ বাবে ১৯৫১ৰ এন আৰ চি আৰু সকলো ধৰণৰ যাৱতীয় নথি-পত্ৰ থকাৰ পিছতো ওদালগুৰি জিলাৰ পানেৰী থানাৰ অন্তৰ্গত উত্তৰ খ্ৰীষ্টানপাৰা (তেলিয়াপাৰা) নিৱাসী মুজিবৰ ৰহমান আৰু বাতবানু বেগমে বিদেশীৰ নামত কেইবাবাৰো বন্দিত্বৰ জীৱন অতিবাহিত কৰি আহিছে। শেহতীয়াভাৱে জানিব পৰা মতে তিনি নং পানেৰী নিৱাসী মিৰজান আলী (গোচৰ নং UDL/FT/2550/2015) বিদেশী ন্যায়ধীকৰণে ১০ জুনত আদালতত হাজিৰ হোৱাৰ জাননী প্ৰেৰণ কৰিছে। ইপিনে পানেৰী থানাৰ অন্তৰ্গত তেলিয়াপাৰা গাঁও নিৱাসী মামণি বেগম (২৫), মইনুৰ আলী (৩০)লৈ বিদেশী ন্যায়াধীকৰণে গোচৰৰ জাননী জাৰি কৰাৰ উপৰি তিনি নং পানেৰীৰ চায়েৰা বেগম, ৰূপা বেগম আদিকে ধৰি গৰিয়া মৰিয়া জনগোষ্ঠীৰ ভালেমান লোকলৈ 'ডি' ভোটাৰ হিচাপে চিহ্নিত কৰিছে। সেয়ে ওদালগুৰি জিলা সমিতিয়ে গৰিয়া মৰিয়া জনগোষ্ঠীৰ সকলো 'ডি' ভোটাৰ আৰু বিদেশী ন্যায়াধীকৰণত চলি থকা সকলো গোচৰ তাৎক্ষণিকভাৱে নিষ্পত্তি কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়। আজিৰ এই প্ৰতিনিধি দলটোত হুছেইন আলী, মুজিবৰ ৰহমানৰ লগতে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ফজলুল কৰিম উপস্থিত আছিল।

## নগাঁৱৰ এটা বেকাৰী ফেক্টৰীত অস্বাস্থ্যকৰ পৰিৱেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১১ জুন ঃ** নগাঁৱৰ একাংশ বেকাৰীত লেতেৰা পৰিৱেশত প্ৰস্তুত হয় ব্ৰেড, বিস্কুট। ভিতৰৰ পৰিৱেশ দেখিলে হয়তো ঘৃণাত নাক কোঁচ খাব সকলোৱে। নগাঁৱৰ এটা বেকাৰী ফেক্টৰীৰ চৰম অস্বাস্থ্যকৰ পৰিৱেশৰ অভিযোগ উত্থাপিত হৈছে। নগাঁও চহৰৰ কেঁচা আলিস্থিত সুৰুজ বেকাৰীৰ ভিতৰৰ পৰিৱেশ দেখিলে বিস্কুট খোৱাৰ পূৰ্বে এশবাৰ ভাবিব লাগিব সকলোৱে। বেকাৰীটোৰ ভিতৰত প্ৰস্তুত কৰা ব্ৰেড, কেক অথবা বনৰ ওপৰত বগাই ফুৰে পঁইটাচোৰা। এই ব্ৰেড, বিস্কুট প্ৰস্তুত কৰাৰ সময়ত ব্যৱহাৰ কৰা হয় অতি লেতেৰা বাল্টি। যি বাল্টিতে কণী ভাঙি কেক বনাবলৈ ময়দাৰ লগত মিহলোৱা হয় বেকাৰীটোত। আনহাতে, ফেক্টৰীৰ ভিতৰতে গুট্‌খা খাই পিক পেলাই শ্ৰমিকে। সেই ঠাইতে ৰখা হয় বেকাৰীত নতুনকৈ প্ৰস্তুত হোৱা খাদ্য-সামগ্ৰী। অৱশ্যে সংবাদ মাধ্যমৰ কেমেৰা দেখি তৎ হেৰুওৱা বেকাৰীৰ মালিকে ক'লে— 'সদায় চাফা কৰিয়ে থাকো আজিহে লেতেৰা হৈ আছে'। জনতাৰ স্বাস্থ্যসন্মত খাদ্যৰ নিশ্চিতিৰ বাবে থকা ৰাজ্যৰ খাদ্য সুৰক্ষা বিভাগে অৱশ্যে এইসমূহ দিশ পৰ্যবেক্ষণ কৰাৰ বাবে আহৰি নাপায়। কিন্তু এনে অস্বাস্থ্যকৰ পৰিৱেশত প্ৰস্তুত হোৱা ব্ৰেড পুৱাৰ ব্ৰেকফাষ্টত গ্ৰহণ কৰি নিতৌ ন ন ৰোগত আক্ৰান্ত হৈছে ৰাজ্যৰ জনসাধাৰণ। এতিয়া প্ৰশ্ন হয় বেকাৰীৰ এই কৰ্মকাণ্ডৰ পিছত পুৱাৰ চাহ কাপৰ লগত আপুনি বাৰু ব্ৰেড-বাটাৰৰ সোৱাদ ল'বনে?



# বঙাইগাঁৱৰ জ্ঞানোদয় জাতীয় বিদ্যালয়ত এশ শতাংশ উত্তীৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১১ জুন ঃ** অত্যন্ত সাধাৰণ শৈক্ষিক আৰু আৰ্থিকভাৱে পিছপৰা অভিভাৱকৰ মুখ উজলাবলৈ সক্ষম হৈছে বঙাইগাঁও চহৰৰ উত্তৰ বঙাইগাঁৱস্থিত জ্ঞানোদয় জাতীয় বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে। উল্লেখ্য যে ইংৰাজী মাধ্যমৰ আঢ্যৱন্ত পৰিয়ালৰ সন্তানৰ পৰিৱৰ্তে বিদ্যালয়খনত সাধাৰণ নাগৰিকৰ সন্তানেহে সাধাৰণতে নামভৰ্তি কৰে। এনে শিক্ষাৰ্থীসকলৰ পৰিয়ালবৰ্গৰ শৈক্ষিক, আৰ্থিক তথা সকলো পিনে পিছপৰা। কিন্তু অসমীয়া মাধ্যমৰ বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে নানা বাধা নেওচি এই শিক্ষাৰ্থীসকলৰ মুখ উজলাব সক্ষম হৈছে। ২০০৭ চনৰ পৰা দুই -এক বছৰৰ বাহিৰে প্ৰতি বছৰে বিদ্যালয়খনৰ পৰা ১০০ শতাংশ শিক্ষাৰ্থী উত্তীৰ্ণ হৈ আহিছে। এইবাৰো তাৰ ব্যতিক্ৰম নহয়। বিদ্যালয়খনৰ পৰা এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত মুঠ ৩৫গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল অনুসৰি বিদ্যালয়খনৰ পৰা অৱতীৰ্ণ হোৱা ৩৫গৰাকী ছাত্ৰ- ছাত্ৰীয়ে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছে। ইয়াৰে ভিতৰত ৬গৰাকীয়ে ডিষ্টিংচন নম্বৰ অৰ্জন কৰাৰ বিপৰীতে ৫গৰাকীয়ে ষ্টাৰ নম্বৰসহ ২২গৰাকীয়ে প্ৰথম বিভাগ, ১০গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৩গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। ইপিনে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ইংৰাজী বিষয়ত ৮ গৰাকীয়ে, অসমীয়াত ৭ গৰাকীয়ে, সাধাৰণ গণিতত ৮ গৰাকীয়ে, সাধাৰণ বিজ্ঞানত ৮গৰাকীয়ে, সমাজ বিজ্ঞানত ১৩গৰাকীয়ে, মাতৃভাষা হিন্দীত (বাধ্যতামূলক) ১৫গৰাকীয়ে আৰু উচ্চ গণিতত লেটাৰ নম্বৰ অৰ্জন কৰিছে। বিদ্যালয়খনৰ পৰা এই বেলি হিমাশ্ৰী চৌধুৰীয়ে (সৰ্বমুঠ নম্বৰ-৫৪৯) শতকৰা ৯১.৫০ নম্বৰ (ছটা বিষয়ত লেটাৰ নম্বৰ) অৰ্জনেৰে বিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰ অৰ্জন কৰিবলৈ সক্ষম হৈছে। সেইদৰে সংঘমিত্ৰা ৰায়ে ৮৯ শতাংশ ( ছটা লেটাৰ), আফচানা আহমেদ ৯০.৮৩ শতাংশ (ছটা লেটাৰ), জেনিফা ৰহমান ৮৮.৫০ শতাংশ (ছটা লেটাৰ), আৰিফা আহমেদ ৮৫.৫০ শতাংশ (পাঁচটা লেটাৰ), প্ৰবিশা বৰুৱা ৮৭ শতাংশ (ছটা লেটাৰ) নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈছে। লগতে ভালেকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে গণিত, ঐচ্ছিক গণিত আদি বিষয়ত ১০০ৰ ভিতৰত ১০০ নম্বৰ লাভ কৰিছে। মূলাগাঁও চিলাৰায় জাতীয় বিদ্যালয়ৰ এশ শতাংশ ছাত্ৰ - ছাত্ৰী উত্তীৰ্ণ হৈছে। সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বঙাইগাঁও চহৰৰ নিকৰৱৰ্তী মূলাগাঁৱত অৱস্থিত মূলাগাঁও চিলাৰায় জাতীয় বিদ্যালয়ৰ পৰা চতুৰ্থবাৰৰ বাবে এশ শতাংশ শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। বিদ্যালয়খনৰ পৰা এইবাৰ অৱতীৰ্ণ হোৱা ১২গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ ভিতৰত ২জনে ডিষ্টিংচনসহ মুঠ ৫জনে প্ৰথম বিভাগত, ৫জনে দ্বিতীয় বিভাগত আৰু ২জনে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে কৰবী ৰাভাই ইংৰাজী বিষয়ত ১০০ নম্বৰৰ ভিতৰত ১০০ নম্বৰ লাভ কৰাৰ উপৰি ছটা বিষয়তে লেটাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়।

## মৰিগাঁও-নগাঁৱত যোগাসন প্ৰতিযোগিতাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১১ জুন ঃ** আগন্তুক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰৰ আয়ুস সঞ্চালকালয়ৰ নিৰ্দেশ মৰ্মে সমগ্ৰ ৰাজ্যতে জিলা আৰু ৰাজ্যিক ভিত্তিত এখন যোগাসন প্ৰতিযোগিতাৰ আয়োজন কৰিছে । এই প্ৰতিযোগিতাৰ অংশ হিচাপে আয়ুস সঞ্চালকালয়ৰ নিৰ্দেশ মৰ্মে মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু আৰোগ্য কেয়াৰ ফাউণ্ডেচনৰ সহযোগত ১৪ জুনত মৰিগাঁৱত জিলা ভিত্তিত অনুষ্ঠিত হ'ব এই যোগাসন প্ৰতিযোগিতা। মৰিগাঁৱৰ পবিতৰা হাট প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব লগা এই জিলা ভিত্তিত যোগাসন প্ৰতিযোগিতাত চাৰিটা শাখাত অনুষ্ঠিত হ'ব প্ৰতিযোগিতাখন। আনহাতে, জিলাত স্থান লাভ কৰা প্ৰতিযোগীসকলে ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হ'ব লগা এই যোগাসন প্ৰতিযোগিতাত অংশ ল'ব পাৰিব। সেয়ে এই প্ৰতিযোগিতাত জিলাখনৰ সকলো প্ৰতিযোগীৰ অংশগ্ৰহণৰ কামনা কৰিছে মৰিগাঁও জিলা প্ৰশাসনে। লগতে ১৩ তাৰিখে নগাঁও জিলা পুথিভঁৰালতো যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

## ওৰাং ৰাষ্ট্ৰীয় উদ্যানত ৩জন চোৰাং চিকাৰীক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশ্ৰী বজাৰ, ১১ জুন ঃ** ৮ জুনত দৰং জিলাৰ দলগাঁও থানাৰ অধীনস্থ ওৰাং ৰাষ্ট্ৰীয় উদ্যানত এইবাৰ গ্ৰেপ্তাৰ কৰা হৈছে তিনিটাকৈ বাঘ চিকাৰী। ইতিমধ্যে ২জন বাঘ চিকাৰী এতিয়াও পলাই আছে। ৰাষ্ট্ৰীয় উদ্যানখনত অবৈধভাৱে বাঘ চিকাৰৰ উদ্দেশ্যৰে প্ৰৱেশ কৰিছিল ৫জনকৈ চিকাৰী। তাৰে ভিতৰত তিনিজন বাঘ চিকাৰীক বনকৰ্মীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। বাকী দুজন সম্প্ৰতি পলাতক হৈ আছে বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। গ্ৰেপ্তাৰ কৰা চিকাৰীকেইজন ঢেকীয়াজুলিৰ আজিবুৰ ৰহমান, হাছমত আলী আৰু মহম্মদ এম এল বুলি জানিব পৰা গৈছে। পলাতক দুজনৰ নাম ছাদিকুল আৰু আহাম্মদ। উল্লেখ্য যে, যোৱা চাৰি তাৰিখে বনকৰ্মীয়ে উদ্যানখনত এটা মৃত বাঘৰ অৱশিষ্ট উদ্ধাৰ কৰিছিল। তাৰ পিছতে গ্ৰেপ্তাৰ কৰা হৈছে সন্দেহযুক্ত চিকাৰীকেইজনক।



# চেঙেলীয়াঝাৰ উঃ মাঃ বিদ্যালয়ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ পূৰ্বৰ অভিলেখ ভংগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১১ জুন ঃ** দৰং জিলাৰ পশ্চিম দৰং অঞ্চলৰ চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ (পূৰ্বৰ হাইস্কুল) সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হাৰ পূৰ্বৰ অভিলেখ ভংগ কৰি নতুন অভিলেখ গঢ়াত বিদ্যালয়খনৰ শিক্ষক, অভিভাৱক আৰু ৰাইজ উৎফুল্ল হৈ পৰিছে। জানিব পৰা মতে ২০২২ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনৰ পৰা মুঠ ৫৮গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে ৩২গৰাকী প্ৰথম বিভাগ, ২৩গৰাকী দ্বিতীয় বিভাগ আৰু ২গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। এগৰাকীয়ে দুটা বিষয়ৰ পৰীক্ষা দি শাৰীৰিক অসুস্থতাৰ বাবে বাকী বিষয়ৰ পৰীক্ষা দিব নোৱৰা বুলি প্ৰকাশ। উত্তীৰ্ণ হাৰ ৯৮.২৭ শতাংশ। এগৰাকী ছাত্ৰীয়ে ডিষ্টিংচন, তিনিগৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, অসমীয়াত- ৬ গৰাকী, ইংৰাজীত-২ গৰাকী, সাধাৰণ গণিতত-৪ গৰাকী, সমাজ বিজ্ঞানত-৭গৰাকী, সংস্কৃতত-৫গৰাকী, আৰবীত-৪গৰাকী আৰু ভূগোলত-১০গৰাকী ছাত্ৰ-ছাত্ৰী লেটাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। যি ফলাফল পূৰ্বৰ তুলনাত ভাল ফলাফল হিচাপে প্ৰতিপন্ন হোৱাত বিদ্যালয়খনৰ শিক্ষকসকলৰ লগতে অভিভাৱক আৰু অঞ্চলটোৰ ৰাইজ বাৰুকৈ উৎফুল্ল হৈ পৰিছে। দৰং জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰিণি হাজৰিকাই বিদ্যালয়খনৰ সকলো ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱাত ধন্যবাদ জনাইছে শিক্ষকসকলৰ লগতে অঞ্চলটোৰ শিক্ষা সচেতন লোকসকলে। বিষয়াগৰাকীক বিদ্যালয়খন পৰিদৰ্শন কৰাৰ বাবেও অঞ্চলটোৰ ৰাইজে জনাইছে আহ্বান। ইফালে শিক্ষা বিভাগে পূৰ্বৰ হাইস্কুলখনক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ পিছত শিক্ষা সাংসদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে অনুমোদন জনোৱাত ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তিৰ বাবে অনলাইন আবেদনৰ জৰিয়তে হেতা-ওপৰা লগাই তোলা পৰিলক্ষিত হৈছে। জানিব পৰা মতে কৃতী আৰু দক্ষতাপূৰ্ণ ভালেকেইগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে হাতত কিতাপ-কলম লৈ উচ্চতৰ মাধ্যমিকত পাঠদান কৰিবলৈ সাজু হৈ উঠিছে। ইয়াৰে অসমীয়াত তছলিমা খানম, ইংৰাজীত ধনমণি ৰাজবংশী, অৰ্থনীতিত মনালিছা বৰুৱা, বুৰঞ্জীত প্ৰতুল চহৰীয়া, শিক্ষাত অমৰেন্দ্ৰ নাথ, ৰাজনীতি বিজ্ঞানত নিবেদিতা শৰ্মা, সংস্কৃতত গীতিকা দেৱী, আৰবীত আজিজুল হকে পাঠদান কৰিব বুলি প্ৰকাশ। অৱশ্যে বিদ্যালয়খনত বৰ্তমানেও ৯গৰাকীকৈ শিক্ষকৰ পদ খালী হৈ থকাত কিছু সমস্যাত পৰিবলগীয়া হৈছে শিক্ষকসকল। বিদ্যালয়খনত আজি তিনি বছৰে নাই এগৰাকী কাৰ্যালয় সহায়ক। যাৰ বাবে বিদ্যালয়ৰ কাম-কাজসমূহ শিক্ষকসকলেই কৰিবলগীয়া হোৱাত সমস্যা হৈ পৰিছে। তৎসত্ত্বেও বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষগৰাকীৰ কৰ্মদক্ষতাৰে সকলো মোকাবিলা কৰি আগুৱাই যোৱাত ৰাইজ বাৰুকৈ সন্তুষ্ট হৈ পৰা বুলি প্ৰকাশ। বিদ্যালয় পৰিদৰ্শকগৰাকীয়ে এই সমস্যাসমূহৰ ক্ষেত্ৰত সু-দৃষ্টি দিব বুলি ৰাইজে আশাৰে বাট চাইছে।



নিবিৰ আকাশ কাশ্যপ, টেঙাবাৰী প্ৰাথমিক বিদ্যালয়, চতুৰ্থ শ্ৰেণী

# উপহাৰ

■ টুনমণি বৰদলৈ

বাৰ্বীৰ অন্তৰংগ বান্ধৱী আইলিতাৰ জন্ম দিন। বাৰ্বীয়ে উপহাৰ কি দিব তিনি দিন মান আগৰ পৰাই ভাবি আছে। আইলিতাই এদিন বাৰ্বীক কৈছিল যে তাইৰ জন্মদিনত মাকে সদায় গোসাঁইঘৰত শৰাই দিয়ে আৰু বিদ্যালয়ত ছাৰ-বাইদেউসকলে জন্মদিনত গছপুলি ৰুবলৈ কোৱাৰ বাবে আবেলি তাই প্ৰতিটো জন্মদিনতে এটা হ'লেও গছপুলি যি কোনো প্ৰকাৰে ৰোৱাত মাক-দেউতাকে তাইক সহায় কৰে। কেতিয়াবা তাই আনৰ জন্মদিনত কেক কটা আৰু উপহাৰ দিয়া দেখিলে তাইৰো জন্মদিন ঘৰত পাতিবলৈ মন যায় যদিও দেউতাকে হাজিৰা কৰি অনা পইচাকেইটা অযথা খৰচ কৰিবলৈ তাইৰ কেতিয়াও মনে নকয়। বাৰ্বীয়ে অৱশ্যে মাজে মাজে মন কৰিছে তাই লগৰ কেইটামানে জন্মদিনত উপহাৰ পোৱা টেডী বিয়েৰ, বিভিন্ন ধৰণৰ খেলা সা-সৰঞ্জাম, কাপোৰ কানিবোৰ আলৈ-আথানি হৈ পৰি থকা কথাটো। সিহঁতে মাথোঁ মোবাইলত ভি ডি



অ' গেম খেলিয়েই সময় অতিবাহিত কৰে, তদুপৰি হোটেলত পাৰ্টী কৰাটোৰেই জন্মদিন বুলি ভাবে। জন্মদিনত পৰিয়ালৰ লোকেই হওক বা লগৰীয়াই দিয়া ইমান মৰমৰ বস্তুবোৰৰ মূল্য সিহঁতে বুজি নাপায়। তাইৰ লগৰ কেইটামানে বস্তুৰ অভাৱ কি আজিলৈকে অনুভৱেই কৰি পোৱা নাই। সেইটো প্ৰধানকৈ মাক-দেউতাকৰে দোষ, যাৰ বাবে তাইৰ লগৰ দুটামানে দুখীয়াৰ মোল নুবুজে। আইলিতাৰ কথাটো অলপ বেলেগ যদিও বাৰ্বীয়ে তাইক যি কোনো উপহাৰ দিবলৈ অকণো ভাল পোৱা নাই। তাইৰ মনলৈ এশাৰী বাক্য অগা-দেৱা কৰিবলৈ ধৰিলে। শৰ্মা ছাৰে বিদ্যালয়ত পাঠ পঢ়াই থাকোতে জৱাহৰলাল নেহৰুৰ এশাৰী বাক্য-'মানুহে যিমান কিতাপ পঢ়িবলৈ শিকে সিমানে ভাবিবলৈ শিকে'।

তাই মূঢ়া এটাতে বহি বুকুত কিতাপ এখন সাবটি একান্ত মনে সেই কথাবোৰকে ভাবি আছিল। ককাকে তাইক জোপোকা মাৰি বহি থকা দেখি পিছফালৰ পৰা মাত লগালে। কি হ'ল বাৰ্বী, কি ভাবি আছা?

বাৰ্বী থত্‌মত্‌ খাই পিছলৈ ঘূৰি চালে আৰু ককাকক দেখি ওচৰতে বহিবলৈ চকীখন আগবঢ়ায় দিলে আৰু সুধিলে- ককা, আজিলৈকে কোনে বাৰু বেছি কিতাপ পঢ়িছে?

ককাকে ক'লে- ভাৰতৰ সংবিধান প্ৰণেতা ড° ভীমৰাও আম্বেদকাৰে বহুত কিতাপ পঢ়িছে বুলি জনা যায়।

তেখেতে কিমান কিতাপ পঢ়িছে ককা?

তেখেতে প্ৰায় দুই লাখ কিতাপ অধ্যয়ন কৰিছে। তেওঁ এজন প্ৰখৰ মেধাসম্পন্ন ব্যক্তি আছিল, গম পাইছানে।

ওম, হয় নেকি। পিছে ককা, গ্ৰন্থ অধ্যয়নৰ পৰা আমাৰ প্ৰধানকৈ কি কি লাভ হয়?

গ্ৰন্থ অধ্যয়নৰ দ্বাৰা আমাৰ ব্যৱহাৰিক জ্ঞান বৃদ্ধি হোৱাৰ লগতে আমি খৰচি মাৰি কিবা এটা লিখিবলৈ বা ক'বলৈ অলপ হ'লেও ধাৰণা কৰিব পাৰোঁ। গ্ৰন্থ অধ্যয়নৰ দ্বাৰা আশাবাদী হোৱাৰ লগতে মানসিক প্ৰশান্তি লাভ কৰিব পাৰি। বৰ্তমান যান্ত্ৰিকতাৰ যুগত কিতাপ পঢ়াটো কিন্তু অত্যন্ত জৰুৰী হৈ পৰিছে। তুমিও যথেষ্ট কিতাপ পঢ়া, মই কথাটো মন কৰি আছোঁ, এই অভ্যাসটো কেতিয়াও নেৰিবা দেই বাৰ্বী।

অ' ককা, তুমি ঠিকেই কৈছা। কিতাপ পঢ়িলে বহুতো নজনা কথা, নেদেখা ঠাইৰ বিষয়ে অলপ হ'লেও জানিব পাৰি। পিছে ককা, এই যে মেলি থোৱা কিতাপখনৰ সোঁফালৰ পাতখনক কি বুলি কোৱা হয়?

এই সোঁফালৰ পাতখিলাক ৰেক্টো (Recto) আৰু বাঁওফালৰ পাতখনক ভাৰ্ছো (Verso) বুলি কোৱা হয়। আকৌ চোৱা, এই যে কিতাপখনৰ বেটুপাতটোৰে যিটো অংশক কিতাপখনৰ চিলাইটো ঢাকি ৰাখিছে তাক কোৱা হয় Spine। এই অংশতে সাধাৰণতে কিতাপৰ নাম আৰু লেখকৰ নাম উল্লেখ থাকে। এইদৰে নাম লেখাৰ পদ্ধতিটো আৱিষ্কাৰ কৰিছিল ফ্ৰান্সৰ বিখ্যাত গ্ৰন্থ সংগ্ৰাহক জাঁ গ্ৰয়লাৰে প্ৰায় ষোড়শ শতাব্দীত। বাৰু তুমি জানানে পুৰুষৰ নাম লৈ মহিলাই লেখা কিতাপক কি বুলি কোৱা হয়? নাজানো ককা, কি বুলি কয় কোৱাচোন ককা? পুৰুষৰ নাম লৈ মহিলাই লিখা কিতাপক ছীয়োডেণ্ড্ৰী (Pseudandry) আৰু মহিলাৰ নাম লৈ পুৰুষে লিখা কিতাপক কোৱা হয় চীয়োডজীন (Pseudojyn)।

অ' ককা, তুমি আজি বৰ দৰকাৰী কথা কেইটামান শিকাই দিলা। এই কথাবোৰ মই আইলিতাক কম আৰু তাইৰ জন্মদিনত কিতাপ এখনকে উপহাৰ দিম বুলি ভাবিছোঁ,



কেনে হ'ব বাৰু ককা।

বঢ়িয়া হ'ব বাৰ্বী, টেডী বিয়েৰ, ফুলৰ তোৰা,পুতলা বন্দুকতকৈও শ্ৰেষ্ঠ এখন কিতাপ। চোৱাচোন, কিতাপ পঢ়াৰ প্ৰতি যদি এটা সুন্দৰ পৰিৱেশ গঢ়ি তুলিব পাৰোঁ তেতিয়া সমাজখন অলপ হ'লেও সুস্থ হৈ উঠিব নহয়নে বাৰু। লেনিনে কৈছিল— 'বহু কথা জনাজনকেই জ্ঞানী বুলি নকয়। জনা কথাক যথাযথ প্ৰয়োগ কৰিব পৰাজনহে জ্ঞানী।' ব'লা বাৰ্বী আমি এতিয়া কিতাপৰ দোকানৰ পৰা আহোঁগৈ বুলি দুয়ো ওলাই গ'ল। বাৰ্বীয়ে ককাকৰ লগত গৈ দোকানৰ পৰা আইলিতাৰ বাবে প্ৰয়োজনীয় কিতাপ দুখন, কলম এটা, অলপ কাগজ কিনাৰ উপৰি এটা সতেজ গছপুলি কিনি আনিলে। গছপুলি অকল বিশ্ব পৰিৱেশ দিৱসতেই যে ৰুব লাগে সেইটো নহয়। সময়-সুবিধা পালেই যিকোনো মুহূৰ্ততে গছপুলি ৰোপণ কৰিব লাগে আৰু প্ৰতিপালন কৰিব লাগে তেতিয়াহে প্ৰাকৃতিক ভাৰসাম্য অটুট থাকিব ককাকে তাইক বুজাই দিলে। তাই আইলিতাৰ জন্মদিনৰ দিনা ঘৰতে গৈ জন্মদিনৰ শুভ কামনা দি আহিল। আইলিতাই জন্মদিনৰ দিনা বাৰ্বীৰ পৰা এনে সুন্দৰ উপহাৰ পায় আনন্দৰ চকুলো বৈ আহিল আৰু বাৰ্বীক সাবটি ধৰিলে।

ফোন ঃ ৯৯৫৪৬-৪৮০২২

## মৰমৰ অকণিহঁত-

মৰম ল'বা । ভালে আছা নিশ্চয়। তোমালোকেতো গম পাইছাই মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ল । এইবাৰ সামগ্ৰিক ফলাফল খুব ভাল নহয় । গতিকে তোমালোকে খুব ভালকৈ এতিয়াৰে পৰা পঢ়া-শুনা কৰা । চাবা যাতে ভৱিষ্যতে সকলোৰে প্ৰিয়পাত্ৰ হৈ সমাজত একোজন ভাল মানুহ হিচাপে পৰিচয় দিব পাৰা । তোমালোকৰ এটা সুনামে তোমালোকৰ, মা-দেউতা, ঘৰৰ বংশ-পৰিয়াল, সমাজ, স্কুলৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী সকলোকে আনন্দ প্ৰদান কৰে আৰু বেয়া হ'লে বেয়া পায়। গতিকে সদায়ে ভাল হ'বলৈ যত্ন কৰি যাবা ।

আজি এটা বৰ সুন্দৰ ঘটনা কওঁ শুনা । তোমালোকে ভাৰতৰ ৰাষ্ট্ৰপতি আব্দুল কালামৰ নাম নিশ্চয় শুনিছা । স্কুলত পঢ়ি থকা সময়ত আব্দুল কালামৰ এজন অতি অন্তৰংগ বন্ধু আছিল । তেওঁৰ নাম ৰামনাথ শাস্ত্ৰী । ৰামনাথৰ দেউতাক ৰামেশ্বৰমৰ মন্দিৰৰ মুখ্য পুৰোহিত আছিল । কালাম আৰু ৰামনাথ সদায়ে দুয়ো একেলগে ফুৰিছিল, স্কুলত একেলগে বহিছিল । মুঠতে দুয়ো কেতিয়াও এৰা-এৰি নহৈছিল। এদিন তেওঁলোক পঢ়া স্কুললৈ এজন নতুন শিক্ষক আহিল । তেওঁ ক্লাছত কালামক ৰামেশ্বৰমৰ মুখ্য পুৰোহিতজনৰ ল'ৰা ৰামনাথৰ সৈতে একেলগে বহা দেখি কালামক শিক্ষকজনে খুব বেয়াকৈ গালি-গালাজ কৰি ক্লাছৰ একেবাৰে পিছৰ বেঞ্চত বহিবলৈ দিছিল। সেই কথাত কালামে মনত বহুত দুখ পালে আৰু ৰামনাথেও দুখ পালে । দুয়ো ঘৰলৈ গৈ নিজৰ নিজৰ মাক-দেউতাকক শিক্ষকজনৰ কথাটো ক'লে । পিছদিনা পুৱাই ৰামনাথ কালামৰ ঘৰত গৈ উপস্থিত হ'ল আৰু কালামক ৰামনাথৰ দেউতাকে মাতি পঠিওৱা বুলি ক'লে। কালামে ভয় খালে । তেওঁ ভাবিলে এইবাৰ তাৰ দেউতাকে নিশ্চয় গালি পাৰিব বা শাস্তি বিহিব । তথাপি কালাম গৈ ৰামনাথৰ দেউতাকৰ ওচৰত উপস্থিত হ'ল । কালামে দেখিলে যে ৰামনাথৰ দেউতাকৰ ওচৰত স্কুলৰ শিক্ষকজনো বহি আছিল । তেতিয়া আৰু ভয় খালে কালামে । কিন্তু কালামক দেখি ৰামনাথৰ দেউতাকে শিক্ষকজনক ক'লে যে স্কুলত তুমি এই সৰু সৰু দুই বন্ধুৰ মাজত যি ধৰ্মীয় বিভেদ সিঁচি দিবলৈ চেষ্টা কৰিছা । সেয়া বৰ বেয়া কথা হৈছে । গতিকে তুমি শিশু কালামৰ ওচৰত ক্ষমা খুজিব লাগিব অন্যথা স্কুল এৰি যাব লাগিব । শিক্ষকজনে তেতিয়া নিজৰ ভুল বুজি কালামক সাবটি ধৰি ক্ষমা খুজিলে । দুই বন্ধুৰ মাজত বিভেদ সৃষ্টি কৰিব বিচৰা কাৰ্য যে অতি গৰ্হিত কাৰ্য হৈছে স্বীকাৰ কৰিলে । মৰমৰ অকণিহঁত তোমালোকে এটা কথা ভালদৰে জানিবা যে প্ৰকৃত জ্ঞানী লোকে কেতিয়াও ধৰ্মক লৈ মানুহৰ মাজত বিভেদ আনিবলৈ চেষ্টা নকৰে । ৰামনাথৰ দেউতাক মন্দিৰৰ এজন মুখ্য পুৰোহিত আছিল । তথাপি তেওঁ শিক্ষকজনৰ ধৰ্মক লৈ সৃষ্টি কৰা বিভেদৰ কথাৰ মুঠেও সমৰ্থন কৰা নাছিল । বৰং ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰি শিক্ষকজনৰ কথাৰ বিৰোধিতাহে কৰিছিল। গতিকে তোমালোকেও অনাগত দিনত ধৰ্মক ৰামনাথৰ পিতৃৰ দৃষ্টিৰেহে বিচাৰ কৰিবা, শিক্ষকজনৰ দৃষ্টিৰে নহয় । তোমালোকে হয়তো ভাবিব পাৰা যে এই দিশবোৰ তোমালোকৰ এতিয়াই ভাবিবলৈ বয়স হোৱা নাই । কিন্তু মই ভাবো হৈছে । কাৰণ সমাজৰ এচাম মানুহে ধৰ্মক লৈ সমাজখনত বিভেদ সৃষ্টি কৰিবলৈ অহৰহ চেষ্টা কৰি আহিছে। সমাজখনত ধৰ্মীয় বিভেদ সৃষ্টি কৰিা৷ সমাজখন টুকুৰা-টুকুৰ কৰিবলৈ চেষ্টা কৰি আছে । গতিকে কাৰ কি ধৰ্ম সেয়া মূল কথা নহয় । আমি যে সকলো মানুহ, সকলো ভাই-ককাইৰ দৰে মিলিজুলি থাকিব লাগিব সেই কথা এই বয়সৰ পৰাই উপলব্ধি কৰিব লাগিব। নহ'লে তোমালোকৰ বাবে আহি থকা ভৱিষ্যতৰ দিনবোৰত কেতিয়াও শান্তি বিৰাজ নকৰিব ।

বাৰু আজিলৈ এৰিছো দেই ।

তোমালোকৰ-
ভূপেন মাম



টানিস্কা কাশ্যপ, সপ্তম শ্ৰেণী, মাৰিয়া মণ্টেশ্বৰী স্কুল

## নিৰেন ককা



■ মঞ্জিত হাজৰিকা

নবীন কলনীৰ নিৰেন ককা
হঠাতে নোহোৱা হ'ল,
ফৰকাল মনৰ ৰঙীয়াল ককা
ক'লৈ জানো গ'ল?
এদিন দুদিন তিনি দিন কৰি
সপ্তাহত ভৰি দিলে
ককা পিছে কলনীলৈ বুলি
আজিও ঘূৰি নাহিলে
এদিন আবেলি অকণিহঁতে
সিদ্ধান্ত এটা ল'লে
নিৰেন ককা নিৰুদ্দেশৰ খবৰ
বাতৰিত দিব লাগে
কাক দিব কোনে লিখিব
নিৰেন ককাৰ কথা
ভাবি-গুণি মণ্টুৰে ক'লে
হিৰণ্য দাদাৰ কথা
হিৰণ্য দাদা সাংবাদিক হেনো
কাকতত বাতৰি লিখে
তেওঁকে গৈ কওঁগৈ ব'লা
বাতৰিটো লিখি দিবলে
পিছ দিনা পুৱাতে অকণিহঁত
দাদাৰ ঘৰ গৈ পালে
দাদাৰ আগত ককাৰ কথা
সকলো বিৱৰি ক'লে
কথা শুনি অকণিহঁতৰ
বাতৰি এটা লিখে
বাতৰি পায় সুহৃদজনে
ককাৰ খবৰ ল'লে
এদিন আবেলি এজন লোকে
ককাৰ খবৰ দিয়ে
আশ্ৰয় নামৰ বৃদ্ধাশ্ৰমত
নিৰেন ককা আছে
বৃদ্ধাশ্ৰম বাৰু কি বস্তু
কেনেকুৱা সেই ঘৰ
থাকেনে তাত পো-বোৱাৰী
নাতি ল'ৰা মৰমৰ
ঘৰে ঘৰে গৈ অকণিহঁতে
এই কথা সোধে
উত্তৰত বাৰু কি ক'ব
মাক-দেউতাকে ভাবে !
এদিন ক্লাবত ৰাজহুৱা সভাৰ
আয়োজন কৰা হ'ল
সভাপতিয়ে বোলে আমাৰ কলনীৰ
কথাটো বেয়া হ'ল
চোৱা সিদ্ধাৰ্থ তোমাৰ দেউতাক
ঘৰলৈ ওভতাই আনা
এই আদৰ্শ ভাৱী প্ৰজন্মলৈ
সঠিক নহয় জানা
যেনে পুলি তেনে ফল
জানিবা এই কথা
কৰ্ম ফলে জীৱন চক্ৰ
শাস্ত্ৰতো আছে লিখা
পিছদিনা গধূলি নিৰেন ককাক
অকণিহঁতে কাষত পালে
অতি আনন্দৰে ককায়ো সিহঁতক
বুকুত সাবটি ল'লে।



## শিয়াল পোৱালি আৰু এটা বৃদ্ধ সিংহ

■ গৌৰী মহন্ত

ঘন জংঘলত শিয়াল পোৱালি এটি
ফুৰিছিল অনাই বনাই,
অকলশৰীয়া সি আপোন বুলিবলৈ
কেওঁ কিছু তাৰ নাই।
হাবিৰ মাজত টহল দি ফুৰোঁতে
বৃদ্ধ সিংহক লগ পালে,
জীৱনত এনে ভয়ানক জীৱ
প্ৰথমবাৰলৈ দেখিলে।
মস্ত দুখন হাতোৰাৰ সৈতে
দীঘল দীঘল কেশৰ,
ভোটাতৰা যেন চকু দুটা তাৰ
পালেহি নিচেই ওচৰ।
একে জাঁপে সি পলাই সাৰি
পালেগৈ কোনোবাখিনি,
মনে মনে চাই ৰ'ল সিংহক
আঁৰ লৈ জোপোহানি।
কিছু দিনৰ পিছত সিংহক সি
আকৌ দেখা পালে,
এইবাৰ সি পলাবলৈ কিন্তু
খৰধৰ নকৰিলে।
সিংহক দেখি এইবাৰ তাৰ
তিলমানো ভয় নাই,
কোন ফালেনো যায় সাহ কৰি সি
তাকেই থাকিল চাই।
তৃতীয়বাৰলৈ লগ পাই তাৰ
তেনেই সলনি হ'ল মন,
'হেৰা ডাঙৰীয়া' বুলি বাহুত চপৰীয়াই
দেখুৱালে পৃথক আচৰণ।
টেঙৰ শিয়ালৰ এই কৰ্মৰ পৰা
সুশিক্ষা এটি লোৱা,
জটিল পৰিস্থিতিত সদায় তুমি
সাহসেৰে মুখামুখি হোৱা।



হৃদয় ভূঞা, তৃতীয় শ্ৰেণী, শংকৰদেৱ শিশু নিকেতন

## বগলী পেহীৰ বিলৈ

■ ঝৰ্নালী শৰ্মা বৰকটকী

বগাকৈ বগলী পেহীৰ
দীঘল দীঘল ঠেং
কেনেবাকৈ লাগিল এদিন
বগৰীৰ জেং।
আয়ে দেহি বগলী পেহীৰ
কিনো হ'ব গতি
ঠেং দাঙি ফুৰোঁতেই
হ'ল লটি-ঘটি।
সৰাহলৈ মাতিছিলে
নোৱাৰিলে যাব
মাছ কাছ ধৰিব নোৱাৰিলে
কিনো তাই খাব।
তাকে ভাবি বগলী পেহীৰ
বৰ চিন্তা হ'ল
উপায় বিচাৰি শিয়াল ককাইৰ
ওচৰলৈ গ'ল
শিয়াল ককায়ে দিলে বুদ্ধি
ক'লে মাৰিবলৈ লেং
এবাৰতে উফৰি
পৰিল গৈ জেং।
ভাল পায় বগলী পেহী
গ'ল উৰা মাৰি
শিয়াল ককাইৰ লগত
বান্ধি গ'ল বন্ধুৰ এনাজৰী।

ফোন ঃ ৯১০১৮-৬০৩৫৯



## অ' শালিকা শালিকা

■ গায়ত্ৰী দেৱী বৰঠাকুৰ



শালিকা অ' শালিকা, কথা এটি শুনাচোন। বেঙেনা গছত কাপোৰ থৈ দেও দি দেও দি আঁহাচোন। চিৰা দিম, মূঢ়ি দিম আৰু দিম দৈ। শালত বোৱা গামোচা এখনো সাঁচি থৈছোঁ তোমালৈ। অ' শালিকা শালিকা, শুনা আৰু এটি কথা। বৰষুণৰ স'তে ইমান কিনো কথা পাতা? জুৰুলি জুপুৰি হৈ গোৱা কিনো গান? সুৰটোওচোন তোমাৰ তেনেই এধানমান। বৰষুণত উমলিবলৈ বৰ জানা মন মোৰো। মাৰ ৰঙা চকুৰ ভয়তে পিছে সাত জাঁপ মাৰোঁ! খেলা-ধূলা সামৰি তুমিও লকডাউনত কৰিছিলা নে বাৰু অনলাইন ক্লাছ? ভালকৈ নপঢ়িলে তোমাৰ গালতো পৰে চাগে ঠাচ্-ঠাচ্? এক-দুইকৈ তুমিও পঢ়ানে বাৰু নেওঁতা? আছেনে বাৰু তোমাৰো সাধু কোৱা ককাইদেউতা? অ' শালিকা, শালিকা, কাণখন লাহেকৈ আনাচোন কাষলৈ। বৰ মন যায় জানা মোৰ আৰু এটি কথা জানিবলৈ যুৰীয়া শালিকা দেখিলে বাইদেৱে কিয় জানোঁ হাঁহে খিল খিলাই? মায়ে জানোঁ কিয় বাইদেউক ধৰে চকু পকাই !নালাগে নুবুজো দিয়া, সেইবোৰ ডাঙৰৰ কথা। তুমি মাথোঁ হ'বা মোৰ খেলৰ আপোন লগৰীয়া। মন গ'লেই উমলিম আমি চোতালত। একেলগেই ৰ'দো পুৱাম পুহমহীয়া জাৰত। দেশৰ মানে পাতিম য'ত-যিমান কথা। মাজে-সময়ে যাচিম তোমাক একোখন গুৱা। নালাগে যাব আৰু গোবৰ খুঁচৰিবলৈ পদূলিয়ে পদূলিয়ে তুমি !একেলগে বহি লৈ নীলা বাইদেউৰ 'শালিকী ৰটৌ টৌ' কবিতা আওৱাম দেই আমি সখী।

ফোন ঃ ৮৮২২৯-৪৩০৬৪



অনুস্কা নেওগ, পঞ্চম শ্ৰেণী, ঝানজি ফুলপানীচিঙা

# দীঘলী পুখুৰীৰ এক মাতাল সন্ধিয়া

এ আৰ ৰহমান

দীঘলী পুখুৰীৰ এক মাতাল সন্ধিয়া
মনত আছেনে তোমাৰ...!
তোমাৰ ঘন ক'লা চুলিৰ লাহী খোপাত যে
শেৱালিৰ মালা এটি গাঁঠি দিছিলোঁ,
কানফুলি দিছিলোঁ ৰক্তজবাৰ কোমল পাহিৰে।
তোমাৰ আচলৰ সুগন্ধিয়ে সুবাসিত কৰি তুলিছিল
দীঘলীপুখুৰীৰ মাতাল সন্ধিয়াক,
তোমৰ কাজলসনা চকুলৈ চাই তবধ মানিছিল
গাৰ্ডেনৰ বকুল বিলাক,
মনত আছেনে তোমাৰ....!
হাতত হাত থৈ
চকুত চকু থৈ
আলাপ কৰিছিলোঁ নিয়ৰৰ তলত
প্ৰেমৰ,জীৱনৰ,ভৱিষ্যত আৰু সপোনৰ।
মায়াময়-স্বপ্নময় সেই সন্ধিয়াটো মনত পৰেনে তোমাৰ !
ওৰেটো জীৱন একেলগে থকাৰ কিমান যে প্ৰতিশ্ৰুতি
এজন অবিহনে আনজন আধৰুৱা
যেন দেহ দুটা, জীৱন এটা।
কিন্তু সময় যে পাখিলগা কাঁড়
আজি সেই একেই পানবজাৰ-দীঘলী পুখুৰী
পৰি আছে নিঃসংগহৈ তুমি হীনতাত,
উন্মাদনা-চঞ্চলতা হেৰাই গ'ল
কোলাহলৰ পাপৰি ভাঙি নামি আহিল কাল অমানিশা,
সিদিনাৰ পাগলামীবোৰ আজি যেন এটা এটা সাঁথৰ মাত্ৰ।
নতুনত্বৰ আমেজ পাই পুৰণিক দলিয়াই দিলা
এক দুই তিনি কৰি ময়ো বিচ্ছেদৰ জখলাৰে পাৰ হৈ আহিলো
তোমাৰ মায়ানগৰীৰ পৰা,
এতিয়া নিৰাশ-হতাশা আৰু শূন্য জীৱন লৈ
ঘূৰি ফুৰিছোঁ ৰাজপথৰ অলিয়ে-গ'লিয়ে,
ফ্লাই অভাৰৰ তলত চিগাৰেট জ্বলাই
পোৱা-নোপোৱাৰ হিচাপ কৰিছোঁ,
কোনোবাই পাগল, কোনোবাই মদাহী বুলি সম্ভোধন কৰিছে।
অ' মোৰ অভিমানী প্ৰেয়সী...
তোমাৰ ধ্বংসাত্মক প্ৰেমৰ উদ্‌গীৰণত বিস্ফোৰিত মই
বিস্ফোৰিত মোৰ ভৱিষ্যত,
তথাপিও তোমাক ভৎৰ্সনা নকৰোঁ
তুমি য'তেই আছা সুখী থাকা, কুশলে থাকা....।
ফোন-৯৭০৭১-৫৯৩৬৬

# দুখনো কি ?

বন্দনা মহন্ত

দুখনো কি ?

বুকুত সাঁচি থ'লেই
চকুপানী
আৰু
কলিজাত সাঁচি থ'লেই
ঘা

চকুপানী বৈ বৈ
কেতিয়াবা শেষ হৈ
যায়

কিন্তু
কলিজাৰ ঘা
চুলেই বিষায়।

# পথ

পিংকু কলিতা

কোনো এটা পথেই মসৃণ নহয়
জীৱনৰ পথে জিৰণি ল'বলৈ নিদিয়ে
ৰাজআলিয়ে সপোন আগুৱাবলৈ নিদিয়ে।
মাথোঁ কণ্টকময় জীৱনৰ
প্ৰতিটো বাট।
ঘৰ্মাক্ত শৰীৰে সপোনৰ পিছত
কেৱল দৌৰি ফুৰে
আৰু আন কেতিয়াবা
দুঃসময়ৰ বোকোচাত উঠি
ৰাজআলিয়ে শৰীৰ বিদীৰ্ণ কৰি
বুকুৰ সপোন থানবান কৰে।
তথাপি ঠিকনা বিহীন জীৱনে
দৌৰিবলৈ নেৰে।
এয়াইটো জীৱন
মায়াময় সময়ৰ বান্ধোন মাথোঁ
সুখ আৰু দুখৰ।।
ফোন ঃ ৯১০১৪৭৫২৪৮

# পিতাইৰ দুখ...

এন ইছলাম

পিতাইৰ কান্ধত নাঙল
লোৱা বিষটো
বুকুৰে উজাই আহিছে

পিতাইৰ দুচকুৰ সেউজ সপোন
থাউনি হেৰুৱাই উটি যায়
প্ৰতিবছৰৰ বানত

মূৰত দুহাত থৈ
পিতায়ে চাই ৰয়
তেওঁৰ বুকুৰ উদং পথাৰৰ
বালিচৰ..।।
ছয়গাঁও ,কামৰূপ

# এজাক বতাহৰ শেষত

ৰাগিণী আলম্যান

ধীৰে ধীৰে মোৰ পৃথিৱীত বলিছে
এসোঁতা প্ৰেমৰ গৰম বতাহ
বতাহজাকৰ ৰং নীলা , হালধীয়া, গুলপীয়া নে সেউজীয়া?
বতাহজাকৰ ৰং ৰঙা
একেবাৰে মদাৰ ফুলৰ দৰেই ৰঙা !

দুচকুৰ সাগৰখনত এতিয়া ফেনিল ঢৌৰ নৃত্য
কথক, ভাৰত নাট্যম, ওডিচী নাইবা আধুনিক পৃথিৱীৰ
নতুন ষ্টাইল "ৰব'টিক"-
কি হ'ব পাৰে বাৰু ডাঞ্চ ষ্টাইল মোৰ পৃথিৱীত?
মোৰ এই অদৃশ্য পৃথিৱীখনত বলিউডী ফ্ৰি ষ্টাইলৰ ডাঞ্চ সহজেই
উপলব্ধ।

এই যে হাতত হাত ধৰি এসন্ধ্যা কোনো পাৰ্কত
নহ'লে উজানবজাৰৰ কেফে কফি ডেৰ এখন টেবুলত
তোমাৰ বেমতলব কথাৰ মালিতা
আস্...অন্তহীন কিছু দুলায়িত কাহিনী
উপসংহাৰত নায়িকাৰ এখন আধা আঁকা ছবি 'পানীৰঙী'
(শিল বৰষুণ জাকত মাজে মাজে ক্ষত হৈ মচ খোৱা)

প্ৰেম, ভালপোৱা, সুখ-দুখ আৰু জীৱনৰ কিছু চৰম সত্য...

কাহিনীবোৰ তেনেকৈয়ে শেষ হয় তোমাৰ আৰু মোৰ মাজত
(ক'বলৈ গ'লে আমাৰ মাজত)
বাটবোৰ দীঘল হৈ পৰে এখোজ, দুখোজ, কতখোজ
প্ৰাপ্তি অপ্ৰাপ্তিৰ মাদকতাত সলনি হয় প্ৰেমৰ ৰং
জীৱনবোধৰ ৰঙবোৰ সোণাৰুৰ দৰে হালধী ৰঙী।

মাজে পৰে ৰঙবোৰ মিহলি হৈ ৰামধেনুৰ বৰণ লয়
অপ্ৰাপ্তিত হাতৰ মুঠিৰে সৰকি যায় চিকমিকীয়া বালি
প্ৰেমৰ ৰঙবোৰ বুদ্ধৰ বসণৰ দৰে হৈ পৰে গাঢ় কমলাৰঙী
কেতিয়াবা ৰঙবোৰ হৈ পৰে যোৰ-পুখুৰীৰ ৰাজহাঁহ যোৱাৰ দৰেই
শুভ্ৰ
এতিয়াও কিন্তু মোৰ পৃথিৱীত এজাক প্ৰেমৰ চেঁচা বতাহ বলিয়েই
আছে
কুৰুৱা বতাহৰ দৰেই ৰিব্ ৰিব্... ৰিব্ ৰিব্...ৰিব্ ৰিব্...।
ফোন নং- ৯১০১৪ ৭৬০৬৫

# দেউতাৰ গানৰ সুৰটো

সুৰভি বৰ পাত্ৰ গোহাঁই

ধূলিয়ৰি শুকান পৃথিৱীত
মন ৰিঙা ৰিঙা কৰাৰ সময়ত
দেউতাই ভৰাঁলৰ গাধৈত থকা নাঙলত
মৰমৰ হাতখন বোলাই,
তৰালিয়ে বুটাবছা
আকাশলৈ চাই বিনীত নিবেদনে ।
মেঘে ঢোলত চাপৰ দিলেই
গভীৰ নিদ্ৰাত মগন আইক
ফুচফুচাই কয়,
শুনিছানে ল'ৰাৰ মাক
ন-পানী পালেই
মোৰ হৃদয়ৰ তানে জুৰিম
নাঙলৰ সিৰলুৰে ফলা
হেঁপাহৰ পথাৰত
ওহো ৱাহা জীৱনৰ জয়গান ।
তোমাৰ লাৱণি হাতৰ মুঠিত
উজ্জ্বলি উঠিব
সেউজী সপোনৰ ঘৰ
ঘামৰ টোপালত জিলিকিব
প্ৰাপ্তিৰ সপোন
পথাৰৰ মৰম আকলুৱা হৃদয়ে বান্ধিব
মাটি মানুহৰ সমন্বয়ৰ বান্ধোন।
ফোনঃ ৯১০১৪৩০৯২৬

# গছ

পূৰবী বৰা

আকাশ মোৰ হেঁপাহ মাটি মোৰ শিপা
মাটিৰ বুকুত খামুচি মই থিয় হও
যিমানে গভীৰ পোতন
সিমানে প্ৰত্যয়
মাটিৰ ৰসেৰে জীপ লৈ ঠাল ঠেঙুলিবোৰ মেলি দিও আকাশলৈ
ক্ষণে ক্ষণে ৰঙ সলোৱা আকাশখনৰ সজাত নাই
সেয়ে মই দৌৰি ফুৰো
মাটিৰ স্পৰ্শতে ভৰুণ জীৱন মোৰ
আকাশ খেপিয়াই ভাগৰি পৰা মোৰ লাহী পাহি ঠেঙুলিত
গোট মৰা ডাৱৰবোৰ যেতিয়া সৰে
মই ডুব যাও
মাটি পানী বেলিয়ে মোৰ গাত পিন্ধাই সেউজীয়াৰ চোলা
আকাশে আকি দিয়ে আত্মাত নক্ষত্ৰৰ হেঁপাহ
মাটি মোৰ ভৰসা
আকাশ প্ৰেম
চাতক পিয়াহ লৈ আকাশলৈ মেলি দিও ফুল আৰু ফলৰ বৈভৱ
জানোচা এদিন নামি আহে আলিঙ্গন আকুল আকাশ
ফুল আৰু ফলবোৰ এদিন সৰে
মাটিৰ বুকুত
কৃতজ্ঞতাত
চৰাইৰ ঠোঁটত পুনৰ গুটি হৈ উমলি ফুৰো
সৰো গজো
পৃথিৱীক দিও মোৰ সমগ্ৰ
প্ৰাচীন অৰ্বাচীন তৰু তৃণ সকলোতে
সেউজীয়াৰ ৰঙ পিন্ধি সেয়া মই।

# আপুনি থকাৰ কোনো কথাই নাছিল

মঞ্জু হাজৰিকা

বিদায় ল'ব পাৰে আপুনি
মোৰ পৰা
নিঃচৰ্তে
যেনেকৈ অহাৰ পৰতো
নাছিল কোনো চৰ্ত,
হাঁহি আছিল, কান্দোন আছিল
আছিল,
প্ৰেম আৰু অনেক অবুজ অনুভূতি

কোনো ধৰা -বন্ধা কথা নাছিল
আপুনি শুনিবই লাগিব বুলি
জুমি চোৱা নাছিলো
আপোনাৰ বুকুৰ মাজত
পাথৰ নে কলিজা আছিল,

নাছিল কোনো কথা,
মাধৈ- মালতী অথবা
বকুলৰ গোন্ধ
আপুনিও পাব বুলি।

কোনো কথা নাছিল,
আপোনাৰ বাবেও মদিৰ হ'ব বুলি
চতিয়না ফুলেৰে আমোল-মোল
শৰতৰ নিশাবোৰ
বাৰিষাৰ ৰাতিবোৰ
অবোধ বিষণ্ণতাৰে
ভৰি পৰাৱো কথা নাছিল
এনে কোনো কথাই নাছিল।

সেয়েহে অহাৰ দৰেই
গুচি যাব পাৰে
কাৰন-
আপুনি থকাৰ কোন কথাই
নাছিল।।

# হেঁপাহৰ ফুলবোৰ

আইনু বৰুৱা

তোমাৰ শত আঘাতৰ পিছতো...
তোমালৈ থকা হেঁপাহৰ ফুলবোৰ
নিতৌ ফুলি উঠে জকমকাই..
চৌদিশে আমোলমোলাই...

মই জানোঁ...মই বুজোঁ তোমাক...
এই যে... সকলো জানিও...
সকলো বুজিও...
তুমি যে মোক বুজাব খোজা...

মই একো দেখা নাই...
মই একোকে বুজা নাই...
নিৰ্বিকাৰ মানুহটো মই...
মই যে এনেকুৱাই...

জানানে...এই নিৰ্বিকাৰ মানুহটোৱে
মোক মোৰ পৰাই কাঢ়ি লৈ যায়...
আৰু তাৰ পিছত সি কয়...
মোৰ এতিয়া কথা পতাৰ অকনো মন নাই...
মুখত হাঁহি এটা পিন্ধি লৈ...
ভিতৰি ভিতৰি মৰহি যায় তাই...

ইমানৰ পিছতো...
তোমালৈ থকা হেঁপাহৰ ফুলবোৰ...
নিতৌ ফুলি উঠে জকমকাই...
চৌদিশে আমোলমোলাই...

# কোন তুমি

জিতুমনি হাজৰিকা

কোন তুমি দিব্যজ্যোতি কিম্বা সৰগৰ পৰী
এই মৰতক কৰিছা সৰগ
পাহৰাই মানৱক অথিৰ জীৱন ?

জ্বলিছা দিবাকৰ হৈ
আছে লুকাই তাতে চৈতন্য শকতি
দিন ৰাতিৰ মায়াবী খেলা
নীল আকাশত জোনবাই হৈ
বোৱাই দিছা ৰূপোৱালী ঢল
সমুদ্ৰৰ বুকুত ঢৌৰে ঢৌৰে
জোৱাৰৰ কি যে তলমল

গিৰি গুহা কন্দৰ হৈ
প্ৰকাশিছা নিজৰ মহিমা
ভাৱনাৰ হেৰাই দেখো আঁত
দুদিনীয়া এই সংসাৰ

ফুল হৈ মাৰিছা হাঁহি
আঁতৰাই জড়তা বিষাদ বদন
কোন তুমি বিশ্ব যাদুকৰ কিম্বা পৰী
দেখা দিয়া মাথোঁ এটিবাৰ ।
ফোন ঃ ৯১০১২৪৭৭১২

# ব্যস্ততাৰে মোৰ যাত্ৰা

ভাস্কৰজ্যোতি কুটুম

ৰাজধানী চহৰে আৰম্ভ
বেংগালুৰে সমাপ্ত...
নাম যাৰ কৰ্ণাটকা এ'প্ৰেছ
উত্তৰ প্ৰদেশ হৈ..
মধ্যপ্ৰদেশৰ মাজেদি
মহাৰাষ্ট্ৰৰে যাত্ৰা....
ঝক্ ঝক্ শব্দেৰে যায় আগুৱাই
খিৰিকীৰে ৰিব্ ৰিব্ গৰম বতাহৰ আগমন।
ব্যস্ত মানুহবোৰ চিটৰ বিচৰণত
আকৌ কোনোবাই ব্যস্ত
বস্তু বিক্ৰী কৰাত....
চিঞঁৰিছে গৰম নাস্তা, গৰম খানা কৰি..
কোনোবাই ব্যস্ত যাত্ৰাৰ চিন্তাত
আকৌ কোনোবাই....
আপোনজনৰ মাজতে
পাতিছে ভ্ৰমণৰ কথা
আকৌ মাজে মাজে.....
পানী পানী, নাস্তা নাস্তা, খানা খানা
চিঞৰৰ শব্দই কৰিছে আমনি।
কোনাবাই ব্যস্ত টিকট চেকিঙত
আকৌ তাৰে মাজত
কোনোবাই পাতিছে তাচপাতৰ আড্ডা...
কি ঝক্ ঝক্ ৰে'লগাড়ীৰ শব্দ
কি ভিতৰত মানৱৰ ব্যস্ত
নাই কোনো আপোন
দেখা নাই চিনাকি মুখ
খাইছো যদি খাইছো
পানী এটুপি.....
নাই যদি নাই
ভোকত আতুৰ
কিন্তু কাৰোৰে গুৰুত্ব নাই
ব্যস্ত যাত্ৰা ব্যস্ত মানৱতা।
তাৰে মাজত খিৰিকীৰে
ৰিব্ ৰিব্ বতাহৰ আগমন
কবিয়ে ৰচিচে সুন্দৰ কবিতা
গায়কে ৰচিচে হেঁপাহৰ গান
কি যে ব্যস্ততাৰ জীৱন।
ফোন ঃ ৬০০৫০১২৫৮১

# মই মোৰ স'তে

ডাঃ চন্দনা মেধি দাস

সুখী আছিলোঁ
ঔফুলীয়া হাঁহি এটাই
মিচিকিয়াই হাঁহি আছিল,
ভবা নাছিলোঁ
এদিন পিন্ধি লৈ গুচি গ'ল
প্ৰতাৰণাৰ নিলাজ সাজ।

সৰল আছিলোঁ
সৰলতাৰে গুঁঠিছিলো
জটিলতাৰ ঐন্দ্ৰজালখনি
ভেঙুচালিৰে দেখুৱাই থৈ গ'ল
জীৱনৰ অঁকোৱা-পকোৱা বাটটি।

আলফুলীয়া আছিলোঁ
আলাসেৰে চুইছিলো হৃদয়
বিনিময়ত উপচি পৰিল বুকুৰ গাগৰি
বাগৰি গ'ল ৰক্তাক্ত এখন কৰুণ নৈ
কৰি থৈ ভাসমান ভগ্ন হৃদয়।
ফোন ঃ ৭০০২৭-৮৪৩৩৫

# অশ্ৰু

দিপাণ্ডিতা চাংমাই।

তুমিয়েই নেকি অৰশ লুইত?
বৈ যোৱা বিশাল গভীৰ বুকুখনি
তোমাৰ বুকুতে লীন হয়,
বহুতৰ জীৱনৰ আশাৰ চানেকি খনি।
তোমাৰ বৈ যোৱা গম্ভীৰ সোঁতক,
মনোমোহা দৃশ্যৰে হয় অলৌকিক।
তোমাক দেখিলে এনে যেন লাগে
দিবাহি জীয়াই থকাৰ প্ৰেৰণা মোক।
সচাই জানোঁ তুমি বুজি পোৱা?
তোমাক লৈ গৰ্বিত নতুন পুৰুষৰ
তোমাৰ পাৰতে থিয় হৈ সদায়,
অৰ্পিতে তোমাক পূজাৰ অঘ্যবোৰ।
এবাৰ ভাৱি চোৱানে তুমি?
কিমানক তুমি নিপাতন কৰি
শেষ কৰা আকাংক্ষাবোৰ
পৰিয়ালৰ কোনোজনক নিসংগ কৰি।
তোমাৰ নিৰ্দয় বুকুতে জাহ যায়
ৰঙীন আশাৰে ভৰা মাটিবোৰ
ক্ষণে ক্ষণে তোমাৰ কোৱাল সোঁতত
উটাই নিয়া তুমি কিৰিলি পাৰি।
নালাগেনে বেয়া সঁচাই তোমাৰ
তোমাৰ গৰ্ভত মৃত্যুৰ নিনাদ শুনি
ককবকাই মৃত্যুক লয় আঁকোৱালি
হে লুইত কিমান যে নিৰ্দয় তুমি?
আজি কতজন টোকোনা হৈ
ভ্ৰমিছে পদপথত ভিক্ষা মাগি
আপোনজনৰ বিচ্ছেদৰ বেদনায় সদায়
নয়নত অশ্ৰুয়ে থৈছে ঢাকি।
ফোন ঃ ৮০১১৪৩৫১২৭

# শান্তিৰ কপৌজাক

ভূমিকা দাস

ৰ'দৰ চোলা পিন্ধি
আশাৰ পথ এটাৰে তেওঁ গৈ আছিল
কাঁইট গচকি, তেজ গচকি
প্ৰতিটো খোজৰ শব্দত
তেওঁ হাঁহিছিল, সুখী হৈছিল
তেজক পানী কৰি তেওঁ জী উঠিছিল
হাড়ক মাটি কৰি তেওঁ চহাইছিল জীৱন !
শোষণৰ ভৰত আজি তেওঁ
এজন কুঁজা মানুহ।
কথা মালতীৰ ফুল ফুলিলে
তেওঁৰ হুমুনিয়াহবোৰ চৰাই হৈ উৰে,
ভালপোৱাৰ নদী ভৰি পৰিলে
তপত চকুলো মচি তেওঁ মেলি দিয়ে স্বপ্নৰ দুহাত ।
জীৱনৰ পথত কৃত্ৰিম আলোকিত পোহৰ দেখিও,
গৰখীয়াৰ বাঁহীৰ সুৰত আজিও ৰিণি-ৰিণি বাজি উঠে
শান্তিৰ কপৌজাকৰ চিনাকি কণ্ঠস্বৰ ।

# জামুকলীয়া মেঘৰ বুকুত

ৰিঙ্কু দেৱী বৰ্ম

অপেক্ষাবোৰ এতিয়া
বিষ হৈ পৰিছে ...
লাহে লাহে হয়তো বুকুৰ স্পন্দনত শিপাব
এডাল কাঁইটীয়া ৰক্তবীজ হৈ ।

মৌনতাবোৰ যেতিয়া
জঠৰতালৈ ৰূপান্তৰ হয়
তেতিয়া বুকুৰ গভীৰতাত
শিপাই জীয়া সুঁতিৰ অজস্ৰ ঢল ,
যি সুঁতিৰ নাম মাথোঁ বেদনা ।

কিঞ্চিত শব্দত যন্ত্ৰণাৰ পয়োভৰ
য'ত কেৱল মাথোঁ বিষাদৰ উত্তাল,
নাজানো মৌনতাৰ আৱৰ্তত
কেৱল মৌনতাৰ কোলাহল
হৃদয়খনত এতিয়া
অপেক্ষাৰ যন্ত্ৰণা ।

মাতাল হ'ব খোজা নিশাবোৰ
এতিয়া কলীয়া মেঘৰ ছাঁত,
ফৰকাল হ'ব খোজা
আকাশখন
আকৌ জামুকলীয়া মেঘৰ বুকুত ।

অপেক্ষাৰ আঁৰত থাকে
প্ৰাপ্তিৰ সুগন্ধিফেৰা,
কলীয়া মেঘৰ আঁৰতে থাকে
নীলা আকাশৰ বুকুৰ উন্মাদনা ।
ফোনঃ ৮৬৩৮৩-৪৬১৫৯

# সপোনবোৰ

পূৰবী তালুকদাৰ

সপোন দেখাৰ
কোনো বয়স নাথাকে,
নাথাকে কোনো নিৰ্দিষ্ট সময়,
সপোন ৰচিবলৈ লাগে
মাথোঁ এটি সুন্দৰ মন
আৰু অদম্য হেঁপাহ ।
জীৱনৰ উকা কাগজত
সপোনৰ ছবি আঁকি
ৰং-তুলিকাৰে সজাই তোলাৰ
তীব্ৰ বাসনাই
ৰঙীন কৰে আশাবোৰ ।
খহি পৰা উল্কাপিণ্ডৰ দাবানলত
চূৰ্ণ-বিচূৰ্ণ হোৱা সপোনক পাহৰি
বুকুৰ ভিতৰত আকৌ এটি
সপোনৰ বীজ সিঁচি লোৱাঁ,
নকৈ প্ৰস্ফুটিত
সুন্দৰ সপোন এটি
হৈ পৰক জীৱনৰ অণুপ্ৰেৰণা ।

# ভেঁটিৰ সপোন

দিব্যজ্যোতি বৰুৱা

দুচকুত গাঁও এখন কঢ়িয়াই
লৈ ফুৰোতে
তেওঁলোকে দেখিছিল
মাটিৰ পৰা বিচ্ছিন্ন হৈ পৰা গছবোৰ

কংক্ৰিটৰ পোছাক পিন্ধি
সুখৰ নিশ্বাস এৰি
অবাটে খোজ লোৱা মানুহলৈ চাই
ওপঙি আছিল ক'ত জুইফুলৰ সাধু

সমাজৰ শিকলি
সভ্যতাৰ নিয়তি
দোমোজাত হেৰায়
মাঘী পূৰ্ণিমাৰ জোন
এই ভেঁটি
এই গাঁও
এই চহৰ
এই পৃথিৱীত ।
ফোন ঃ ৬০০০২৩৯৫৭৬

# নিয়ৰ

জুৰি শৰ্মা ডেকা

নিয়ৰ সৰে গছে পাতে
টোপ টোপ টোপ
তৰাৰ হাঁহি জোনৰ বুকুত-
সোধে তুমি কোন।
ধুনীয়া ফুল আৰু
পখিলাৰ গান
কোনে দিব পাৰে মৰম
মাৰ সমান???
নিয়ৰেৰে গাধোৱা শেৱালি ফুল
সেউজীয়া ধাননিয়ে
মাতি আছে মোক।

### দলত সালসলনিৰ ইংগিত অধিনায়কৰ

# আজি কটকত ভাৰত-দক্ষিণ আফ্ৰিকাৰ দ্বিতীয় টি-২০



**কটক, ১১ জুন ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ কাইলৈ কটকত অনুষ্ঠিত হ'ব। উল্লেখ্য যে টীম ইণ্ডিয়া শৃংখলাৰ প্ৰথমখন মেচতে পৰাজয়ৰ সন্মুখীন হৈছে। সেয়ে দেওবাৰে হ'বলগা দ্বিতীয়খন মেচ ঘৰুৱা দলটোৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰিছে। উল্লেখ্য যে নতুন দিল্লীত হোৱা শৃংখলাৰ প্ৰথমখন মেচত আলহী দলটোৱে সাত উইকেটত ভাৰতক পৰাস্ত কৰি পাঁচখনীয়া টি-২০ শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছে। ২১২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই ১৯.১ অভাৰত তিনিটা উইকেট হেৰুৱাই মেচখনত জয়লাভ কৰে। দলৰ এই জয়ৰ নায়ক হ'ল দুই অভিজ্ঞ বেটাৰ ডুছান আৰু ডেভিদ মিলাৰ। আৰম্ভণিতে তিনিটা উইকেট হেৰুওৱাৰ পাছতো ডুছানে ৭৫ আৰু মিলাৰে ৬৪ ৰাণ কৰে আৰু অপৰাজিত থাকি দলক বিজয়লক্ষ্যত উপনীত কৰায়। ভাৰতৰ বেটাৰে প্ৰত্যাশিত প্ৰদৰ্শন কৰিলেও বলিঙত ব্যৰ্থ হয় টীম ইণ্ডিয়া। সেয়ে প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড় আৰু অধিনায়ক ঋষভ পণ্ট কাইলৈৰ দ্বিতীয়খন মেচক লৈ চিন্তিত। উল্লেখ্য যে নতুন দিল্লীত পোনতে বেটিং কৰা ভাৰতে ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ২১১ ৰাণ কৰিছিল। দলৰ হৈ ইযান কিষানে ৭৬, হাৰ্দিক পাণ্ড্য়াই ৩১, শ্ৰেয়াছে ৩৬, ঋষভ পণ্টে ২৯ আৰু ৰিতুৰাজে ২৩ ৰাণ কৰে। কিন্তু এই প্ৰদৰ্শনৰ পাছতো ভাৰতে মেচত জয়লাভ কৰিব নোৱাৰিলে। কাইলৈ বলিং বিভাগত সাল-সলনিৰ সম্ভাৱনা আছে। আই পি এলৰ শ্ৰেষ্ঠ উদীয়মান তাৰকা উমৰাণ মালিকৰ অভিষেক হোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় টি-২০ দলটো হ'ল ঃ ৰিতুৰাজ গাইকোৱাড, ইযান কিষান, দীপক হুদা, শ্ৰেয়াছ আয়াৰ, ঋষভ পণ্ট, দিনেশ কাৰ্তিক, হৰ্দিক পাণ্ড্য়া, ভেংকটেশ আয়াৰ, যুজবেন্দ্ৰ চাহাল, কুলদ্বীপ যাদৱ, অক্ষৰ পেটেল, ৰবী বিষ্ণয়, ভূৱনেশ্বৰ কুমাৰ, হাৰ্চল পেটেল, আভেছ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।

## নগাঁও জিলা শক্তি উত্তোলন সন্থাৰ উদ্যোগত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছে সদৌ অসম আন্তঃজিলা শক্তি উত্তোলন চেম্পিয়নশ্বিপ



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, নগাঁও, ১১ জুন** ঃ নগাঁও জিলা শক্তি উত্তোলন সন্থাৰ উদ্যোগত নগাঁৱত শুক্ৰবাৰৰ পৰা অনুষ্ঠিত হৈছে ৪৯ সংখ্যক সদৌ অসম আন্ত:জিলা শক্তি উত্তোলন চেম্পিয়নশ্বীপ প্ৰতিযোগিতা।নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা প্ৰতিযোগিতা খনৰ শুক্ৰবাৰে শুভ উদ্ধোধন কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। প্ৰতিযোগিতা খনিৰ শুভ উদ্বোধন কৰি বিধায়ক শৰ্মাই কয় যে আশাকৰো এই প্ৰতিযোগিতা খনিৰ জৰিয়তে যুৱ খেলুৱৈ সকল যথেষ্ট উপকৃত হব পাৰিব।১২ জুন পৰ্যন্ত অনুষ্ঠিত হবলগীয়া প্ৰতিযোগিতা খনিত ৰাজ্যখনৰ বিভিন্ন স্থানৰ প্ৰায় চাৰি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। ইতিমধ্যে কেইবাটাও শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতা সমূহ পূৰ্ণগতিত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ আছে।ইপিনে কালি প্ৰতিযোগিতা খনিৰ আৰম্ভণিৰ পূৰ্বে নগাঁও জিলা শক্তি উত্তোলন সন্থাৰ উদ্যোগত চহৰখনত মাজমজিয়াত উলিওৱা হয় "এন্টি ড্ৰাগ ৰেলী"।এন্টি ড্ৰাগ ৰেলীৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে বিধায়ক ৰূপক শৰ্মাৰ লগতে নগাঁও জিলা শক্তি উত্তোলন সন্থাৰ বিভিন্ন বিষয় ববীয়া সকলে।

## চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ বক্সিঙত অসমৰ দুটা পদক নিশ্চিত

**গুৱাহাটী, ১১ জুন ঃ** চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ দুগৰাকী বক্সাৰে ছেমিফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰিছে। উল্লেখ্য যে আজি হোৱা খেলত অসমৰ আইকন মিলিয়ে ছোৱালীৰ ৫৪ কেজি শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰি নিজৰ পদক নিশ্চিত কৰে। কাইলৈ ছেমিফাইনেল খেলিব আইকনে। ইফালে, উল্লেখ্য যে আজি অনুষ্ঠিত খেলত অসমৰ ইমদাদ হুছেইনে ৬৩.৫ কেজি শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰে। ইমদাদৰ ছেমিফাইনেল মেচো কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে উভয় বক্সাৰ ছেমিফাইনেলত পৰাস্ত হ'লেও ব্ৰঞ্জ লাভ কৰিব। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে ইতিমধ্যে ১৬ টা পদক লাভ কৰিছে। ইয়াৰে দুটা সোণ, আঠটা ৰূপ আৰু ছটা ব্ৰঞ্জ। বক্সিঙৰ দুটা পদকে অসমৰ পদক সংখ্যা ১৮ টা কৰিলে। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে থাংটাত সৰ্বাধিক আঠটা পদক লাভ কৰাৰ বিপৰীতে চাৰিটা পদক লাভ কৰিছে ভাৰোত্তোলনত। আনহাতে, সাঁতোৰত দুটা তথা যোগাসন আৰু জিমনাষ্টিকছত এটাকৈ পদক লাভ কৰিছে অসমে। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমক প্ৰথমটো সোণ দিয়াৰ গৌৰৱময় সফলতা লাভ কৰে থাংটা খেলুৱৈ ৰাজা সিনহাই। ইফালে, থাংটাত ৰূপৰ পদক লাভ কৰে উৰ্মিলা শৰ্মা আৰু ম'নালী গগৈয়ে। আনহাতে, থাংটাত অসমক পদক দিয়ে সুৰজ সিঙে ব্ৰঞ্জ লাভ কৰি। ইয়াৰপূৰ্বে অসমৰ থাংটাৰ তিনি খেলুৱৈ ৰাহুল চৌহান, য়াইখ'স্বা আৰু ইলিনাই ৰূপৰ পদক অৰ্জন কৰাৰ লগতে এম সান্তামনিয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, অসমৰ হৈ এটা ৰূপৰ পদক লাভ কৰে যোগাসনত সুমিত দে। ভাৰোত্তোলনত অসমৰ সুদিত্য বৰুৱাই ৮৯ কিলোগ্ৰাম শাখাত সোণ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰপূৰ্বে ভাৰোত্তোলনত অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে প্ৰবাল প্ৰতিম গগৈয়েও ভাৰোত্তোলনৰ ৭৩ কিলোগ্ৰাম শাখাত খেলি চতুৰ্থ খেলো ইণ্ডিয়াত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, ভাৰোত্তোলনত প্ৰথমে ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, ক্ৰমাগত দ্বিতীয়খন খেলো ইণ্ডিয়াত পদক লাভ কৰাৰ গৌৰৱময় সফলতা লাভ কৰিছে অসমৰ জিমনাষ্টিকছ খেলুৱৈ উপাশা তালুকদাৰে। ৰিডমিক জিমনাষ্টিকছত অসম কন্যা উপাশাই ব্ৰঞ্জৰ পদক লাভ কৰে। অসমৰ সন্তৰণবিদ আস্থা চৌধুৰীয়ে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত দুটাকৈ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ছোৱালীৰ ১০০ মিটাৰ ৱাটাৰফ্লাই শাখাত আস্থাই ৰূপৰ পদক লাভ কৰে। ইয়াৰপূৰ্বে ২০০ মিটাৰ ফ্ৰী-ষ্টাইল শাখাত আস্থা চৌধুৰীয়ে ব্ৰঞ্জ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

### উমৰান মালিকৰ অভিষেকক লৈ জল্পনা-কল্পনা

## কাশ্মীৰ এক্সপ্ৰেছক লৈ ভাৰতীয় ক্ৰিকেট অনুৰাগী ব্যাকুল

**কটক, ১১ জুন ঃ** সদ্য সমাপ্ত আই পি এলত শ্ৰেষ্ঠ উদীয়মান তাৰকা হিচাপে বিবেচিত কৰা হৈছে পেচ বলাৰ উমৰাণ মালিক। ২২ বছৰীয়া উমৰাণে ১৫০ কিলোমিটাৰতকৈ অধিক বেগত বলিং কৰাৰ উপৰি আই পি এলত ২২ টা উইকেট দখল কৰিছে। ইয়াৰ জৰিয়তে তেওঁ আই পি এল-২০২২ ৰ চতুৰ্থ সৰ্বাধিক উইকেট দখলকাৰী হিচাপেও চিহ্নিত হৈছে। এইগৰাকী কাশ্মীৰী বলাৰক ভাৰতীয় দলত স্থান দিয়াৰ লগে লগে বিশ্বজুৰি তেওঁকলৈ চৰ্চা আৰম্ভ হৈছে। স্বাভাৱিকতে, সমৰ্থকৰ পৰা বিশেষজ্ঞলৈকে সকলোৱে উমৰাণে সুযোগ পোৱাৰ বাবে উৎসাহিতও হৈ পৰিছে। উমৰাণে ভাৰতীয় ক্ৰিকেট দলটোৰ নীলা জাৰ্চী পৰিধান কৰি ধুমুহাৰ গতিৰে বল দলিয়াই বিপক্ষৰ মাজত ত্ৰাসৰ সৃষ্টি কৰি তোলাৰ সেই দৃশ্য



চাবলৈ এতিয়া ভাৰতীয় ক্ৰিকেট অনুৰাগীসকল ব্যাকুল হৈ পৰিছে। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ কাইলৈ কটকত অনুষ্ঠিত হ'ব। উল্লেখ্য যে টীম ইণ্ডিয়া শৃংখলাৰ প্ৰথমখন মেচতে পৰাজয়ৰ সন্মুখীন হৈছে। সেয়ে দেওবাৰে হ'বলগা দ্বিতীয়খন মেচ ঘৰুৱা দলটোৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰিছে। উল্লেখ্য যে নতুন দিল্লীত হোৱা প্ৰথমখন মেচত ভাৰতৰ বেটাৰে প্ৰত্যাশিত প্ৰদৰ্শন কৰিলেও বলিঙত ব্যৰ্থ হয় টীম ইণ্ডিয়া। সেয়ে প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড় আৰু অধিনায়ক ঋষভ পণ্ট কাইলৈৰ দ্বিতীয়খন মেচক লৈ চিন্তিত। কাইলৈ বলিং বিভাগত সাল-সলনিৰ সম্ভাৱনা আছে। আই পি এলৰ শ্ৰেষ্ঠ উদীয়মান তাৰকা উমৰাণ মালিকৰ অভিষেক হোৱাৰ সম্ভাৱনা আছে।

### আন্তঃৰাষ্ট্ৰীয় উশ্বু চেম্পিয়নশ্বিপ-২০২২

## সোণৰ পদক পাই উজলি উঠা বকোৰ জীনা হুছেইনক বিপুল সম্বৰ্ধনা গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ বকো আঞ্চলিক সমিতিৰ



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, বকো, ১১ জুন** ঃখেলুৱৈ সুলভ প্ৰতিভাক উজ্জীৱিত কৰি শৰীৰ চৰ্চাৰে নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা একাংশ উশ্বু কংফু খেলুৱৈয়ে উজাৰি আনিছে বকোলৈ সুনাম। চুবুৰীয়া ৰাজ্য নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত হৈছিল আন্ত: ৰাষ্ট্ৰীয় উশ্বু চেম্পিয়নশ্বিপ - ২০২২ ৰ খেল খন। এই উশ্বু চেম্পিয়নশ্বিপত বকোৰ জীনা হুচেইনে উজাৰি আনিছে সোণৰ খিতাপ। উল্লেখ্য যে ; চাউথ এচিয়ান ফেডাৰেশ্যন অফ অল স্পোৰ্টছ সংস্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা উশ্বু খেলত বকোৰ জীনাই ৰাজ্যিক দলৰ হৈ খেলি সোণৰ পদক লাভ কৰে। জীনাৰ এই সাফল্যত উৎসাহিত হৈছে জাতীয় সংগঠন গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ। আজি গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ বকো আঞ্চলিক সমিতিৰ উদ্যোগত জীনাক আদৰণি জনাবলৈ আয়োজন কৰা হয় সম্বোৰ্ধনা সভা। সংগঠনটোৰ সভাপতি চফিত আলীৰ পৌৰহিত্যত অনুষ্ঠিত সম্বোৰ্ধনা সভাৰ আত ধৰে সম্পাদক আনোৱাৰ হুচেইনে। অনুষ্ঠানত উপস্থিত থাকে জাতীয় সংগঠনটোৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ সভাপতি ৰৌচান আলী ; সম্পাদক ছৈয়দ আল্টাব হুচেইন ; মুকিল আলী ; সাংগঠনিক সম্পাদক টহিদুৰ ৰহমানকে ধৰি জাতীয় সংগঠনৰ বহু কেইজন কৰ্মী।

## কমনৱেলথ গেমছলৈ যোগ্যতা লাভলীনাৰ

**গুৱাহাটী, ১১ জুন ঃ** অসমৰ দুবাৰৰ অলিম্পিয়ান বক্সাৰ শিৱ থাপাৰ পাছত টকিঅ' অলিম্পিকৰ মহিলা বক্সিঙত ব্ৰঞ্জৰ পদক বিজয়ী অসম কন্যা লাভলীনা বৰগোঁহায়েও আসন্ন বাৰ্মিংহাম কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে কমনৱেলথ গেমছত অসমৰ বক্সাৰৰ এতিয়ালৈকে পদক নাই যদিও এইবাৰ দুগৰাকীকৈ অসমৰ বক্সাৰে বাৰ্মিংহাম



কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰি এই বিফলতাৰ সমাপ্তি কৰিবলৈ সাজু হৈছে। উল্লেখ্য যে নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত তিনিদিনীয়া মহিলাৰ বাছনি শিবিৰত আজি ৭০ কেজি শাখাত লাভলীনাই ৭-০ ৰ ব্যৱধানত সতীৰ্থ পূজাক পৰাস্ত কৰি কমনৱেলথ গেমছৰ টিকট ল'বলৈ সক্ষম হয়। ইয়াৰপূৰ্বে লাভলীনাই পৰাস্ত কৰিছিল অসমৰে অংকুশিতা বড়োক। উল্লেখ্য যে লাভলীনাসহ আসন্ন বাৰ্মিংহাম কমনৱেলথ গেমছত অংশ ল'ব ভাৰতৰ চাৰিগৰাকী মহিলা বক্সাৰে। অন্য তিনিগৰাকী হ'ল বৰ্তমানৰ বিশ্ব চেম্পিয়ন নিখাত জাৰিণ (৫০ কেজি শাখা), নিতু (৪৮ কেজি শাখা) আৰু জেছমিন (৬০ কেজি শাখা)। উল্লেখ্য যে নিখাটে নিজ নিজ শাখাত ৭-০ ৰ ব্যৱধানত পৰাস্ত কৰে মিনাক্ষীক। আনহাতে, দিনটোৰ ৰোমাঞ্চকৰ প্ৰথমখন খেলত ২০১৯ ৰ বিশ্ব চেম্পিয়নশ্বিপৰ ৰূপৰ পদক বিজয়ী মঞ্জু ৰাণীৰ বিৰুদ্ধে ৫-২ ত জয় হয় নিতু। ইফালে, লাইটৱেট ফাইনেলত ২০২২ ৰ বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ পদক বিজয়ী পাৰবীনৰ বিৰুদ্ধে জেইছমিনে ৬-১ ৰ ব্যৱধানত জয়ী হ'বলৈ সক্ষম হয়। উল্লেখ্য যে ভাৰতীয় বক্সিং ফেডাৰেচনে অহা ২৮ জুলাইৰ পৰা আঠ আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া বাৰ্মিংহাম গেমছৰ বাবে আঠ জন পুৰুষ বক্সাৰসহ ১২ জনীয়া ভাৰতীয় বক্সিং দল বাছনি কৰিছে বুলি আজি কয় ভাৰতীয় বক্সিং ফেডাৰেচনৰ সচিব হেমন্ত কুমাৰ কলিতাই। ইয়াৰপূৰ্বে যোৱা দুই জুনত হৈছিল পুৰুষ দলৰ বাছনি। উল্লেখ্য যে অসমৰ দুবাৰৰ অলিম্পিয়ান বক্সাৰ শিৱ থাপাই ফাইনেল মেচত ২০১৮ ৰ কমনৱেলথ গেমছৰ ৰূপৰ পদক বিজয়ী মনীষ কৌশিকক ৫-০ ত পৰাস্ত কৰি দেশক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিছে। শিৱৰ লগতে ২০১৯ চনৰ বিশ্ব চেম্পিয়নশ্বিপৰ ৰূপৰ পদক বিজয়ী অমিত পাংগলেও কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জন কৰে। ভাৰতীয় দলত নিজৰ স্থান নিশ্চিত কৰা আন ছয়জন বক্সাৰ হ'ল ২০১৮ ৰ ব্ৰঞ্জৰ পদক বিজয়ী মহম্মদ হুছামুদ্দিন, ৰোহিত টোকাছ, বৰ্তমানৰ ৰাষ্ট্ৰীয় চেম্পিয়ন সুমিত, আশীষ কুমাৰ, সঞ্জীত আৰু সাগৰ। স্মৰ্তব্য যে ২০১৮ ৰ কমনৱেলথ গেমছত ভাৰতীয় বক্সাৰসকলে দ্বিতীয় স্থান দখল কৰি তিনিটা সোণ তথা সমসংখ্যক ৰূপৰ লগতে তিনিটা ব্ৰঞ্জৰ পদকসহ মুঠ নটা পদক লাভ কৰিছিল।

## ৰাষ্ট্ৰীয় পৰ্যায়ৰ পাঞ্জাত সোণৰ পদক প্ৰাপ্ত মাইনা গগৈক মৰাণ আঞ্চলিক ব্যৱসায়ী সন্থাৰ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, মৰাণ, ১১ জুন ঃ** ক্ৰীড়া ক্ষেত্ৰখনত শেহতীয়াকৈ ৰাজ্যবাসীলৈ পুনৰ এক ভাল খবৰ অনা মৰাণৰ বটমৰা মাউত গাঁও মাইনা গগৈ নামৰ যুৱতীগৰাকীয়ে এক ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত সোণৰ পদক পাবলৈ সক্ষম হোৱাত সমগ্ৰ মৰাণবাসী উৎফুল্ল হোৱাৰ লগতে বিভিন্ন দল সংগঠনে জ্ঞাপন কৰে সম্বৰ্ধনা কৰিছে। ১৮,১৮ আৰু,২০ মে'ত BCAI ৰ উদ্যোগত গোৱাত অনুষ্ঠিত হোৱা 2nd BCAI National Armwrestling Championship 2022 ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সোণৰ পদক আজুৰি অনা মৰাণৰ বটামৰা মাউত গাঁও ৰাজু গগৈৰ কন্যা মাইনা গগৈক শুকুৰবাৰে মৰাণ ব্যৱসায়ী সন্থাই মৰাণস্থিত কাৰ্যালয়ত এখনি সম্বৰ্ধনা অনুষ্ঠান আয়োজনকৰি গামোচাৰ জাপি লগতে আগন্তুক খেলৰ বাবে কিছু সকাহ হোৱাৰ উদ্দেশ্য দহ হাজাৰ টকা সাহায্য প্ৰদান কৰে। লগতে এই অনুষ্ঠানতে বৃহত্তৰ মৰাণ অঞ্চলত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অতি দৰিদ্ৰ পৰিয়ালৰ দহ গৰাকী ছাত্ৰ ছাত্ৰীক আৰ্থিকভাৱে কিছু সকাহ দিয়াৰ উদ্দেশ্যে এককালীন ভাৱে ৫ হেজাৰ টকাকৈ দিব বুলি ঘোষণা কৰে আৰু তাৰবাবে পৰিয়ালৰ লোকসকলক এখন আবেদন পত্ৰৰ যোগেদি কাৰ্যালয়ত জমা দিবৰ বাবে জনাই ব্যৱসায় সন্থাই।

## খালিংদুৱাৰ টিচিএলচিচি, ভিচিডিচি আৰু ব্লক ইউপিপিএলৰ উদ্যোগত ৰতনপুৰ ভিচিডিচিত ক্ৰীড়া সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, ভেৰগাঁও, ১১ জুন ঃ** যুৱ প্ৰজন্মৰ ক্ৰীড়া মানসিকতা গঢ়ি তুলিবলৈ ,ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত কৰিবলৈ প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এল দলে আজি ৰতনপুৰ ভিচিডিচিত খালিংদুৱাৰ পৰিষদৰ অন্তৰ্গত প্ৰায় ৪০ টা পঞ্জীয়নপ্ৰাপ্ত সংঘক ক্ৰিকেট আৰু ভলীবল খেলৰ সামগ্ৰী প্ৰদান কৰে। খালিংদুৱাৰ পৰিষদৰ টিচিএলচিচি বুদ্ধীৰাম বড়ো, খালিংদুৱাৰ ইউ পি পি এল দলৰ সভাপতি ,সম্পাদক , দহটা ভিচিডিচিৰ অধ্যক্ষ ,গাঁওবুঢ়া ,পুৰুষ- মহিলা উপস্থিত থাকে। খালিঙদুৱাৰ টিচিএলচিচিৰ অধ্যক্ষ বুদ্ধিৰাম বড়োৱে কয় ক্ৰীড়াৰ জড়িয়তে যুৱ প্ৰজন্মৰ সংস্থাপনৰ বাট মুকলি হয় ।সেই উদ্দেশ্যে বিভিন্ন ভিচিডিচিত থকা গাঁওসমূহৰ সংঘ বা ক্লাৱক ক্ৰীড়াৰ সৰঞ্জাম প্ৰদান কৰা হয় বুলি জানিব দিয়ে।

## জি এছ এৰ 'চি' ডিভিজন কোৱালিফায়িং ৰাউণ্ডত লিণ্ডা-উদয়নৰ অগ্ৰগতি

**গুৱাহাটী, ১১ জুন ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত 'চি' ডিভিজন কোৱালিফাইং ফুটবল প্ৰতিযোগিতাত আজি লিণ্ডা এফ চি আৰু উদয়ন কৃষ্টি সংঘই পৰৱৰ্তী ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰিছে ।আজি নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত খেলত লিণ্ডা এফচিয়ে অংকুৰজ্যোতি সংঘক ৬-২ গ'লত পৰাস্ত কৰে । লিণ্ডাৰ হৈ অভিনন্দন দাসে হেটট্ৰিক অৰ্জন কৰে । আনখন মেচত উদয়ন কৃষ্টি সংঘই এক্সচেল এফ চিক পেনাল্টী শ্বটআউটত ৫-৪ গ'লত পৰাস্ত কৰে । নিৰ্ধাৰিত সময়ত খেলখন গ'লশূন্য হৈ আছিল । কাজিৰঙাৰ অবিনাশ বড়োৱে হেটট্ৰিক অৰ্জন কৰে ।কাইলৈৰ পৰা প্ৰতিযোগিতাৰ পৰৱৰ্তী ৰাউণ্ডৰ খেল আৰম্ভ হ'ব। মেচসমূহ হ'ল ঃ শান্তিপুৰ এচি বনাম কাজিৰঙা এফচি, কেএমচি এফচি বনাম হাৰ্ভেষ্ট এফচি (দিনৰ দুই বজাৰপৰা ) আৰু নিউ ষ্টাৰ ক্লাব বনাম আমবাৰী ইউনাইটেড এফচি, আছাম ৰাৰিয়ৰ্চ বনাম স্প'ৰ্টছক্ৰাফ্ট এছচি (দিনৰ ৩-১০ বজাৰপৰা)।

## আজিৰে পৰা নলবাৰী ফুটবল লীগ

**গুৱাহাটী, ১১ জুন ঃ** বহু প্ৰত্যাশিত নলবাৰী ক্ৰীড়া সন্থাৰ ফুটবল লীগ খন কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। পূব নলবাৰী ব্লকৰ গৰ্ডন স্কুল খেলপথাৰত হ'বলগা উদ্বোধনী মেচত স্প'টিং ইউনিয়ন দলে বালিকৰিয়া ক্ৰীড়া সংঘৰ বিৰুদ্ধে খেলিব। ইফালে, মধুপুৰ ব্লকৰ নতুন দেহৰ হাইস্কুল খেলপথাৰত গ্লেমাৰ স্পোৰ্টছ ক্লাব বনাম বৰসৰকুছি ৰাইজিং স্পোৰ্টচ ক্লাব, টিহু ব্লকৰ মাখিবাহা খেলপথাৰত টিহু স্পোৰ্টছ এছ'চিয়েচন বনাম মাখিবাহা ক্ৰীড়া সংঘ । পশ্চিম নলবাৰী ব্লকৰ চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বেলশৰ আঞ্চলিক ক্ৰীড়া সংঘ বনাম ডলফিন স্পোৰ্টছ ক্লাব । বৰক্ষেত্ৰী ব্লকৰ দেশভক্ত ষ্টেডিয়াম, মুকালমুৱাত লোহাৰকাথা যুৱক সংঘ বনাম বৃহত্তৰ নাৰায়ণপুৰ ক্ৰীড়া সংঘ ।বৰভাগ ব্লকৰ কৰিয়া হাইস্কুল খেলপথাৰত বৰভাগ আঞ্চলিক ক্ৰীড়া সংঘ বনাম ক্ৰীড়া যুৱক সংঘ আৰু বড়িগোগ বনভাগ ব্লকৰ ঘগ্ৰাপাৰ হাইস্কুল খেলপথাৰত ধমধমা স্পোৰ্টছ এছ'চিয়েচন বনাম বনভাগ উদয়ন সংঘই ভাগ ল'ব ।ইতিমধ্যে লীগত ২৯ টা ক্লাব-সংঘই যোগদান নিশ্চিত কৰিছে।

### নগাঁও ক্ৰীড়া সংস্থাৰ প্ৰতিষ্ঠা দিৱস

## বিশিষ্ট ক্ৰীড়াবিদ তথা নগাঁও ক্ৰীড়া সংস্থাৰ প্ৰাক্তন সভাপতি তথা সম্পাদক সহজানন্দ ওজাক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিবেদক, নগাঁও, ১১ জুন ঃ** নগাঁও ক্ৰীড়া সংস্থাই আজি ৮২ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰে। এই উদ্দেশ্যে আজি পুৱা ক্ৰীড়া সংস্থাৰ কাৰ্যালয়ৰ পৰা সমূহীয়া দৌৰৰ ফ্লেগ অফ কৰে সভাপতি ৰাজেন গোহাঁইয়ে । পাছত নগাঁও ক্ৰীড়া সংস্থাৰ পতাকা উত্তোলন কৰি দিয়া ভাষনত গোহাঁয়ে কয় "" স্বাধীনতাৰ পূৰ্বেই যি সকল স্বনামধন্য ব্যক্তিৰ একান্ত প্ৰচষ্টাত নগাঁও ক্ৰীড়া সংস্থা গঠন হৈছিল তেখেত সকলক আজি শ্ৰদ্ধাৰে সোঁৱৰিছো। এই অনুষ্ঠানৰ পৰাই খেলুৱৈয়ে হওক বা সংগঠকেই হওক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়টো অসমৰ নাম উজলাবলৈ সক্ষম হোৱাটো আমাৰ বাবে গৌৰৱৰ কথা। এতিয়াও আমি আমাৰ নৱ প্ৰজন্মৰ খলুৱৈ সকলক ক্ৰীড়াৰ বিভিন্ন ক্ষেত্ৰত আগুৱাই লৈ যোৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছো যদিও কোনো কোনো ক্ষেত্ৰত আমাৰ আন্তঃগাঠনিৰ সমস্যা আছে। " তেওঁ ক্ৰীড়া সংস্থাৰ অভাৱ সমূহ দূৰ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক অনুৰোধ জনায়। ইয়াৰ পূৰ্বে পৱন বৰুৱাই অতীত আৰু বৰ্তমানৰ ওপৰত আলোকপাত কৰে। পতাকা উত্তোলনৰ পাছত ক্ৰীড়া সংস্থাৰ তিনিগৰাকী পুৰোধা ব্যক্তি ক্ৰমে নুৰুল আমিন, ৰামনাথ শৰ্মা, হৰিপদ কুমাৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুস্পাঞ্জলি অৰ্পণ যোগে শ্ৰদ্ধা নিবেদন কৰা হয়। আজিৰ এই বিশেষ দিনটোতে বিশিষ্ট ক্ৰীড়াবিদ তথা নগাঁও ক্ৰীড়া সংস্থাৰ প্ৰাক্তন সভাপতি তথা সম্পাদক সহজানন্দ ওজাৰ বাসগৃহত গৈ গামোচা, শৰাই আৰু সম্বৰ্দ্ধনা পত্ৰ প্ৰদান কৰি সম্বৰ্দ্ধনা জনাই সংস্থাৰ কাৰ্যবাহী সভাপতি ৰূপক শৰ্মা, সম্পাদক প-ৱন বৰুৱা আৰু বিষববৱীয়া সকলে।বিশিষ্ট ক্ৰীড়া সংগঠক গৰাকীক সম্বৰ্ধনা জনাই বিধায়ক ৰূপক শৰ্মাই কয় যে: এগৰাকী বিশিষ্ট ক্ৰীড়া সংগঠক হিচাপে সহজানন্দ ওজাই সমগ্ৰ অসম তথা দেশৰ ক্ৰীড়াক্ষেত্ৰখনলৈ আগবঢ়োৱা অবদান অতুলনীয় ।আজি নগাঁও ক্ৰীড়া সংস্থাৰ প্ৰতিষ্ঠা দিৱসৰ পৱিত্ৰ দিনটোত বিশিষ্ট ক্ৰীড়া সংগঠক গৰাকীক সম্বৰ্ধনা জনাবলৈ পায় যথেষ্ট সন্তোষ লভিছো ।লগতে তেখেতৰ সুস্বাস্থ্য তথা দীৰ্ঘায়ু কামনা কৰিলো। বিয়লি সংস্থাৰ চৌহদত বন্তি প্ৰজ্বলন যোগে দিনটোৰ কাৰ্যসূচীৰ যবনিকা পৰে।



## ৰাষ্ট্ৰীয় ছিনিয়ৰ এথলেটিকছত হিমা-অম্লানৰ শ্ৰেষ্ঠত্ব

**গুৱাহাটী, ১১ জুন ঃ** চেন্নাইত চলি থকা ৰাষ্ট্ৰীয় চিনিয়ৰ আন্ত:ৰাজ্যিক এথলেটিকচ প্ৰতিযোগিতাত আজি অসমৰ অম্লান বৰগোহাঁইয়ে পুৰুষৰ ১০০ মিটাৰ দৌৰত ১০:৪৭ চেকেণ্ডেৰে সোণৰ পদক অৰ্জন কৰে। আনহাতে মহিলাৰ ১০০ মিটাৰ দৌৰত অৰ্জুন হিমা দাসে ডুট্টি চাণ্ডক পিছত ৰাখি ১১:৪৩ চেকেণ্ডৰ ব্যৱধানেৰে সোণৰ পদক অৰ্জন কৰে। দুয়োগৰাকী খেলুৱৈৰ সাফল্যত অসম এথলেটিকচ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰ আৰু সম্পাদক অশোক ভৰালীয়ে আন্তৰিক শুভেচ্ছা আৰু শুভকামনা জ্ঞাপন কৰিছে।

১ শতাংশ নম্বৰ কমকৈ পোৱাৰ ফলত স্থান লাভৰ বঞ্চিত ছাত্ৰী ভেল্লাৰ ফাৰহিনাৰ আহ্বান

# ‘আগন্তুক পৰীক্ষাত উৎকৃষ্ট ফলাফল দেখুৱাবলৈ আত্মবিশ্বাস বঢ়াওক’

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১১ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থানপ্ৰাপ্তসকলৰ খবৰ সংবাদ মাধ্যমযোগে প্ৰচাৰ লাভ কৰিছে যদিও এনে কিছু শিক্ষাৰ্থী আছে যি সকলে অতি সামান্য নম্বৰৰ ব্যৱধানৰ বাবে ৰাজ্যৰ ভিতৰত স্থান লাভৰ পৰা বঞ্চিত হৈছে। স্থান লাভৰ পৰা বঞ্চিত হ'লেও হতাশ নোহোৱা অথবা হাৰি নোযোৱা এইসকল শিক্ষাৰ্থীৰ খবৰে যোগাব পাৰে আন দহগৰাকীক অনুপ্ৰেৰণা-উৎসাহ। তেনে এগৰাকী শিক্ষাৰ্থী হৈছে বৰপেটাৰ ঐতিহ্যমণ্ডিত ভেল্লাৰ খন্দকাৰপাৰাৰ মেধাৱী ছাত্ৰী ফাৰহিনা আৰমিন আহমেদ। ফাৰহিনা আৰমিন আহমেদে ৯৭ শতাংশ নম্বৰ লাভেৰে ভেল্লাৰ লগতে বৰপেটা জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। কৃতী ছাত্ৰী ফাৰহিনাই সাধাৰণ গণিতত ১০০, সাধাৰণ বিজ্ঞানত ১০০, সমাজ বিজ্ঞানত ১০০, ইংৰাজীত ৯১, উচ্চ গণিতত ৯৭ আৰু হিন্দীত ৯৬ সহ মুঠ ৫৮২ নম্বৰ লাভ কৰি বিদ্যালয়খনৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে।




গহিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ মহিৰউদ্দিন আহমেদ আৰু ৰুমী আহমেদৰ সুকন্যা ফাৰহিনা আৰমিন আহমেদে মাত্ৰ ১ শতাংশ কম নম্বৰ পোৱাৰ বাবে স্থান লাভৰ পৰা বঞ্চিত হৈছে যদিও হতাশ নহৈ আগন্তুক দিনত আৰু অধিক ভাল ফলাফল দেখুৱাবলৈ মনৰ দৃঢ়তা আৰু আত্মবিশ্বাসেৰে আগবাঢ়ি যাবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি ভেল্লাৰ সাংবাদিক আজিজুল হকৰ সৈতে হোৱা সাক্ষাৎকাৰত কয়। স্থান লাভৰ পৰা বঞ্চিতসকলক নিৰাশ নহৈ এই বিষয়ক অধিক গুৰুত্ব দিয়াতকৈ আগন্তুক দিনত শিক্ষালাভৰ জৰিয়তে নিজকে অধিক বিকশিত হোৱাৰ প্ৰতিহে অধিক গুৰুত্ব দিবলৈ অনুজসকলক আহ্বান জনায় ফাৰহিনাই। শিক্ষাৰ জৰিয়তে এগৰাকী উৎকৃষ্ট মানৰ সম্পদ হিচাপে গঢ় লৈ দেশ আৰু জাতিৰ সেৱাত ব্ৰতী হোৱাৰো আহ্বান জনায়। মেধাৱী ছাত্ৰী ফাৰহিনা আৰমিন আহমেদে ভৱিষ্যতে এগৰাকী প্ৰশাসনিক সেৱাৰ বিষয়া হৈ দেশৰ সেৱা কৰাৰ সপোন মনত পুহি ৰাখিছে। ফাৰহিনাৰ সাফল্যত উল্লাসিত হৈ বৃহত্তৰ ভেল্লা প্ৰেছ ক্লাব, ভেল্লা আঞ্চলিক ছাত্ৰ সন্থা, ভেল্লা আঞ্চলিক গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ লগতে অঞ্চলৰ বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে শুভেচ্ছা জ্ঞাপন কৰি তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে।

কাশী হিন্দু বিশ্ববিদ্যালয়ৰ বৈদিক দৰ্শন বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° কৃষ্ণকান্ত শৰ্মাক বিপুল সম্বৰ্ধনা

# অধ্যয়ন কৰা বিদ্যালয়ক দান দিলে ৰাষ্ট্ৰপতিপ্ৰদত্ত বঁটাৰ ধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১১ জুন ঃ** মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, এসময়ৰ নতুন কমলাবাৰী সত্ৰৰ বৈষ্ণৱ, বেনাৰস কাশী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিষয় অধ্যয়ন কৰি পি এইচ ডি উপাধি লাভ কৰি সেই বিশ্ববিদ্যালয়তে বৈদিক দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ৰূপে অধ্যাপনা কৰি অৱসৰ লোৱাৰ উপৰি ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ ভায়'লিন বিভাগত বিশেষ যোগ্যতাৰে ভূষিত হোৱা ডঃ কৃষ্ণকান্ত শৰ্মাক আজি বিদ্যালয়খনৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ভাৰতৰ উপৰি পৃথিৱীৰ বিভিন্ন ঠাইত সংস্কৃত ভাষাত গৱেষণামূলক কৰ্মৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় সন্মান লাভ কৰিবলৈ সক্ষম হোৱা তথা ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় বঁটাৰে বিভূষিত হোৱা পণ্ডিতগৰাকীয়ে লাভ কৰা প্ৰথমটো ৰাষ্ট্ৰীয় বঁটা ভাৰতৰ ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰাৰ সময়তে বঁটাৰ পাঁচ লাখ টকা পঢ়ি অহা বিদ্যালয়খনৰ বাবে আগবঢ়োৱাৰ সিদ্ধান্ত কৰে। সেই উদ্দেশ্যে ডঃ শৰ্মাই বাস কৰা বহাৰ বুঢ়াভকত তথা সংস্কৃত পণ্ডিত প্ৰয়াত ৰসেশ্বৰ শৰ্মা ভাগৱতীৰ সোঁৱৰণীত নিৰ্মিত সভাকক্ষটি আজি আনুষ্ঠানিক ভাৱে মুকলি কৰে মাজুলী মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ নৰেন ঠাকুৰীয়াই। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিৱেশন কৰা গুৰুবন্দনাৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ কৰুণা বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সভাপতিৰ আসনৰ পৰা ডঃ শৰ্মাৰ শৈক্ষিক দিশৰ উপৰি মাজুলীৰ প্ৰতি থকা আন্তৰিকতা আৰু সত্ৰীয়া সংস্কৃতিৰ প্ৰতি থকা আনুগত্য কেনেদৰে পালন কৰে সেই বিষয়ে কয়। এই সভাতেই ডঃ শৰ্মাক বিদ্যালয়ৰ তৰফৰ পৰা বিপুল




সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি অভিভূত ডঃ শৰ্মাই নষ্টালজিক হৈ পৰে। অধ্যয়ন ক্ষেত্ৰখন আৰু সাংস্কৃতিক ক্ষেত্ৰখনৰ ওপৰত এক সাৱলীল বক্তব্য আগবঢ়ায়। সভাত মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জগতজ্যোতি সাতোলা, অৱসৰপ্ৰাপ্ত শিক্ষক কমল শইকীয়া, ধীৰেন্দ্ৰনাথ শইকীয়া, ৰত্নেশ্বৰ বৰা, যতীন বৰুৱা, দলি বৰুৱা আদিৰ লগতে সত্ৰৰ বৈষ্ণৱৰ ফালৰ পৰা যাদৱ বৰা, হৰিচৰণ বৰবায়ন, পৰমানন্দ কাকতি আৰু উপেন বৰগায়নে উদাসীন পৰম্পৰাৰ পৰা বিশ্বৰ বুকুত উজলি উঠা পণ্ডিত প্ৰবৰগৰাকীয়ে গুৰুভক্তিৰ যি নিদৰ্শন দেখুৱালে সি নৱপ্ৰজন্মৰ বাবে পাথেয় হ'ব বুলি বক্তব্য ৰাখে। বিদ্যালয়ৰ শিক্ষকসকলৰ ফালৰ পৰা নাৰায়ণ বৰাই ডঃ শৰ্মাৰ বদান্যতা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ভৱিষ্যৎ গঢ়াৰ মূলধন হ'ব বুলি বক্তব্য ৰাখি মাজুলীলৈ আহিলেই ছাত্ৰ-ছাত্ৰী সকলৰ লগত এটা অন্তৰংগ আলাপ কৰাৰ আহ্বান জনায়। সভাখনৰ আঁত ধৰে অসম সাহিত্য সভাৰ মাজুলীৰ জিলা প্ৰতিনিধি প্ৰভাত বুঢ়াভকতে। সভাত এখন সু-স্বাস্থ্য সমাজ গঢ় দিয়াৰ ক্ষেত্ৰত আত্মত্যাগ কৰা এইবছৰ বঁটাপ্ৰাপক দলি বৰুৱাক বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনায়। উল্লেখযোগ্য যে কালি বদলা পদ্ম আতাৰ জন্মোৎসৱত 'বদলা পদ্ম আতা বঁটা' লাভ কৰা এইগৰাকী পণ্ডিতে ভায়'লিনত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰাৰ উপৰি তেখেতৰ পত্নীও এগৰাকী শাস্ত্ৰীয় সংগীতৰ পণ্ডিত।

# চামগুৰিৰ শিঙীয়া হাইস্কুলৰ কৃতী শিক্ষক পুলিন বৰাক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তা সেৱা, চামগুৰি, ১১ জুন ঃ** নগাঁও জিলাৰ চামগুৰিৰ নিকটৱৰ্তী শিঙীয়া ফুকনখাট গাঁৱত অৱস্থিত শিঙীয়া বি. দেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহ:শিক্ষক পুলিন বৰাই ২০২১বৰ্ষৰ ৩১ জুলাইত অৱসৰ গ্ৰহণ কৰাত এই বৰ্ষৰ ১০জুন শুক্ৰবাৰে বিদ্যালয়ৰ পৰিয়াল বৰ্গই অৱসৰপ্ৰাপ্ত সহ: শিক্ষক গৰাকীক আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে বিদ্যালয়ত অৱসৰপ্ৰাপ্ত শিক্ষক কীৰ্তিকান্ত গোস্বামী দেৱৰ সভাপতিত্বত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সভাৰ কাৰ্যসূচী অনুসৰি বিদ্যালয় খনৰ



জেষ্ঠ শিক্ষক হৰিশ শইকীয়া দেৱে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সহ:শিক্ষয়িত্ৰী চন্দনা ভূঞাই আঁত ধৰা সভা খনত আদৰণী ভাষণ প্ৰদান কৰে বিদ্যালয় প্ৰধান শিক্ষয়িত্ৰী মাজন বৰাই। ১৯৮৮চনৰ ছেপ্টেম্বৰ মাহৰ ১ তাৰিখে বিদ্যালয় খনত পুলিন বৰা দেৱে এজন সহ শিক্ষক হিচাপে যোগদান কৰি শিক্ষকতা আৰম্ভ কৰে। শুক্ৰবাৰে দিনৰ ১১বজাত অনুষ্ঠিত হোৱা বিদায় সম্বৰ্ধনা সভা খনত উপস্থিত থাকে অৱসৰপ্ৰাপ্ত শিক্ষক হৰেশ্বৰ গোস্বামী, নবীন চন্দ্ৰ বৰা, শৈলেন্দ্ৰ নাথ কলিতা,প্ৰেমানন্দ বৰা,অৱনী বৰুৱা, হিৰণ্য কুমাৰ বৰা, ভবেন চন্দ্ৰ বৰাৰ লগতে এছ.এম.চি.ৰ সভাপতি প্ৰাণজিৎ বৰাৰ লগতে কেইবাগৰাকীও সদস্য। আমন্ত্ৰিত অতিথিৰ ভাষণত কেইবাগৰাকী প্ৰাক্তন শিক্ষকে পুলিন বৰাৰ কৰ্মৰাজিৰ ওপৰত ভাষণ ৰখাৰ লগতে বিদ্যালয়খনৰ সহ:শিক্ষয়িত্ৰী জবা গোস্বামী, ৰূপৰেখা ভূঞা আৰু বিধুপৰ্ণা নাথে অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকীয়ে বিদ্যালয়খনত কৰা কৰ্মৰাজিৰ লগতে বিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠান, খেল-ধেমালি,স্কাউট এণ্ড গাইডৰ এজন ইনচাৰ্জ হিচাপে তেওঁ যিখিনি কৰ্ম কৰি থৈ গৈছে সেয়া কেতিয়াও কোনেও পাহৰিব নোৱাৰাৰ লগতে তেখেতে বিদ্যালয় খনত দি থৈ যোৱা অৱদান খিনিৰ ওপৰত ভাষণ প্ৰদান কৰি আৱেগিক হৈ পৰে। আনহাতে,বিদ্যালয় খনত ২০১০চনৰ পৰা অসম চৰকাৰৰ এগৰাকী ঠিকাভিত্তিক সহশিক্ষয়িত্ৰী হিচাপে যোগদান কৰা ডেইজী বৰাই সুদীৰ্ঘ ১২ বছৰ ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা দান কৰাৰ পাছত শেহতীয়াকৈ চৰকাৰী ভাৱে নিয়মীয়াকৰণ হোৱাত নগাঁৱৰ ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোগদান কৰিবলগীয়া হোৱাৰ বাবেই এই বিদ্যালয় খনৰ পৰা অৱসৰ গ্ৰহণ কৰিব লগীয়া হয়। সেয়েহে, একেখন বিদায় সভাতে দুয়োজন কৃতী শিক্ষক-শিক্ষয়িত্ৰী দুয়োগৰাকীক বিদ্যালয়ৰ পৰিয়াল বৰ্গৰ তৰফৰ পৰা ফুলাম গামোচা, শৰাই, জাপি, মানপত্ৰ, গ্ৰন্থৰ টোপোলা আদিৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। দুয়ো গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ বিদায় বেলাত বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৱেগিক হৈ পৰা পৰিলক্ষিত হয়।

# ডিমৌত ‘আছু’ৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ত নামভৰ্তিৰ বাবে বিনামূলীয়া সহায়ক কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১১ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছতেই মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ বিভিন্ন পাঠ্যক্ৰমত নামভৰ্ত্তিৰ আৱেদন পত্ৰ পূৰণত ছাত্ৰ ছাত্ৰীসকলৰ সহায় হোৱাকৈ ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ স্থায়ী কাৰ্যালয়ত নামভৰ্ত্তি সহায়ক কেন্দ্ৰ স্থাপন কৰা হৈছে। এই সহায়ক কেন্দ্ৰৰ যোগেদি ডিমৌ আছুৰ বিষয়ববীয়াসকলে ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়াকৈ অনলাইনত আৱেদন পূৰণ কৰি দিয়াৰ লগতে যিকোনো বিষয়ৰ পাঠ্যক্ৰমৰ সঠিক তথ্য প্ৰদান কৰিছে। এই সন্দৰ্ভত ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পৱন বুঢ়াগোহাঁই, সহকাৰী সাধাৰণ সম্পাদক পাৰ্থ সাৰথি গগৈ আৰু সুদীপ্ত গগৈয়ে জনাইছে যে অনলাইন কেন্দ্ৰ সমূহত টকা ব্যয় কৰি ছাত্ৰ-ছাত্ৰীসকলে নাম ভৰ্তিৰ কৰাৰ বিপৰীতে ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ আহি আৱেদন পত্ৰ পূৰণ কৰিবলৈ আহ্বান জনায়। ছাত্ৰ ছাত্ৰীসকলে ৮৪৮৬৬০৩৭৩০, ৯১০১১১১৮১৭, ৯১২৭৪২১৬৮৮, ৬০০১২১৫২১১ নম্বৰত যোগাযোগ কৰিও সবিশেষ তথ্য লাভ কৰিব পাৰিব।

# জামুগুৰিহাটত চতিয়া বিধানসভা সমষ্টিৰ চাৰিখন গাঁও পঞ্চায়তৰ সদস্যক লৈ আইনী সজাগতা-আলোচনা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১১ জুন ঃ** আজি জামুগুৰিহাটৰ মধ্য চিলাবন্ধা গাওঁ পঞ্চায়তৰ প্ৰেক্ষাগৃহত অসম গ্ৰামোন্নয়ন উদ্যোগ প্ৰতিষ্ঠান আৰু ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম ৰ তত্ত্বাৱধানত এখন সজাগতা ও আলোচনা সভা অনুষ্ঠিত হয়। শোণিতপুৰ জিলাৰ অন্তৰ্গত মুঠ ৪০ টা পঞ্চায়তৰ চতিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত আৰু নদুৱাৰ উন্নয়ন খণ্ডৰ অধীনৰ দক্ষিণ চিলাবন্ধা, মধ্য চিলাবন্ধা,পশ্চিম মুঢ়াদল, উত্তৰ চিলাবন্ধা আৰু উত্তৰ,মুঢ়াদলক সামৰি আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হোৱা আইনী সজাগতা ও আলোচনা সভাৰ শুভ উদ্বোধন কৰে মধ্য চিলাবন্ধা গাওঁ পঞ্চায়তৰ সভানেত্ৰী জুলি ভৰালীয়ে। আজি প্ৰথম দিনাৰ সজাগতা সভাত উপস্থিত থাকি প্ৰশিক্ষণ প্ৰদান কৰে ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম,ৰ সমল ব্যক্তি হিমাংশু শইকীয়াই। এই সজাগতা ও আলোচনা সভাত ভাৰতীয় নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য, মানব সৰবৰাহ আৰু প্ৰসব পূৰ্বে গৰ্ভ নিৰ্ধাৰণ সন্দৰ্ভত দৃশ্য শ্ৰাব্যৰ জৰিয়তে দাঙি ধৰে ।বিশেষ কৈ গ্ৰামাঞ্চলত হৈ থকা কিছুমান অসামাজিক কাৰ্য কলাপ সমূহ আইনীভাৱে কিদৰে বিনামূলীয়াকৈ নিষ্পত্তি আৰু ভুক্তভোগীয়ে ন্যায় পাব পাৰে এনেধৰণৰ গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত প্ৰশিক্ষণ ও সজাগতা সভা অনুষ্ঠিত কৰা হয়। এই সজাগতা সভাৰ যোগেদি অংশ গ্ৰহণকাৰী পঞ্চায়তৰ প্ৰতিনিধি সকলে গাৱে গাৱে ঘূৰি কু-সংস্কাৰ আৰু অসামাজিক কাৰ্য কলাপৰ বিৰুদ্ধে সজাগ কৰি আইনী ভাৱে কিদৰে উপকৃত হয় সেই বিষয়ে গ্ৰামাঞ্চলৰ সৰ্ব সাধাৰণ ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাটোৱেই মুল উদ্দেশ্যে। আইনী সজাগতা আৰু আলোচনা সভাত বহু কেইগৰাকী পঞ্চায়তৰ প্ৰতিনিধি উপস্থিত থাকে।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলে উদঙালে এখন চৰকাৰী বিদ্যালয়ৰ প্ৰকৃত ছবি

## নলবাৰীৰ এখন চৰকাৰী বিদ্যালয়ৰ জীয়া কাহিনী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১১ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলে নলবাৰীৰ একাংশ চৰকাৰী বিদ্যালয়ৰ প্ৰকৃত ছবিখন পৰিস্ফুট কৰি তুলিছে। নলবাৰীৰ এখন উচ্চ মাধ্যমিক পৰ্যায়ৰ চৰকাৰী বিদ্যালয়ত ১৬ জন শিক্ষকৰ বিপৰীতে মাত্ৰ এগৰাকী পৰীক্ষাৰ্থী হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। পৰীক্ষাৰ্থী গৰাকীক হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ কৰাব নোৱাৰিলে এই এখন বিদ্যালয়ে। বিদ্যালয়ৰ প্ৰধান শিক্ষকে স্বীকাৰ কৰিলে- এয়া আমাৰ বিফলতা। নলবাৰী জিলাৰ এই ব্যৰ্থ চৰকাৰী বিদ্যালয় বিদ্যালয় খনৰ নাম - বৰকুৰিহা বিদ্যা মন্দিৰ হাইস্কুল। নলবাৰীৰ জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ বৰকুৰিহা গাঁৱৰ এই বিদ্যালয় খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা মুঠ ১৬ জন আৰু যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থী আছিল মাত্ৰ ১জন। কিন্তু আশ্চৰ্য তথা দুখৰ বিষয় ১৬জন শিক্ষকে ১ জন পৰীক্ষাৰ্থীক কৰাব নোৱাৰিলে উত্তীৰ্ণ। শিক্ষকতা কৰি থকা বিদ্যালয়খনৰ শিক্ষকে ক'লে- ১জন পৰীক্ষাৰ্থীক পাছ কৰাব নোৱাৰাটো আমাৰ ব্যৰ্থতা। মঙলবাৰে ঘোষিত হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত নলবাৰীত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পৰা ৪গৰাকী ছাত্ৰ-ছাত্ৰীয়ে শীৰ্ষ স্থান লাভ কৰাৰ বিপৰীতে শিক্ষাৰ নৱদীপ খ্যাত নলবাৰীৰ বৰকুৰিহাৰ উক্ত চৰকাৰী বিদালয়খনৰ শৈক্ষিক মান অতি শোচনীয় অৱস্থালৈ গতি কৰা বিষয়টোৱে নলবাৰীৰ শৈক্ষিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য, বিগত কেইবা বছৰ ধৰি উক্ত শিক্ষানুষ্ঠান খনে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অতি শোচনীয় ফলাফল দেখুৱাই আহিছে। বৰ্তমানে বিদ্যালয়খনত অতি কম সংখ্যক শিক্ষাৰ্থীয়েহে অধ্যয়ন কৰি আছে। পিছে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে শিক্ষাৰ পুতৌ লগা এই শিক্ষানুষ্ঠানখনৰ প্ৰতি কি ব্যৱস্থা গ্ৰহণ কৰে সেয়াহে লক্ষণীয় হ'ব।


# প্ৰতিবন্ধকতা নেওচি ছাত্ৰী কংকণা কলিতাৰ সাফল্য

## নামখলা আঞ্চলিক ছাত্ৰ সন্থা আৰু প্ৰতিবন্ধী সুৰক্ষা সংস্থাৰ অভিনন্দন



**দৈনন্দিন বাৰ্তাৰ সেৱা, নামখলা, ১১ জুন ঃ** শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত প্ৰবল ইচ্ছা শক্তি থাকিলে প্ৰতিবন্ধকতা কেতিয়াও হেঙাৰ হব নোৱাৰে। সেই কথা পুনৰ প্ৰতিপন্ন কৰিলে দৰং জিলাৰ কলাই গাওঁ বিধানসভা সমষ্টিৰ দেওধনী ঘাট হাই স্কুলৰ দিব্যাংগ ছাত্ৰী কংকনা কলিতাই ।এইবেলি হাই স্কুল শিক্ষান্ত পৰীক্ষাত নামখলাৰ নিকটবৰ্তী আঠিয়াবাৰী গাঁৱৰ হিৰণ্য কলিতাৰ আৰু লাবণ্য কলিতাৰ জীয়ৰী কংকণা কলিতাই দৰিদ্ৰতাক তথা প্ৰতিবন্ধকতা নেওচি দ্বিতীয় বিভাগ লাভ কৰি অঞ্চলটোলৈ কঢ়িয়াই আনিছে এক গৌৰৱ। ভৱিষ্যতে ছাত্ৰী গৰাকীৰ উচ্চ শিক্ষাৰক্ষেত্ৰত চৰকাৰৰ পৰা সহায়ৰ হাত বিচাৰিছে মুকবধিৰ দিব্যাংগ ছাত্ৰী কংকনা কলিতাৰ পৰিয়ালে। ছাত্ৰী গৰাকী এনে সাফল্যত প্ৰতিবন্ধী সুৰক্ষা সংস্থা অসমৰ কেন্দ্ৰীয় সম্পাদক নৃপেন মালাকাৰ আৰু উপ-সভাপতি আতিকুৰ ৰহমানৰ লগতে স্থানীয় অনুষ্ঠান প্ৰতিষ্ঠানে অভিনন্দন জনাইছে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতত হে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি